GPH S5 03(M)
EXAM CODE : PHM 5C

গ্ৰীক আৰু মধ্যযুগীয় দৰ্শন

পঞ্চম ষাণ্মাসিক

দৰ্শন

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক শিৱনাথ শর্মা(অবসাৰপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্রীপ্রদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,৬	ড° মানসী বৰা	ড° মানসী বৰা
২,৩	ড° সুচৰিতা ডে বি বৰুৱা মহাবিদ্যালয়	মাইনু দেবী বৰুৱা
৪	ড° প্রণতী দেবী বি বৰুৱা মহাবিদ্যালয়	ৰিমকী কাকতী
৫	ড° প্রণতী দেবী বি বৰুৱা মহাবিদ্যালয়	ড° ৰূপজ্যোতি দত্ত
৭	জয়শ্রী ডেকা	গিতাঞ্জলী মেধি
৮	ড° তেজসা কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° তেজসা কলিতা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° তেজসা কলিতা, ড° ভাস্কৰ ভট্টাচার্য্য,
ভাষা সম্পাদনা ঃ ড° তেজসা কলিতা, **ড° নিভা ৰাণী ফুকন**
গাঁথনিক সম্পাদনা ঃ ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৯

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৰিষ্যতে উদ্ভাৱন-সম্ভৰ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নো�ৰাৰিব।
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়খনে আপোনাক গ্রীক আৰু মধ্যযুগীয় দর্শনৰ লগত পৰিচয় কৰি দিব। এৰিষ্ট'লৰ মতে আশ্চর্য্যবোধৰ পৰাই দর্শনৰ উৎপত্তি হৈছে। মানুহবোৰ সকলো বস্তুৰ বিষয়ে জানিবলৈ উৎসাহী। গতিকে এই যুগত সকলোধৰণৰ জ্ঞান এনে এক বস্তু আছিল, যাৰ লাহে লাহে উদগমন ঘটিছিল. সেয়েহে এই পাঠ্যবিষয়খনত গ্রীক আৰু মধ্যযুগীয় দর্শনৰ কিছুমান বিশেষ ধাৰণা আলোচনা কৰা হৈছে। বিভিন্ন ধৰণৰ ধাৰণা যেনে দ্রব্য, পৰিৱর্তন, সত্ত্বা, পৰমাণুবাদ, জ্ঞান ঈশ্বৰৰ সত্ত্বা ধর্ম আদিক এই পাঠ্যবিষয়ত অধ্যয়ণ কৰা হৈছে। এই বিশেষ পাঠ্য বিষয়টিত এই ধাৰণাসমূহ কিছুমান প্রাক চক্রেটিক, পৰম্পৰাগত গ্রীক দর্শন আৰু মধ্যযুগীয় গ্রীক দর্শনৰ জৰিয়তে অধ্যয়ণ কৰা হ'ব।

খণ্ড পৰিচয়

এই খণ্ডটিত আঠটা অধ্যায় আছে। **প্রথম অধ্যায়টো হ'ল থেলেচৰ দ্রব্যৰ সমস্যা**। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিবলৈ সুবিধা পাব 'Substance' নামৰ দার্শনিক পদটো গ্রীক 'Ousia'ৰ লগত মিল খায় যাৰ অর্থ হ'ল 'being' যি লেটিন শব্দ 'Substantia' পৰা আহিছে যাৰ অর্থ হ'ল 'যি সকলো বস্তুৰ ভিত্তি' (Something that stands under or grounds things)। সাধাৰণভাৱে, সেইবাবে, এটা দার্শনিক ব্যৱস্থাত দ্রব্য মানে হ'ল সেইবোৰ বস্তু, যিবোৰ সত্তাৰ ভিত্তি। ।

দ্বিতীয় অধ্যায়টো হ'ল পৰিবর্ত্তনৰ সমস্যা. এই অধ্যায়টিয়ে আপোনালোকক পৰিবর্ত্তনৰ সমস্যা (problem of change) ৰ সৈতে পৰিচয় কৰাব। ইয়াত তোমালোকে ইলিয়াটিক চিন্তাবিদ যেনে - জেনোফেন্চ, পাৰমেনিডিচ আৰু জিনো আৰু হেৰাক্লাইটাছে আলোচনা কৰা সমস্যা দেখিবলৈ পাবা। সকলোবোৰ ইটালীৰ এলিয়া (Elea) নামৰ চহৰৰ আৰু হেৰাক্লাইটাছ আছিল এছিয়া মাইনৰৰএফিচাছ (Epheous) চহৰৰ নাগৰিক। তোমালোকে জানি আমোদ পাবা যে এলিয়াটিকসকলহৈ প্রকৃত অর্থত দর্শনৰ ভেঁটি আমালৈ অগবঢ়াই থৈ গৈছে।

তৃতীয় অধ্যায়টো হ'ল তত্ব বা সত্বা নাইবা বস্তুৰ সমস্যা। এই অধ্যায়টোৱে আইওনিক সম্প্রদায়ৰ চিন্তাবিদ সকলে ব্যাখ্যা কৰা দ্রব্য বা সত্ত্বাৰ ধাৰণাৰ লগত আপোনালোককপৰিচয় কৰাব।

চতুর্থ অধ্যায়টো হ'ল জেনোৰ বিৰোধভাব। এই অধ্যায়টোৱে জেনোৰ গতি আৰু বহুত্ব বিৰুদ্ধে যুক্তিৰ পৰিচয় দাঙি ধৰিছে। জেনো মেগনা গ্রেচিয়াৰ প্রাচীন চক্রেটিয় গ্রীক দার্শনিক আৰু পার্মেনাইডিচৰ এলিয়াটিক সম্প্রদায়ৰ এজন সদস্য আছিল। তেওঁ এলিয়াটিক সম্প্রদায়ৰ তৃতীয় আৰু অন্তিমজন চিন্তাবিদ আছিল। তেওঁ বিৰোধাভাস কাৰণে জনাজাত। জেনোৰ গতিৰ বিৰুদ্ধে যুক্তিৰ সমূহৰ প্রকৃতিৰ মূল উৎস হৈছে এৰিষ্টটল আৰু চিলিচিয়াৰ চিম্পলিচিয়াচৰ লেখনি।

পঞ্চম অধ্যায়টো হ'ল 'ডে'মক্রিটাছ ঃ পৰমাণুবাদ'। এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি পৰমাণুবাদৰ ক্রমবিকাশ,এনাক্সোগোৰাছ আৰু ডেম'ক্রিটাছ, ডেম'ক্রিটাছৰ পৰমাণুবাদ,পৰমাণুৰ প্রভাৱৰ বিষয়েবর্ণনা কৰিবলৈ সক্ষম হ'ব।

ষষ্ঠ অধ্যায়টো হ'ল **'চক্রেটিচ ঃ সদ্‌গুণ আৰু জ্ঞান'** —এই অধ্যায়টি অধ্যয়ন কৰি আপুনি গ্রীক দর্শনত সদ্‌গুণৰ ধাৰণা, সদ্‌গুণৰ নীতিতত্ত্বৰ, গ্রীক দর্শনত জ্ঞানৰ ধাৰণা আৰু চক্রেটিচে সদ্‌গুণ আৰু জ্ঞানৰ বিষয়ে কি কৈছিল তাৰ বিষয়ে জানিব

পাৰিব।

সপ্তম অধ্যায়টো হ'ল **'প্লেটো ঃ জ্ঞান তত্ত্ব'** । এই অধ্যায়টি অধ্যয়ন কৰি আপুনিপ্লেটোৰ জ্ঞানতত্ত্ব কি তাক জানিব পাৰিব। লগতে জ্ঞান যে বোধ বা বোধজ্ঞান নহয় তাক আৰু জ্ঞান যে অভিমত নহয় তাক ব্যাখ্যা কৰিব পাৰিব।এই অধ্যায়টোৰ অধ্যয়নৰ জৰিয়তে আপুনি সকলো জ্ঞান যে সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান তাক আলোচনা কৰিব পাৰিব আৰু জ্ঞানৰ চাৰিটা শ্রেণীৰ পৰিচয় লাভ কৰিব আৰু লগতে জ্ঞান যে প্রতিবাদিত সত্য বিশ্বাস তাক আলোচনা কৰিব পাৰিব।

অষ্টম অধ্যায়টো হ'ল **'প্লেটোৰ ধাৰণাৰ মতবাদ'**। এই অধ্যায়টিত আমি প্লেটোৰ ধাৰণাৰ মতবাদৰ বিষয়ে শিকিম আৰু আলোচনা কৰিম। এই তত্ত্বটোয়ে দর্শনত এটি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। প্লেটোৰ ধাৰণাৰ তত্ত্বটোক আমি প্লেটোৰ দর্শনত আগবঢ়োৱা আটাইতকৈ দৰকাৰী অৱদান বুলিও ক'ব পাৰো। প্লেটোৰ মতে ধাৰণা বা আকাৰেই হৈছে এই জগতৰ প্রকৃত সত্য।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

অধ্যায় ১ ঃ **থেলেচৰ দ্রব্যৰ সমস্যা** **১-৮**

গ্রীক দর্শনত দ্রব্যৰ সংজ্ঞা, থেলেচৰ দ্রব্যৰ সমস্যা

অধ্যায় ২ ঃ **পৰিবর্ত্তনৰ সমস্যা** **৯-২০**

পাৰমেনিডিচআৰু হেৰাক্লাইটিছ, পাৰমেনিডিচৰ পৰিবর্ত্তনৰ সমস্যা, পাৰমেনিডিচৰ ওপৰত মন্তব্য

অধ্যায় ৩ ঃ **তত্ব বা সত্বা নাইবা বস্তুৰ সমস্যা** **২১-৩৫**

বিশিষ্ট আইওনিক নাইবা সজীৱ জড়বাদী চিন্তাবিদ সকল, এনাক্সিমেণ্ডাৰৰ দ্রব্য বা সত্বা সম্পর্কীয় ধাৰণা, দ্রব্য বা সত্বাৰ পাইথাগোৰিয়ান ধাৰণা

অধ্যায় ৪ ঃ **জেনোৰ বিৰোধভাব** **৩৬-৪৭**

দ্বান্দ্বিক পদ্ধতি, জেনোৰ বহুত্ব আৰু গতিৰ বিপেক্ষ যুক্তি, দেশ

অধ্যায় ৫ ঃ **ডেমক্রিটাছ ঃ পৰমাণুবাদ** **৪৮-৫৮**

ডেম'ক্রিটাছৰ জীৱনী আৰু তেওঁৰ লিখনি, পৰমাণুবাদৰ ক্রমবিকাশ, এনাক্সোগোৰাছ আৰু ডেম'ক্রিটাছ, ডেম'ক্রিটাছৰ পৰমাণুবাদ, পৰমাণুৰ প্রভাৱ

অধ্যায় ৬ ঃ **চক্রেটিচ ঃ সদ্‌গুণ আৰু জ্ঞান** **৫৯-৬৯**

সদ্‌গুণৰ নীতিতত্ত্বৰ ধাৰণা, গ্রীক দর্শনত জ্ঞানৰ ধাৰণা, চক্রেচিটৰ সদ্‌গুণ আৰু জ্ঞানৰ ধাৰণা

অধ্যায় ৭ ঃ **প্লেটো ঃ জ্ঞান তত্ত্ব** **৭০-৭৯**

প্লেটোৰ জ্ঞান তত্ত্ব, সকলো জ্ঞান সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান, জ্ঞানৰ চাৰিটা শ্রেণী, সত্য বিশ্বাস হিচাপে প্রতিপাদিত জ্ঞান

অধ্যায় ৮ ঃ **প্লেটোৰ ধাৰণাৰ মতবাদ** **৮০-৮৮**

প্লেটোৰ ধাৰনা বা আকাৰৰ ধাৰণা, প্লেটোৰ ধাৰণাৰ তত্ত্বৰ বৈশিষ্ট্য, প্লেটোৰ ধাৰণাৰ তত্ত্বৰ সমালোচনা

অধ্যায় ১ ঃ থেলেচৰ দ্রব্যৰ সমস্যা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ থেলেচৰ দ্রব্যৰ সমস্যা
১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৫ অধিক জানিবলৈ
১.৬ অগ্রগতিৰ খতিয়ান
১.৭ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্রীক দর্শনত দ্রব্যৰ ধাৰণাৰ বিষয়ে জানিব পাৰিম।
- দ্রব্যৰ বিষয়ে আন গ্রীক দার্শনিকসকলে কি কয় তাৰ বিষয়ে জানিব পাৰিম।
- থেলেচৰ দর্শনত দ্রব্যৰ সমস্যাটো কি তাৰ বিষয়ে জানিব পাৰিম।

১.২ পৰিচয়

'Substance' নামৰ দার্শনৰ পদটো গ্রীক 'Ousia'ৰ লগত মিল খায় যাৰ অর্থ হ'ল 'being' যি লেটিন শব্দ 'Substantia' পৰা আহিছে আৰু যাৰ অর্থ হ'ল 'যি সকলো বস্তুৰ ভিত্তি' (Something that stands under or grounds things)। সাধাৰণভাৱে, সেইবাৰে, এটা দার্শনৰ ব্যৱস্থাত দ্রব্য মানে হ'ল সেইবোৰ বস্তু, যিবোৰ সত্তাৰ ভিত্তি। দ্রব্যৰ অর্থ হ'ল (Substantia-underlying, underlying-the Latia thanstation of the greek) সেয়া যি নিজে নিজে স্বাধীনভাৱে অস্তিত্বশীল। এইয়া আন কোনো তাৎক্ষণিক বস্তু বা গুণৰ দৰে নহয় যি আন বস্তুৰ মাজেৰে অস্তিত্বশীল। দ্রব্য হ'ল সেয়া— যি স্থিৰ আৰু স্থায়ী আৰু যি অস্থিৰ আৰু অস্থায়ী বস্তুৰ বিপৰীত সত্তা। এই দ্রব্য হ'ল আমাৰ ইন্দ্রিয়ৰ সহায়ত ঢুকি নোপোৱা এক অভিভাজ্য সত্তা যাক কেৱল মনৰ জৰিয়তেহে ঢুকি পাব পাৰি।

১.৩ থেলেচৰ দ্রব্যৰ ধাৰণা

দ্রব্যৰ সমস্যাটো হ'ল এক প্রধান সমস্যা যাক পূর্ব গ্রীক দার্শনিকসকলে পোন প্রথমে ব্যাখ্যা কৰিছিল আৰু প্রত্যেকজন মালেচিয়ান (Milesian) দার্শনিকে বাছনি কৰা দ্রব্যবোৰ

আছিল মূৰ্ত দ্ৰব্য (Concrete substance)। তেওঁলোকে প্ৰশ্ন কৰিছিল যে ঃ এই পৃথিৱীখন গঠন কৰা মূল আধাৰটো কি? আৰু তাৰ উত্তৰত তেওঁলোকে কৈছিল যে ইন্দ্ৰিয়ই দেখা পোৱা কিছুমান মূৰ্ত বস্তু যেনে পানী, বতাহ বা অবিভাজ্য কিছুমান বস্তুৰ কথা কৈছিল যাৰ পৰা ইন্দ্ৰিয়গ্ৰাহ্য বস্তুবোৰক জনা যায়। এটা সাধাৰণ নিয়মৰ অনুসাৰে (monism) তেওঁলোকে বিভিন্ন বস্তু আৰু সিহঁতৰ পৰিৱৰ্তনবোৰ যিবোৰ মূল বস্তুটোৰ কিছুমান পৰিৱৰ্তন হয় তাৰ সহায়ত তেওঁলোকে বিভিন্ন বস্তুৰ বিভিন্ন গুণবোৰৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। নিৰীক্ষণৰ দ্বাৰা জনা যায় যে এবিধ দ্ৰব্য আন এবিধ দ্ৰব্যলৈ পৰিৱৰ্তন হয় আৰু সেই একে ধৰণেৰেই প্ৰকৃত বস্তুটোও আমাৰ অভিজ্ঞতাৰ পৃথিৱীত পোৱা বিভিন্ন বস্তু পৰিৱৰ্তন হয়।


পৰিৱৰ্তনৰ সমস্যাটোক মালেচিয়ান দাৰ্শনিকসকলে সম্পূৰ্ণভাৱে অৱহেলা কৰা নাই। কিন্তু তেওঁলোকে দ্ৰব্যৰ সমস্যাটোৰ পৰা নিজকে পৃথক কৰিব পৰা নাই। যিবোৰ ব্যক্তিগত দাৰ্শনিক আছিল তেওঁলোক সকলোৱে ভাবিছিল যে পৰিৱৰ্তনৰ আৰু গতিৰ কাৰণবোৰ মূল দ্ৰব্যটোক animates কৰে আৰু ই পৃথক নিয়ম বা পদাৰ্থ নহয়, কিন্তু প্ৰকৃত বা মূল বস্তু বা দ্ৰব্যটো কেনেকৈ উৎপন্ন হ'ল তাক লৈ মতাদৰ্শৰ পাৰ্থক্য আছে। সেয়েহে, থেলেচে সৰলভাৱে ধৰি লৈছিল যে প্ৰথম দ্ৰব্য বা নিয়ম (first principle), পানী সহজভাৱে আন বস্তু হৈ পৰে কাৰণ পানীৰ পৰিৱৰ্তন (transformation) হৈছে বস্তুবোৰৰ সৃষ্টি হয়।

পাইথাগোৰিয়ানসকলেও দ্ৰব্যৰ সমস্যাটোক বহুত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁলোকে এটা বিমূৰ্ত সংখ্যাৰ তত্ত্বৰ অৱতাৰণা কৰিছিল যাৰ মতে সংখ্যাই একমাত্ৰ আৰু প্ৰধান কাৰণ বস্তুসমূহৰ। তেওঁলোকৰ মনোযোগবোৰ পৃথিৱীৰ বস্তুসমূহৰ মাজত থকা সম্পৰ্কবোৰৰ ক্ৰম, সামঞ্জস্য বা একতাতকৈ কোনো মূৰ্ত, ইন্দ্ৰিয় প্ৰত্যক্ষ দ্ৰব্যৰ ওপৰত দিয়া হোৱা নাই। যিহেতু এইবোৰ সংখ্যাৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি, সেয়েহে তেওঁলোকে সংখ্যাৰ ওপৰতহে গুৰুত্ব দিয়ে।

হেৰাক্লাইটাচ আৰু ইলেট্ৰিকছসকলৰ বাবেও দ্ৰব্যৰ সমস্যাটো একে হৈয়েই থাকে বা আছে। হেৰাক্লাইটাচ আৰু আইওনিয়ানসকলৰ মাজত এক সাদৃশ্য আছে কাৰণ তেওঁলোকে জুইক এক জীৱিত পদাৰ্থ হিচাপে ধৰি তাক এক পৰম সত্তা হিচাপে ধৰি লৈছে কিন্তু তেওঁলোকে সচেতনভাৱে পৰিৱৰ্তনৰ (change or becoming) সমস্যাটোক এক গুৰুত্বপূৰ্ণ সমস্যা হিচাপে চিহ্নিত কৰিছে, তেওঁৰ মতে এই বিশ্বখন অনবৰতে পৰিৱৰ্তন হৈ আছে, সকলো বস্তুৱেই পৰিৱৰ্তনৰ ক্ৰমত আছে, বস্তুৰ মাজত কোনো ধৰণৰ স্থায়িত্ব বোলা উপাদান নাই।

এমপিডকল্চ আৰু এনাক্সগোৰাচৰ মতে সকলো বস্তু যি প্ৰাথমিক দ্ৰব্যৰে গঠিত হৈচে সেই সকলোবোৰ গুণগতভাৱে পৃথক পৃথক, সেই মতে গুণগত পৰমাণুবাদক (designated qualitative atomism) লিউটিপাচ আৰু ডিমোক্ৰেটাচৰ পৰিমাণগত পৰমাণুবাদৰ পৰা পৃথক কৰিব লাগিব। পৰিমাণগত পৰমাণুবাদীসকলে অপৰিৱৰ্তনীয় উপাদান আৰু পৰিৱৰ্তনীয় সম্পৰ্কবোৰৰ ধাৰণাটোক গ্ৰহণ কৰি লৈছে, কিন্তু তেওঁলোকে এমপিডক্লচ আৰু এনাক্সগোৰাচৰ মতামতৰ পৰা নিজকে পৃথক বুলি কয় কাৰণ তাত আন আন কিছুমান দিশ

আছে, এমিপিডক্লচ আৰু এনাক্সগোৰাচে উপাদান বা বস্তু আৰু পৃথক গতিশীল শক্তিক অনুমান কৰিছে, লিউচিপাচ আৰু ডিমোক্রেটাতে সংখ্যাবিহীন সুথম অবিভাজিত বস্তু/পদাৰ্থৰ খণ্ডসমূহক ধৰি লৈছে যাক অণু পৰমাণু বুলি কোৱা হয় আৰু সেই অণু পৰমাণুবোৰৰ মাজত গতি নিহিত হৈ থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰা ঃ

(ক) 'Substance' নামৰ দার্শনিক পদটো গ্রীক 'Ousia'ৰ সৈতে একে যাৰ অর্থ হ'ল——।

(খ) দ্রব্য হ'ল সেয়া যি —— অস্তিত্বশীল, নিজে নিজেই, যি এটা বা আনটোৰ মাজেৰে তাৎক্ষণিক গুণ হিচাপে বর্তি থাকে।

(গ) দ্রব্যৰ সমস্যাটো হৈছে সেইটো প্রথম সমস্যা যাক পোনপ্রতমে —— দার্শনিকসকলে উল্লেখ কৰিছিল আৰু প্রত্যেকজন —— দার্শনিকে নির্বাচন কৰা দ্রব্যবোৰ প্রাথমিক দ্রব্য যিবোৰ কিছুমান মূর্ত দ্রব্য হয়।

১.৪ থেলেচৰ দ্রব্যৰ সমস্যা

থেলেচ আছিল এজন প্রাক-চক্রেটিক যুগৰ গ্রীক দার্শনিক, গণিতজ্ঞ, আৰু জ্যোর্তিবিজ্ঞানী যি এচিয়াৰৰ (বর্তমান সময়ত তুর্কীৰ মিলেট) মিলেটাচ নামৰ ঠাইখনৰ বাসিন্দা আছিল। তেওঁ গ্রীকৰ সাতজন সন্তৰ ভিতৰৰ এজন আছিল। এৰিষ্টটলে তেওঁক গ্রীক পৰম্পৰাৰ প্রথমজন দার্শনিকৰূপে গণ্য কৰিছিল নহ'লে তেওঁক ঐতিহাসিকভাৰে পাশ্চাত্য সভ্যতাৰ প্রথমজন ব্যক্তি হিচাপে গণ্য কৰা হয় যিয়ে বৈজ্ঞানিক দর্শনত নিমজ্জিত আছিল।

থেলেচে ধর্মীয় পৰম্পৰাৰ পৰা আঁতৰি আহি এই পৃথিৱী তথা বিশ্বব্রহ্মাণ্ডখনক ব্যাখ্যা কৰিছিল। তেওঁ আধুনিক বিজ্ঞানৰ লগত সংগতি ৰাখি প্রাকৃতিক বস্তু আৰু ঘটনা পৰিঘটনাবোৰক তত্ত্ব তথা প্রকল্পৰ সহায়ত ব্যাখ্যা কৰিছিল। ধর্মীয় ব্যাখ্যা ব্যৱহাৰ কৰাৰ পৰিৱর্তে থেনেচে প্রকৃতিক এটা প্রকৃত দ্রব্যৰ অস্তিত্বৰ ওপৰত ভিত্তি কৰি থকা এক সামগ্রিক একতাৰ পৰা প্রকৃতি নিঃমৃত হয় বুলি মন্তব্য কৰা বাবে আন আন প্রাক-চক্রেটিক দার্শনিকসকলে তেওঁক অনুসৰণ কৰিছিল। এৰিষ্টটলে থেলেচৰ প্রকল্পৰ এনেধৰণে ব্যাখ্যা কৰিছিল যে প্রকৃতিৰ উৎপত্তি স্থল আৰু দ্রব্যৰ প্রকৃতিৰ কাৰণ কেৱল এটা দ্রব্য ঃ পানী।

থেলেচৰ বিখ্যাত দার্শনিক অৱস্থিতিয়েই তেওঁৰ জাগতিক তত্ত্ব যি আমালৈ এৰিষ্টটলৰ নামৰ 'Metaphysics' নামৰ গ্রন্থখনৰ পৰা আহিছে। এই গ্রন্থখনত এৰিষ্টটলে বাৰে বাৰে কৈছে যে প্রকৃতিৰ একমাত্র উৎপত্তি স্থল এটা দ্রব্য যাক পানী বুলি জনা যায়। ইয়াৰ পিছত এৰিষ্টটলে

বহুতবোৰ Conjecturesৰ কথা কৈছিল যিবোৰ তেওঁৰ নিজৰ নিৰীক্ষণৰ ওপৰত নির্ভৰ কৰিছিল যিবোৰে থেলেচে কিয় পানীক একমাত্র দ্রব্য বুলি গণ্য কৰিছিল তাৰ বিষয়ে কিছু কথা কৈছিল (যদিও এৰিষ্টটলে নিজে এই কথাটো কেতিয়াও কোৱা নাছিল)।

এৰিষ্টটলে তেওঁৰ নিজৰ ধাৰণা বা চিন্তাবোৰ দ্রব্য আৰু তাৰ আকাৰ বা ৰূপ সম্বন্ধে আগবঢ়াইছিল যিবোৰে থেলেচৰ ধাৰণাবোৰৰ বিষয়ে কিছু আভাস দিব 'Metaphysics' নামৰ গ্রন্থখনত (এই দফাটোত এনেকুৱা শব্দ কিছুমান শব্দ আছে যিবোৰ পিছলৈ বিজ্ঞানে বহুতো/বিভিন্ন অর্থৰে গ্রহণ কৰিছিল) যাৰ পৰা সকলো বস্তুৰে অস্তিত্ব থাকে আৰু যাৰ পৰা ই প্রথমে উৎপত্তি হয় আৰু যাৰ পৰা ই শেষত অস্তিত্বশীল হয়, ইয়াৰ দ্রব্যবোৰ ইয়াৰ ভিতৰতেই থাকি যাব, কিন্তু ইয়াৰ গুণসমূহৰ কিছু পৰিৱর্তন হয়। এইবোৰেই তেওঁলোকৰ মতে তেওঁলোকৰ বস্তুসমূহৰ উপাদান। কিয়নো এইটো বৰ জৰুৰী যে কিছুমান এনেকুৱা প্রকৃতি থাকিব লাগে যে য'ত বস্তুসমূহক ৰক্ষা কৰিব পাৰি বা সাঁচি ৰাখিব পাৰি। এই দর্শনৰ প্রৱর্তক থেলেচৰ মতে এয়া পানী। এই উদ্ধৃতিটোত আমি পৰিৱর্তনৰ সমস্যা আৰু দ্রব্যৰ সংজ্ঞা সম্পর্কে এৰিষ্টটলৰ মতামত জানিবলৈ পাওঁ। তেওঁ সুধিছিল যদি কোনো দ্রব্য পৰিৱর্তন হয়, এই পৰিৱর্তন একে নে পৃথক? বেলেগ ক্ষেত্রবোৰত এটাৰ পৰা আনটোলৈ কেনেকৈ পৰিৱর্তন হ'ব পাৰে। ইয়াৰ উত্তৰটো হ'ল এয়া যে দ্রব্যবিধ সংৰক্ষিত হৈ যায়, কিন্তু কালক্রমত ইয়াৰ বিভিন্ন গুণসমূহৰ ক্ষয় হয় নাইবা নতুন গুণ কিছু অর্জন কৰে।

এৰিষ্টটলে অনুমান কৰিছিল যে থেলেচে এই সিদ্ধান্তটোলৈ উপনীত হৈছিল এইদৰে ভাবি যে 'nourishment of all things is moist and that even the hot is created from the wet and lives by it.' এৰিষ্টটলে নিজেই অনুমান কৰি লৈছিল যে কেনেকৈ থেলেচে পানীক একমাত্র দ্রব্য বুলি ধৰি লৈছিল, আৰু সেই ফালৰ পৰা তেওঁক এজন দ্রব্য আৰু আকাৰৰ ধাৰণাৰ আৰম্ভক/প্রৱর্তক বুলি ক'ব পৰা যায়।

থেলেচে ভাবিছিল যে এই পৃথিৱীখন এখন পানীৰ ওপৰত উপঙি থকা ঘূৰণীয়া কাঁহী। থেলেচে এইবোৰ হেৰাক্লাইটিচৰ মতে আদ্র দ্রব্যবোৰক বতাহ, আলতীয়া বোকা আৰু মাটিলৈ পৰিৱর্তন হোৱা দেখি পানীকেই একমাত্র দ্রব্য বুলি ধৰি লৈছিল। ইয়াত দেখা যায় যে থেলেচে পৃথিৱীখনক পানীৰ পৰা গোট মৰা এক কঠিন দ্রব্য বুলি গণ্য কৰিছিল আৰু ইয়াৰ চাৰিওফালে সাগৰে আৱৰি আছে। ডায়জিনিচৰ মতেও থেলেচে শিকাইছিল যে 'water constituted (stood under) The principle of all things.' এৰিষ্টটলে থেলেচৰ অৱস্থাটোক পোনপটীয়াকৈ পিছৰ সময়ৰ এনাক্সিমিনিচৰ লগত তুলনা কৰিছিল থিয়ে কৈছিল যে সকলো বস্তু বতাহৰ পৰা গঠিত হৈছে।

১৮৭০ চনত প্রকাশিত হোৱা Dictionary of Geely and Roman Biography and Mythology থেলেচৰ ভুলটোক দেখুৱাই দিছিল যে পানী সকলো বস্তুৰেই উৎপত্তি স্থল, যাৰ পৰা সকলো বস্তুৰেই সৃষ্টি হয় আৰু য'ত সকলো বস্তুৰেই বিনাশ হয়। থেলেচে তেওঁৰ মতামতক প্রতিষ্ঠা কৰিব বিচাৰিছিল। সেইবাবে, এৰিষ্টটলে তেওঁক দর্শনৰ প্রৱর্তক বুলি কোৱাৰ

লগে লগেই থেলেচে তেওঁৰ দাবীক প্ৰতিষ্ঠা কৰিবলৈ উঠি পৰি লাগিছিল। কাৰণ ইয়াৰ কোনো লিখিত আকাৰ নাছিল, বা থেলেচৰ কোনো ধৰণৰ কিতাপো নাছিল, কিন্তু এৰিষ্টটলে ব্যৱহাৰ কৰা সকলো ধাৰণাৰ দ্বাৰাই ইয়াক প্ৰমাণ কৰা হৈছিল যেতিয়া তেওঁ সেই তত্ত্ব আৰু প্ৰমাণবোৰ মালেচিয়ান সকলৰ পৰা আনিছিল।

সেইবাবে থেলেচৰ দৰ্শনৰ গুৰুত্ব ইমানতেই যে তেওঁ দাৰ্শনিক প্ৰশ্নবোৰ ঘূৰণীয়া আকাৰত বা বৃত্তাকাৰ আকাৰত কৰিছিল আৰু এই প্ৰশ্নবোৰৰ উত্তৰ দিওঁতে তেওঁ কোনো ধৰণৰ কাল্পনিক সত্তাৰ সহায় লোৱা নাছিল। তেওঁ পুষ্টি, গৰম, বীজ যিবোৰ জীৱনৰ বাবে বৰ আৱশ্যকীয়, যিহেতু এইবোৰে আদ্ৰতা নিৰ্দেশ কৰে সেইবাবে তেওঁ পানীক প্ৰকৃত সত্তা বুলি গণ্য কৰিছিল। এইবোৰ কৰোতে থেলেচ myth of oceanus and Tethysৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এই কথাখিনিৰ উৎপত্তি ইয়াৰ পৰাও হ'ব পাৰে যে গ্ৰীক দৰ্শন গ্ৰীকৰ কাল্পনিক বা পৌৰাণিক আৰু ধৰ্মৰ কথাবোৰৰ পৰা উৎপত্তি হৈছে। পানীৰ কঠিন, জুলীয়া আৰু বাষ্প তিনিটা ৰূপেই আছে আৰু সেইবাবে চকুৰ পলকতে ই পৰিৱৰ্তন হৈ যাব পাৰে, সূৰ্য্যৰ পোহৰত পানী ভাপ হৈ যায়, আৰু ইয়াক থেলেচৰ দৰ্শনত পানীক জুইলৈ পৰিৱৰ্তন হোৱা বুলি ক'ব পাৰি, সেই পানীখিনি আকৌ বৰষুণৰ ৰূপত তললৈ নামি আহে আৰু ইয়াত পৃথিৱীত নিহিত হৈ পৰে— ইয়াকেই পানী কেনেকৈ পৃথিৱীলৈ পৰিৱৰ্তন হয় কোৱা হয় আৰু অৱশেষত পানী জীৱনৰ বাবে অপৰিহাৰ্য্য হৈ পৰে। জন বাৰ্নেটে যেতিয়া থেলেচৰ পানীৰ তত্ত্বৰ বিষয়ে আলোচনা কৰিছিল; তেওঁ জৈৱিক কথাবোৰ বাদ দিছিল আৰু কৈছিল যে সেইবোৰ পিছৰ সময়ৰহে সৃষ্টি। পানীৰ পৰা সকলো বস্তুৰেই সৃষ্টি, তেওঁ সেয়া কেনেকৈ হ'ল সেই বিষয়ে একো কোৱা নাই, সম্ভৱত যেতিয়া এটা দ্ৰব্য আন এটা দ্ৰব্যলৈ পৰিৱৰ্তন হয় সেয়া তেওঁ এক অভিজ্ঞতাৰ আধাৰত হোৱা বুলি ধৰি লৈছিল আৰু সেয়া তেওঁৰ বাবে কোনো সমস্যা নাছিল। তেওঁ স্পষ্টকৈ প্ৰকৃতিক জীৱিত বুলি কৈছিল, যি সক্ৰিয়, পৰিৱৰ্তনশীল যিবোৰ সকলো পূৰ্ব গ্ৰীক দাৰ্শনিকসকলে মানি লৈছিল যিটো কথা অন্ততঃ এৰিষ্টটলে কৈছিল। যদি আমি Hippolytusক বিশ্বাস কৰো, তেতিয়া থেলেচৰ মতে সকলো বস্তুৰেই কেৱল পানীৰ পৰা সৃষ্টি হোৱা নাই, সেইবোৰ সকলো পানীলৈ উভতি যায়। খুব সম্ভৱ তেওঁ ইয়াক এক আলতীয়া বোকা বুলি ধৰি লৈছিল, যিটোৱে কঠিনত্ব আৰু জুলীয়া দুয়োটা ৰূপকেই খুব সুন্দৰভাৱে ব্যাখ্যা কৰিব লগতে সকলো জীৱিত প্ৰাণীৰ উৎপত্তিক ব্যাখ্যা কৰিব। আমাৰ থেলেচৰ দৰ্শন সম্পৰ্কে থকা জ্ঞানসমূহ বৃহৎ আকাৰত আনুমানিক এৰিষ্টটলে তেওঁৰ ওপৰত আৰোপিত কৰা মতামতবোৰক তিনিটা ভাগত ভগাব পাৰি— (১) সকলো বস্তুতেই ঈশ্বৰ বিদ্যমান; (২) পৃথিৱীখন পানীৰ ওপৰত ওপঙি থকা এক চেপেটা কাঁহী আৰু (৩) পানী সকলো বস্তুৰেই উপাদান কাৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সঁচা নে মিছা লিখক ঃ

(ক) এৰিষ্টটলে গ্রীক পৰম্পৰাত মইলেটীচক প্রথম দার্শনিক বুলি গণ্য কৰিছিল আৰু পাশ্চাত্য সভ্যতাত প্রথম ব্যক্তি যি পোন প্রথম বৈজ্ঞানিক দর্শনৰ অৱতাৰণা কৰিছিল।

(খ) থেলেচৰ আটাইতকৈ জনপ্রিয় দার্শনিক স্থান/অৱস্থিতিবোৰ হ'ল তেওঁৰ জাগতিক তত্ত্ব যি আমালৈ এৰিষ্টটলৰ 'Metaphysics' নামৰ গ্রন্থখনৰ পৰা আনিছে।

(গ) থেলেচে পানীকেই সকলো বস্তুৰেই উৎপত্তি স্থল বুলি কৈছিল, তেওঁৰ সিদ্ধান্তটো ইয়াৰ ওপৰত নির্ভৰ কৰিছিল যে পুষ্টি, গৰম, বীজ আদিবোৰ জীৱনৰ বাবে আৱশ্যকীয় যিহেতু এইবোৰে আদ্রতা নির্দেশ কৰে।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'Substance' নামৰ দার্শনিক পদটো গ্রীক 'Ousia'ৰ লগত মিল খায় যাৰ অর্থ হ'ল 'being' যি লেটিন শব্দ 'Substantia' পৰা আহিছে যাৰ অর্থ হ'ল 'যি সকলো বস্তুৰ ভিত্তি'।
- দ্রব্যৰ অর্থ হ'ল সেয়া (Substantia-underlying, underlying-the Latia thanstation of the greek) সি নিজে নিজে স্বাধীনভাৱে অস্তিত্বশীল। এইয়া আন কোনো তাৎক্ষণিক বস্তু বা গুণৰ দৰে নহয় যি আন বস্তুৰ মাজেৰে অস্তিত্বশীল।
- দ্রব্যৰ সমস্যাটো হ'ল প্রথম সমস্যা যাক পূর্ব গ্রীক দার্শনিকসকলে পোন প্রথমে ব্যাখ্যা কৰিছিল আৰু প্রত্যেকজন মালেচিয়াৰ দার্শনিকে বাছনি কৰা দ্রব্যবোৰ আছিল মূর্ত দ্রব্য।
- থেলেচ আছিল এজন প্রাক-চক্রেটিক যুগৰ গ্রীক দার্শনিক, গণিতজ্ঞ আৰু জ্যোর্তিবিজ্ঞানী যি এচিয়াৰ (বর্তমান সময়ৰ তুর্কীৰ মিলেট) মিলটাৰ নামৰ ঠাইখনৰ বাগিচা আছিল।
- এৰিষ্টটলে থেলেচৰ প্রকল্পক এনেধৰণে ব্যাখ্যা কৰিছিল যে প্রকৃতিৰ উৎপত্তি স্থল আৰু দ্রব্যৰ প্রকৃতিৰ কাৰণ কেৱল এটা দ্রব্য পানী।
- থেলেচৰ বিখ্যাত দার্শনিক অৱস্থিতিয়েই তেওঁৰ জাগতিক তত্ত্ব যি আমালৈ এৰিষ্টটলৰ 'Metaphysics' নামৰ গ্রন্থখনৰ পৰা আহিছে।
- থেলেচে ভাবিছিল যে এই পৃথিৱীখন এখন পানীৰ ওপৰত ওপঙি ফুৰা ঘূৰণীয়া কাঁহী।
- পানীৰ প্রধান দ্রব্য বুলি বাছনি কৰোতে, থেলেচ 'Myth of oceanus'ৰ দ্বাৰা প্রভাৱিত হৈছিল।

- আমাৰ থেলেচৰ দৰ্শন সম্পৰ্কে থকা জ্ঞানসম বৃহৎ আকাৰত আনুমানিক। এৰিষ্টটলে তেওঁৰ ওপৰত আৰোপিত কৰা মতামতবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি— (১) সকলো বস্তুতেই ঈশ্বৰ বিদ্যমান (২) পৃথিৱীখন পানীৰ ওপৰত উপঙি ফুৰা এখন চেপেটা কাঁহী (৩) পানী সকলো বস্তুৰেই উপাদান কাৰণ।

১.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Tilly, Frank, A History of Philosophy, Central Publishing House, Allahabad.
2. Masia, y, A Critical History of Western Philosophy (Greek, Medieval, Modera), Motilal Banarsidass Publishers private limited, Delhi.
3. Wright, M.R. Introducing Greek Philosophy, Routledge.
4. Allen, E. Reginald, Greek Philosophy Thales to Aristotle (Readings in the History of Philosophy), The free Press, New York.

১.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্তা

(খ) স্বাধীনভাৱে

(গ) গ্ৰীক, মালেচিয়ান

২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা

(খ) সঁচা

(গ) সঁচা

১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'Substance' নামৰ শব্দটোৰ সৈতে ৰজিতা খোৱা গ্ৰীক পদটো কি?

প্ৰশ্ন ২ ঃ গ্ৰীক ভাষাৰ মতে 'Substance' (দ্ৰব্য) শব্দটোৰ অৰ্থ কি?

প্ৰশ্ন ৩ ঃ পাইথাগোৰাচৰ মতে বস্তুৰ মূল কাৰণবোৰ কি কি?

প্ৰশ্ন ৪ ঃ থেলেচৰ মতে মূল দ্ৰব্যটো কি?

(খ) চমু প্ৰশ্ন (১০০ ৰ পৰা ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ মাইলেচিয়ান চিন্তাবিদসকলৰ মতে দ্ৰব্যৰ ধাৰণা।

প্ৰশ্ন ২ ঃ হেৰাক্লাইটাচৰ মতে মূল বস্তু কি?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ গ্রীক দর্শনত পোৱা দ্রব্যৰ ধাৰণাৰ বিষয়ে মাইলেচিয়ান দার্শনিকসকলৰ সময়ৰ পৰা লিখক।

প্রশ্ন ২ ঃ থেলেচৰ মতে মূল বা পৰম দ্রব্যটো কি? ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ২ পৰিবৰ্ত্তনৰ সমস্যা

অধ্যায়ৰ ৰূপৰেখা

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ পাৰমেনিডিচ আৰু হেৰাক্লাইটিছ

২.৪ পাৰমেনিডিচৰ পৰিবৰ্ত্তনৰ সমস্যা

২.৪১ পাৰমেনিডিচৰ ওপৰত মন্তব্য

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

২.৭ অধিক জানিবৰ বাবে।

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য


এই অধ্যায়টি অধ্যয়নৰ মাজেৰে আপোনালোক সক্ষম হ'ব-

- পাৰমেনিডিচৰ পৰিৱৰ্ত্তন সম্পৰ্কীয় বিশ্লেষণ জানিবলৈ।
- পাৰমেনিডিচৰ তত্ব মীমাংসা (ontology)ৰ বৰ্ণনা।
- হেৰাক্লাইটাছৰ পৰিৱৰ্ত্তনৰ বিশ্লেষণৰ ব্যাখ্যা।
- হেৰাক্লাইটাছৰ সার্বজনীন প্রৱাহ বা চিৰ প্রৱাহ (universal Flux)ৰ ধাৰণাৰ আলোচনা।
- পাৰমেনিডিচ আৰু হেৰাক্লাইটাচৰ মাজত পার্থক্য নির্ণয়।
- অধিবিদ্যাত স্থায়িত্ব আৰু পৰিৱৰ্ত্তনৰ মাজৰ পার্থক্যৰ জ্ঞান পাবলৈ।

২.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক পৰিবর্ত্তনৰ সমস্যা (problem of change) ৰ সৈতে পৰিচয় কৰাব। ইয়াত তোমালোকে ইলিয়াটিক চিন্তাবিদ যেনে - জেনোফেন্চ, পাৰমেনিডিচ আৰু জিনো আৰু হেৰাক্লাইটাছে আলোচনা কৰা সমস্যা দেখিবলৈ পাবা। সকলোবোৰ ইটালীৰ এলিয়া (Elea) নামৰ চহৰৰ আৰু হেৰাক্লাইটাছ আছিল এছিয়া মাইনৰৰএফিচাছ (Epheous) চহৰৰ নাগৰিক। তোমালোকে জানি আমোদ পাবা যে এলিয়াটিকসকলেই প্রকৃত অর্থত দর্শনৰ ভেঁটি আমালৈ অগবঢ়াই থৈ গৈছে। এলিয়াটিক সম্প্রদায়ৰ প্রধান নীতিটো হৈছে "সকলো এক" আৰু আনহাতে হেৰাক্লাইটছৰ মতে "পৰিবর্ত্তনেই সত্য" বা 'সত্য হৈছে পৰিবর্ত্তন'। এই চিন্তাবিদসকলে নিজকে ক্রমান্বয়ে স্থায়িত্ব আৰু পৰিবর্ত্তনৰ সমস্যাৰ লগত প্রবৃত্ত কৰাইছিল। দর্শনৰ

জগততকৈ ধৰ্মীয় ইতিহাসতহে জেনেফিনচৰ অৱদান বেছি নিশ্চিত আছিল। দৰ্শনৰ প্ৰতি পাৰমেনিডিচৰ অৱদানক বস্তুৰ নীতি অৰ্থাৎ 'সত্ত্বা' (Being) ৰ দ্বাৰা অংকিত কৰা হৈছে। 'সত্ত্বা' সম্বন্ধীয় এই মতটোৱেই শেষলৈ 'তত্বমীমাংসা' (ontology) ৰ এটা ব্যৱস্থালৈ উন্নীত হৈছিল। পাৰমেনিডিচৰ এজন শিষ্য হিচাপে জিনোৱে 'সত্ত্বা বা সত্য এক' এই স্বীকাৰ্য্যক সমৰ্থন কৰিছিল।



জানি থোৱা ভাল

জোনোফেনচে প্ৰাক ছক্ৰেটিক কালছোৱাৰ হাইল'ইজিমক স্বীকাৰ কৰিছে আৰু তেওঁক বেছিকৈ এজন সৰ্বেশ্বৰবাদী (Panetheist) বুলিহে জনা যায়।

এজন অধিবিদ্যাবিদ হিচাপে পাৰমেনিডিচক স্থায়ীত্ব অৰ্থাৎ 'সত্ত্বা'ৰ দৰ্শনৰ পিতৃ বুলি জনা যায়।

২.৩ পাৰমেনিডিচ আৰু হেৰাক্লাইটাছ

'সত্ত্বা' বা স্থায়ীত্বৰ দাৰ্শনিক চিন্তাৰ বীজ এলিয়াটিক চিন্তাবিদসকল মাজতে অতি গভীৰ ভাৱে শিপাই আছিল। আনহাতে 'পৰিবৰ্ত্তন'ৰ বীজ শিপাই আছিল হেৰাক্লাইটছৰ দৰ্শনত। এলিয়াটিকসকলে 'বস্তু চিৰস্থায়ী' অগতিশীল, আৰু সেয়ে, কেতিয়াও পৰিবৰ্ত্তন হ'ব নোৱাৰে'- এই নীতি পোষণ কৰিছিল। এই প্ৰসঙ্গটো সেয়ে কেৱল 'সত্ত্বা' বা স্থায়ীত্বৰ পৰিবৰ্ত্তনৰ একেবাৰে নহয়। সকলো পৰিবৰ্ত্তন নাইবা পৰিবৰ্ত্তনীয় কেৱল মাত্ৰ অলীক ধাৰণাহে। আকৌ হেৰাক্লাইটাছে পৰিবৰ্ত্তন আৰু গতিৰ সত্ত্বা বা বস্তুৰ নিয়মটোও পোষণ কৰিছিল। সেয়ে হেৰাক্লাইটাছৰ বাবে পৰিবৰ্ত্তনৰ বিষয়টো হ'ল পৰিবৰ্ত্তন অস্তিত্বশীল, আৰু সত্ত্বা, স্থায়ীত্ব, একতা, এইবোৰ অলীক ধাৰণাৰ বাহিৰে আন একো নহয়। যদিও হেৰাক্লাইটাছ পাৰমেনিডিচৰ সমসাময়িক আছিল তথাপিও তেওঁলোকৰ দৰ্শন পৰস্পৰ বিৰোধী আছিল। পাৰমেনিডিচৰ মতে, সত্য বা সত্ত্বা এক, চিৰন্তন আৰু পৰিবৰ্ত্তনহীন সত্ত্বা।' আকৌ, হেৰাক্লাইটৰ মতে, 'সত্য বা সত্ত্বা হৈছে পৰিবৰ্ত্তন, ই এক প্ৰৱাহ আৰু পৰিবৰ্ত্তনীয়।' আপোনালোকে ইয়াত বিচাৰি উলিয়াবলৈ সক্ষম হ'ব যে, থেলচৰ দৰে যিজনে পানীকেই একমাত্ৰ সত্য বা সত্ত্বা হিচাপে স্বীকাৰ কৰিছে পাইথাগোৰাছৰ মতে সংখ্য আৰু পাৰমেনিডিচৰ মতে সত্ত্বা (being) ই সত্য, যি অসত্ত্বা (not being) ৰ লগত সংমিশ্ৰিত হৈ নাথাকে। বস্তুৰ এই প্ৰথম নীতিটো হৈছে সত্ত্বা (being) আৰু ই সকলো পৰিবৰ্ত্তন (Becoming) ৰ বৰ্হিগত। সেয়ে, পাৰমেনিডিচিবৰ দৰ্শনত সত্ত্বা আৰু অসত্ত্বাৰ মাজত সম্পূৰ্ণ বিপৰীত ধাৰণা বা প্ৰতিবাদী ধাৰণা (antithesis) গা কৰি উঠিছিল। এলিয়াটিকসকলৰ বিপৰীতে হেৰাক্লাইটাছে পৰিবৰ্ত্তন অস্তিত্বশীল; সত্ত্বা, স্থায়ীত্ব, একতা এইবোৰ অসত্য বা অবাস্তৱ বুলি এক নীতি- মুকলি কৰিছিল । পাৰমেনিডিচৰ বিপৰীতে হেৰাক্লাইটাছে কয় যে সত্ত্বা (being) আৰু অসত্ত্বা (not being) উভয়েই সমানে সত্য বা বাস্তৱ। এইখিনিতে সামৰণি মাৰিব পৰা যায় যে পাৰমেনিডিচৰ বাবে পৰিবৰ্ত্তন (Becoming) হ'ল ভ্ৰম বা অলীক আৰু আনহাতে, হেৰাক্লাইটাছৰ বাবে সত্ত্বা (Being) হৈছে ভ্ৰম বা অলীক।

জানি থোৱা ভাল



খৃঃপূঃ ষষ্ঠ শতিকাৰ শেষৰ গ্ৰীক দাৰ্শনিক হেৰাক্লাইটাছে তেওঁৰ সকলো পূৰ্ব্বজক সমালোচনা কৰিছে, কিয়নো তেওঁলোকে অভিজ্ঞতাত ঐক্যতাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰাত ব্যৰ্থ হৈছিল।

হেৰাক্লাইটাছে 'Logos' শব্দটো ঘোষণা কৰিছিল। ইয়াত 'logos' ৰ অৰ্থ হৈছে কিছুমান অৰ্থত সকলো বস্তু এক। বৈপৰীত্য জীৱনৰ বাবে প্ৰয়োজনীয়। কিন্তু বিপৰীতবোৰ সমানে সলনি হোৱা এক ব্যৱস্থাত সন্মিলিত হৈ থাকে।

এলিয়াটিকসকলে পোষণ কৰে যে সকলো এক আৰু এই বিশ্বজগতৰ চৰম নীতি অৰ্থাৎ সত্তা (Being) এক আৰু চিৰন্তন।



অগ্ৰগতিৰ নিৰীক্ষণ-

প্ৰঃ ১ খালী ঠাই পূৰণ কৰক

ক) হেৰাক্লাইটাছে --------আৰু গতিৰ দৰ্শনৰ বিকাশ ঘটাইছিল।

খ) পাৰমেনিডিচৰ মতে সত্ত্বা হৈছে --------।

গ) হেৰাক্লাইটাছৰ বাবে ---------আৰু --------উভয়েই সমানে সত্য বা বাস্তৱ।

প্ৰঃ ২ তলৰ বচনবোৰ সত্য নে অসত্য উল্লেখ কৰক।

ক) এলিয়াটিকসকলে পোষণ কৰে যে সকলো পৰিবৰ্ত্তন হয় আৰু পৰিবৰ্ত্তন কেৱল মাত্ৰ ভ্ৰম বা অলীক। (সত্য/অসত্য)

খ) হেৰাক্লাইটাছৰ মতে পৰিবৰ্ত্তনেই কেৱল সত্য বা বাস্তৱ। (সত্য/অসত্য)

গ) হেৰাক্লাইটাছৰ মতে সত্ত্বা আৰু অসত্ত্বা সমানে সত্য বা বাস্তৱ। (সত্য/অসত্য)

ঘ) হেৰাক্লাইটছে 'বস্তু , পৰিবৰ্ত্তন আৰু গতি'ৰ নীতিটো সমৰ্থন কৰিছিল। (সত্য/অসত্য) য

ঙ) পাৰমেনিডিচে কয় যে, 'সত্ত্বা এক'। (সত্য/অসত্য)

চ) বস্তুৰ প্ৰথম নীতিটো হ'ল 'সত্ত্বা আৰু ই সকলো পৰিবৰ্ত্তনৰ বৰ্হিঃভূত। (সত্য/অসত্য)

প্ৰঃ ৩. পৰিবৰ্ত্তনৰ বিষয়টো হ'ল 'পৰিবৰ্ত্তন অস্তিত্বশীল আৰু সত্ত্বা, স্থায়ীত্ব, ঐক্যতা, আদি ভ্ৰম নাইবা অলৌকিকতাৰ বাহিৰে আন একো নহয়''- এই কথাষাৰ কোনে কৈছিল ?

প্ৰঃ ৪. সত্ত্বা আৰু পৰিবৰ্ত্তনৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।



চিন্তা-চৰ্চা কৰক ঃ ২.১

পৰিবৰ্ত্তনৰ সমস্যাৰ সন্দৰ্ভত পাৰমেনিডিচ আৰু হেৰাক্লাইটাছৰ মাজত থকা পাৰ্থক্যবোৰ বহলাই আলোচনা কৰা।

উ ঃ .....

.....

এলিয়েটিক চিন্তাবিদসকলে কি সমৰ্থন কৰিছে?

উ ঃ .....

.....

২.৪. পৰিবৰ্ত্তনৰ সমস্যাৰ ক্ষেত্ৰত এলিয়াটিক সকল ঃ

পাৰ্মেনিডিচ আছিল আটাইতকৈ প্ৰভাৱশালী এলিয়াটিক চিন্তাবিদ। তেওঁ খৃঃপূঃ ৫১৪ চনত জন্ম গ্ৰহণ কৰিছিল। পাৰ্মানিডিচ বস্তুৰ 'অনিত্যতা আৰু পৰিবৰ্ত্তনশীলতা'ৰ সমস্যাৰ দ্বাৰা প্ৰভাৱন্বিত হৈছিল। তেওঁ এই মতবাদ প্ৰচাৰ কৰিছিল যে এই জগতত কোনো বস্তুৱেই স্থায়ী নহয় আৰু সেয়ে আমি দেখো যে সকলো বস্তু সৃষ্টি হয় আৰু আন এক মুহূৰ্তত ই নাইকীয়া হৈ যায়। গতিকে, সত্যতাটো হ'ল 'এটা বস্তু তেনেকুৱা নহয়, যেনেকুৱা সি হয়'। বস্তুৰ সকলো পৰিবৰ্ত্তন আৰু সলনিৰ মাজত পাৰমেনিচিচে সত্বা আৰু অসত্বাৰ নামত প্ৰতিবাদী বিকাশ ঘটাইছিল। তেওঁ সিদ্ধান্তত উপনিত হৈছিল যে 'পৰম সত্বা বা চৰম সত্বাই হৈছে সৎ বা অস্তিত্ব (Being) , অসত্বা (Not being) হৈছে অ-সৎ বা মিছা। অসত্বাৰ মুঠতে কোনো অস্তিত্ব নাই। সেয়ে, ই অবাস্তৱ আৰু সদায় পৰিবৰ্ত্তনীয়। এই অসত্বা হৈছে আমাৰ সংবেদনে দিয়া পৰিবৰ্ত্তন আৰু পৰিবৰ্ত্তনীয় মুহূৰ্তৰ জগত। অসত্বাৰ জগতখন অৱাস্তৱ হোৱা হেতু ই সদায় এটা ভ্ৰম নাইবা অলীক কল্পনা আৰু কেৱল অৱভাসহে। পাৰমেনিডিচৰ মতে কেৱল সত্বাহে অস্তিত্বশীল । ই চিৰন্তণ কালবিহীন উপস্থিতি, ভঙ্গুৰতাবিহীন আৰু অবিভাজ্য। সত্বা স্বতঃঅনুৰূপ। ই সমগ্ৰ সত্বাতে আপুনা-আপুনি অস্তিত্বশীল হৈ থাকে। ইয়াৰ একমাত্ৰ গুণটো হ'ল 'হয়বোধ' (isness)

এনেদৰেই পাৰমেনিডিচে সংবেদন জগতৰ পৰিবৰ্ত্তনৰ মুহূৰ্তৰ মাজত স্থায়ীত্বৰ দৰ্শনৰ সূচনা কৰিছিল। এই বিষয়টোয়ে অনুসৰণ কৰিছে "কেৱল সত্বাহে বাস্তৱ বা সত্য, বহুত্বতা আৰু পৰিবৰ্ত্তনবোৰ অবাস্তৱ বা অসত্য।" সেইকাৰণে তোমালোকে ইয়াত দেখা পাবা যে পাৰমেনিডিচে অৱভাস (appearance) আৰু সত্বা (Reality) ৰ মাজত এক পাৰ্থক্য নিৰ্ণয় কৰিছে। তেওঁৰ দৰ্শনৰ স্বীকাৰ্যটো হ'ল - ' ই হৈছে স্বজ্ঞা বা প্ৰজ্ঞা (intuition) ৰ এটা দ্ৰব্য বা বস্তু যাৰ বাবে এনেধৰণৰ পাৰ্থক্য সম্ভৱ।' এইদৰেই দেখা যায় পাৰমেনিডিচৰ দৰ্শনত সংবেদনতকৈ চিন্তা বেছি গুৰুত্বপূৰ্ণ।

বহুতো চিন্তাবিদে নিৰীক্ষণ কৰে যে চিন্তা আৰু অস্বিত্ব একে, সেয়া হৈছে সত্বা (Being).

সেয়ে, আমি অসত্বা (non-being) ৰ কথা চিন্তা কৰিব নোৱাৰো। আমি কেৱল সত্বা (Being) ৰ কথাহে চিন্তা কৰিব পাৰো।

জিনোৰ জন্ম হৈছিল খ্ৰীঃপূঃ ৪৮৯ অত।আৰু পাৰমেনিডিচৰ স্বীকার্য 'সত্বাই বাস্তৱ বা সত্য' (Being is real) ইয়াক সমর্থন জনাইছিল। এলিয়াটিক কল্পনা বা চিন্তাৰ প্ৰতি তেওঁৰ ওচৰ চপাটো যদিও কোনো কোনো ক্ষেত্ৰত নঞৰ্থক আছিল, তথাপি ই যুক্তিসঙ্গত আছিল। জিনোৰ বাবেও সংবেদনৰ জগতখন অলীক আৰু ইয়াৰ দুটা মৌলিক বৈশিষ্ট্য (ক) বহুত্ব (multiplicity) আৰু (খ) পৰিবৰ্ত্তন (change) আছে। প্ৰকৃত সত্বা অনিবার্যভাৱে এক আৰু ইয়াৰ কোনো বহুত্ব আৰু পৰিবৰ্ত্তন নাথাকে। 'সত্বাই সত্য বা বাস্তৱ' এই স্বীকার্যটোৰ দার্শনিক বলিষ্ঠতা প্ৰতিপন্ন কৰিবৰ বাবে তেওঁ পাৰমেনিডিচিৰ মত স্বীকাৰ কৰিছে যে বহুত্ব আৰু গতি কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। সেইবাবে বাহুত্ব আৰু পৰিবৰ্ত্তন প্ৰকৃত বা বাস্তৱ বস্তু হ'ব নোৱাৰে। এইদৰেই জিনোৰ 'পার্থক্যৰ নীতি' (Principle of distinction) টো যিটো স্বতঃবিৰোধী, সি প্ৰকৃত নহয়'- এই স্বীকার্যত নিহিত হৈ আছে।

২.৪.১. এলিয়াটিক মতবাদৰ ওপৰত মন্তব্য

আপোনালোকে ইয়াত দেখা পাইছে যে এলিয়াটিকবাদৰ মতে 'সত্বা হৈছে স্থায়ী, চিৰন্তন আৰু অপৰিবর্ত্তনশীল।' বহুত্ব আৰু পৰিবৰ্ত্তন কেৱল অৱভাস (appearnace) আৰু অনিবার্যভাৱে কাল্পনিক বা ভ্ৰম। বহুতো চিন্তাবিদে নিৰীক্ষণ কৰিছে যে জড়বাদৰ বীজ পাৰমেনিডিচৰ দৰে এলিয়াটিক চিন্তাবিদসকলৰ মাজতে উপস্থিত আছিল। আকৌ, আন কিছুমানে বাবে যে ভাৱবাদৰ বীজ পাৰ্মেনিডিচিৰ দর্শন 'একক সত্বাই, বাস্তৱ বা প্ৰকৃত সত্য' (one is real) এই দর্শনত নিহিত হৈ আছে। লিউকিপাচ, ডিমোক্ৰেটাছ আদিৰ দৰে এটা'মিষ্টসকল, আৰু এলিয়াটিক সম্প্ৰদায়ৰ উত্তৰাধিকাৰী সকলে সূচনা কৰিছিল যে পৰমানুবোৰ নিয়ত আৰু অপৰিবর্ত্তনীয়। প্ৰত্যেক পৰমানু (atom) পাৰ্মেনিডিচৰ 'সত্বা' (Being) , যি বহুত্বলৈ সংখ্যা বৃদ্ধিৰ কাৰক মাত্ৰ।

কিন্তু প্লেটোৰ দৰে ভাৱবাদীসকলে মন্তব্য প্ৰকাশকৰে যে ধাৰণাবোৰ আমাৰ চিন্তাৰ চিৰন্তন ৰূপ বা প্ৰকাশ। আকৌ, পাৰমেনিডিচৰ বুদ্ধি (Reason) আৰু সংবেদন (sense) ও প্লেটো আৰু আন বহুতো চিন্তাবিদে সমর্থন কৰিছে। লাইব্নিজ আৰু কাণ্টৰ দৰে চিন্তাবিদসকলেও বুদ্ধি আৰু সংবেদনৰ পার্থক্যক সমিলমিল কৰিবলৈ চেষ্টা কৰিছে। তদুপৰি বহুতো সমালোচকে মন্তব্য প্ৰকাশ কৰিছে যে গতি নাইবা বাহুত্বৰ ধাৰণাৰ সন্দর্ভত সঠিক ব্যাখ্যা আগবঢ়াবলৈ জিনো অসমর্থ হৈছিল। সমালোচনাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা এলিয়াটিক মতবাদৰ যিমানেই ভ্ৰান্তি নাথাকক কিয় প্ৰাশ্চাত্য দর্শনৰ ইতিহাসত ইয়াৰ যথেষ্ট মূল্য থকাও দেখা যায়।



জানি থোৱা ভাল

● পাৰ্মেনিডিচ তেওঁৰ চহৰত প্ৰতিষ্ঠা কৰা দাৰ্শনিক সম্প্ৰদায়টোৰ বাবেও জনাজাত।

● পাৰ্মেনিডিচ প্ৰাক্ চক্ৰেটিক দাৰ্শনিক সকলৰ ভিতৰত এজন অতি গুৰুত্বপূৰ্ণ দাৰ্শনিক। তেওঁৰ একমাত্ৰ সাহিত্যৰাজি 'On Nature' আছিল এটা পদ্য, যি কেৱল এক খণ্ডিত ৰূপতহে বৰ্তি আছে।



চিন্তা -চৰ্চা কৰক ঃ ২.২

এলিয়াটিকবাদৰ দৰ্শনটো ব্যাখ্যা কৰক।

উ ঃ .....

.....

জিনোৱে সমৰ্থন কৰা সংবেদন জগতৰ মৌলিক বৈশিষ্ট্য কি কি?

উ ঃ .....

.....

পাৰমেনিডিচৰ মতে 'সত্ত্বা' (Being) স্বতঃঅনুৰূপ (Self identified) হয়নে?

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ৫ ঃ কোনে সংবেদন জগতৰ পৰিবৰ্ত্তনীয় মুহূৰ্তৰ মাজত স্থায়িত্বৰ দৰ্শনৰ উদ্ভাৱন কৰিছিল?

.....

.....

প্ৰঃ ৬ ঃ কোনে সত্ত্বাৰ মতবাদটোৰ বিকাশ ঘটাইছিল? এই মতবাদটোৰ ওপৰত এটা চমু টোকা যুগুত কৰক।

.....

.....

প্ৰঃ ৭ ঃ জিনোৱে আগবঢ়োৱা সংবেদন জগতৰ দুটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰঃ ৮ ঃ জিনোৰ পাৰ্থক্যৰ নীতিটো ক'ত নিহিত আছে?

.....

.....

প্রঃ ৯ ঃ পৰমানু (atoms) বোৰ চিৰন্তন আৰু অপৰিবৰ্ত্তনীয় এই মতটো কোনো বিশ্বাস কৰিছিল ?

.....

.....

২.৫ হেৰাক্লাইটাছৰ পৰিবৰ্ত্তনৰ সমস্যা ঃ

প্রায় ৫৩৫ খৃঃপূঃত হেৰাক্লাইটাছৰ জন্ম হৈছিল। হেৰাক্লাইটাছৰ মৌলিক শিক্ষা বা উপদেশ আছিল অটল পৰিবৰ্ত্তন বা প্ৰৰাহৰ নীতি। তেওঁ কৈছিল যে জগতখন এক অবিচ্ছিন্ন পৰিবৰ্ত্তনৰ মাজত অৱস্থান কৰে। "একেখন নদীত মানুহে দুৰাৰ সোমাৱ নোৱাৰে- যিহেতু পানী অবিৰাম বৈ আছে।" (..for into the same river no man can enter twice, ever it flows in and flows out.) হেৰাক্লাইটাছ 'অবিৰত প্ৰৰাহ'ৰ সিদ্ধান্তত উপনিত হৈছিল কাৰণ, তেওঁ নিৰীক্ষণ কৰিছিল যে এই পৰিদৃশ্যমান জগতখনত 'সকলো অস্তিত্বশীল বস্তু, বিপৰীতৰ মাজত থকা পৰস্পৰ ঐক্যতা'। 'বিপৰীতৰ সংঘাতে' ই হৈছে এই বিশ্বজগতৰ সকলোবোৰ বস্তুৰ মূল উৎস।' কোনো বস্তু স্থিৰ নহয়, কোনো বস্তু ক্ষিপ্রতৰ নহয়, কোনো বস্তু যেনে হয় তেনে নাথাকে।" পৰিবৰ্ত্তন হৈছে বিপৰীতৰ ঐক্য যেনে- (গৰম আৰু ঠাণ্ডা), যিহেতু জগতখন পৰিবৰ্ত্তন প্রক্রিয়াৰ প্রত্যেক মুহূৰ্ততে বৰ্তি থাকে।

এই পৰিবৰ্ত্তন একে সময়তে হয় আৰু নহয় উভয়েই। সেয়ে হেৰাক্লাইটাছে পৰিবৰ্ত্তনক 'হয় আৰু নহয়ৰ হঠাতে হোৱা পৰিঘটনা' ৰূপে ব্যাখ্যা কৰিছে। এই মতৰ বিপৰীতে এলিয়াটিক চিন্তাবিদসকলে মানি লৈছিল যে সত্বাই হৈছে বাস্তৰ আৰু অ-সত্বা হৈছে সম্পূৰ্ণৰূপে ভ্রমাত্মক। হেৰাক্লাইটাছে সত্বা আৰু অসত্বা উভয়েই সমানে বাস্তৰ বুলি মানি লৈছিল আৰু সেই কাৰণে ই সত্য। 'পৰিবৰ্ত্তন সত্বা আৰু অসত্বা দুয়োৰে অনুৰূপ'।

সেইকাৰণে তেওঁৰ মতে প্রথম নীতিটো হৈছে চিৰজাগ্রত জুই, য'ত থাকে অটল অগ্রসৰ আৰু যি কেতিয়াও বৈ নাযায়। তেওঁ প্রায়ে এই জুইক বাষ্প নাইবা নিশ্বাস আখ্যা দিছে। জুয়ে আত্মাৰ সাৰকেই প্রতিনিধিত্ব কৰে। জুই দ্রব্যৰ মুৰ্ত্ত জাগতিক ক্রিয়া প্রণালীৰো নিদর্শন স্বৰূপ কাৰক, কিন্তু দ্রব্য নিজে নহয়। জুই আন সমগ্র বস্তুলৈ হোৱা এক অবিৰত ৰূপান্তৰ। সকলো বস্তু জুইৰ বাবে পৰিবৰ্ত্তন হয় আৰু জুই সকলো বস্তুৰ বাবে। যিদৰে সকলো বস্তুক সোণলৈ আৰু সোণক বস্তুলৈ ৰূপান্তৰ কৰিব পাৰি। এই বিশ্বজনীন প্রক্রিয়াটো নিয়মৰ দ্বাৰা পৰিচালিত হয়। তেওঁৰ 'সকলো প্ৰৰাহ' (All is flux) দর্শনত 'আৱশ্যকতাৰ ধাৰণা' (Idia of necessity) ক পৰিচিত কৰাইছে। এই আৱশ্যকতাৰ নীতিয়েই হৈছে সকলো বস্তুৰে কাৰণ, আৰু সেয়ে হেৰাক্লাইটাছে 'বুদ্ধি বা জ্ঞান যাৰ দ্বাৰা সকলো বস্তুৰ মাজেৰে সকলো বস্তুক পথ দেখুওৰাই নিয়া হয়, তাক বুজাবলৈ 'একমাত্র জ্ঞানী সত্বা' (This alone is wise) এই 'logos' টো সমর্থন কৰিছে। মানুহৰ আত্মা এক স্বৰ্গীয় চিন্তা বা যুক্তিৰ দৰে। নৈতিকতাই মানুহক বুদ্ধি-বৃত্তিৰ পথটো

অনুসৰণ কৰিবলৈ আৰু এক আত্ম সুশিক্ষাজনিত জীৱন বৃদ্ধি কৰিবলৈ সহায় কৰে। নৈতিকতা আইনৰ অভিভাৱক, কিয়নো ই মানুহক আইনক শ্রদ্ধা কৰিবলৈ শিকায়। হেৰাক্লাইটাছৰ ভাষাত ঃ "Character is a man's guardian divinity"। সেয়ে মানুহে নিজৰ নৈতিক জীৱনত সনাতন যুক্তি বা চিন্তাৰ আগত নিজকে উছর্গা কৰিবলৈ বাধ্য। এই সনাতন আইনে (Universal Law) অৱশেষত সমগ্র বস্তুকে বিয়পাই ৰাখে।

২.৫.১. হেৰাক্লাইটাছৰ ওপৰত মন্তব্য ঃ

আধুনিক প্রাশ্চাত্য দর্শনলৈ হেৰাক্লাইটাছৰ অৱদান অতি গুৰুত্বপূর্ণ। যুক্তি বা বুদ্ধিৰ প্রতি তেওঁৰ বিচাৰে এক সৰল পথা বা উপায়েৰে অধিবিদ্যাৰ জগতলৈ গতি কৰাৰ এটা বাট মুকলি কৰিছে। আপোনালোকে এই নিৰীক্ষণক ন্যায্যতা প্রদান কৰিব পাৰিবা, কাৰণ হেৰাক্লাইটাছে 'সকলো প্রৱাহ' এই মৌলিক বিষয়টো বুজাবলৈ বুদ্ধিক সমর্থন কৰিছে। ই হৈছে সংবেদন, যিয়ে স্থায়ী বস্তু সম্পর্কে ভুল জ্ঞান প্রদান কৰে। হেৰাক্লাইটাছৰ এই মতটোৰে অৱশ্যে পাৰমেনিডিচিৰ চিন্তাধাৰাক প্রত্যাখ্যান কৰিছে। তদুপৰি, সংবেদন (sense) আৰু বুদ্ধি (Reason) ৰ মাজৰ এই পার্থক্যৰ অসীম প্রভাৱ পৰিছে প্লেটো আৰু পশ্চিমৰ অন্যান্য চিন্তাবিদসকলৰ ওপৰত। আনকি ষ্টইক সকলো হেৰাক্লাইটাছৰ পৰা বিদ্যা সম্পর্কীয় আৰু বুদ্ধিগত চিন্তাৰ দ্বাৰা প্রভাৱান্বিত হৈছে। কিন্তু এৰিষ্টটলে হেৰাক্লাইটাছৰ মত 'সকলো হয় আৰু নহয়' ক সমালোচনা কৰিছে। ইয়াক ব্যাখ্যা কৰিবলৈ আমি ক'ব পাৰো 'সকলো হয় আৰু নহয়' ৰ অর্থ হ'ল 'p হয় সত্য আৰু সত্য নহয়' অর্থাৎ এটা অৱধাৰণ সত্য হয় আৰু সত্য নহয়, ই হেৰাক্লাইটাছৰ অধিকাল্পনিক (Speculative) চিন্তাধাৰাত এক বিৰোধৰ সূচনা কৰিছে।



জানি থোৱা ভাল

সকলো বস্তু অটলভাৱে পৰিবর্ত্তনীয় অর্থাৎ চিৰন্তন প্রৱাহ (universal flux) এই মতৰ বাবেই হেৰাক্লাইটাছ জনাজাত।



অগ্রগতিৰ নিৰীক্ষণ

প্রঃ ১০ ঃ তলৰ উক্তিকেইটা সত্য নে অসত্য উল্লেখ কৰকঃ

ক) হেৰাক্লাইটাছে সিদ্ধান্ত লৈছিল যে জুয়েই হৈছে আত্মাৰ সাৰ বা মূল বস্তু । (সত্য/অসত্য)

খ) হেৰাক্লাইটাছৰ ভাষাত 'এই জগতত পৰিবর্ত্তন অটল নহয়।' (সত্য/অসত্য)

প্রঃ ১১ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) হেৰাক্লাইটাছৰ দ্বাৰা ষ্ট'ইকসকল ----------হৈছিল।

খ) ----------ৰ দ্বাৰা হেৰাক্লাইটাছ সমালোচিত হৈছিল।

প্ৰঃ ১২ ঃ হেৰাক্লাইটাছে 'পৰিবৰ্ত্তন' (becoming) শব্দটোৰ সংজ্ঞা কিদৰে আগবঢ়াইছে।

.....

.....

.....

প্ৰঃ ১৩ ঃ পৰিবৰ্ত্তন নাইবা পৰিবৰ্ত্তনশীল (Becoming) ধাৰণাটোৰ বিপক্ষে এৰিষ্টটলৰ মতামত কি?

.....

.....

প্ৰঃ ১৪ ঃ হেৰাক্লাইটাছৰ মৌলিক বিষয়টো কি?

.....

.....

প্ৰঃ ১৫ ঃ 'একেখন নদীত কোনেৱে দুবাৰ খোজ পেলাব নোৱাৰে।'- এই কথাষাৰ কোনে কৈছিল?

.....

.....



চিন্তা-চৰ্চা কৰক ঃ ১ঃ৩

'পৰিবৰ্ত্তনৰ সমস্যা' (Problem of change) ৰ সন্দৰ্ভত হেৰাক্লাইটাছৰ মতটো কি?

উ ঃ .....

.....

'পৰিবৰ্ত্তনৰ সমস্যা'ৰ সন্দৰ্ভত হেৰাক্লাইটাছৰ প্ৰথম নীতিটো কি আছিল?

উঃ .....

.....



২.৬. অধ্যায়টিৰ পৰা আমি কি শিকিলো-

- পাৰমেনিডিচে উল্লেখ কৰিছে যে বিজ্ঞানে আমাক এই বস্তুজগতৰ সত্যতাক জনাৰ ক্ষেত্ৰত প্ৰৱঞ্চনা কৰিছে।
- পাৰমেনিডিচৰ মতে এই জগতৰ সত্যতাক জানিবলৈ আমাক কেৱল জ্ঞানেই সহায় কৰে।
- পাৰমেনিডিচৰ মতে 'যি অস্তিত্বশীল, সি সদায় অস্তিত্বশীল হ'বই।' সৃষ্টি আৰু ধ্বংস ভ্ৰমাত্মক। ইয়াৰ কাৰণ হৈছে সুপ্ত হৈ থকা ভৌতিক দ্ৰব্য যাৰ দ্বাৰা এটা বস্তু গঠিত হয়, সি তাৰ ধ্বংসৰ পিছতো অস্তিত্বশীল হৈয়ে থাকে।
- হেৰাক্লাইটাছৰ ওপৰত মন্তব্য দিওঁতাসকলে তেওঁক জড়ীয় অদ্বৈতবাদী, এজন সৃষ্টি

বিজ্ঞানবিদ, এজন পৰাবৈজ্ঞানিক, এজন ধৰ্মীয় চিন্তাবিদ, এজন ৰহস্যবাদী, এজন বৈপ্লৱিক, এজন তৰ্কবিজ্ঞানৰ আৱিষ্কাৰক আৰু প্ৰথম প্ৰকৃত দাৰ্শনিক বুলি মন্তব্য আগবঢ়াইছে।

- হেৰাক্লাইটাছক 'এখন নদীত খোজ দিয়া'ৰ বাবে বেছি ভালকৈ জনা যায় আৰু এই দাৰ্শনিক ব্যাখ্যাৰ জড়িয়তে তেওঁ প্ৰস্তাৱ আগবঢ়াইছিল যে 'সকলো পৰিবৰ্ত্তন' 'কোনেও একেখন নদীত দুবাৰ খোজ দিব নোৱাৰে নাইবা একে অৱস্থাত মৰনশীল নাইবা ধ্বংসময় দ্ৰব্যক স্পৰ্শ কৰিব নোৱাৰে। ইয়াৰ পৰিবৰ্ত্তনৰ বেগৰ দ্বাৰাই, ই সিঁচৰিত হয় আৰু পুনৰ একগোট হৈ পৰে।' সেইবাবে, এই জগতত কেৱল পৰিবৰ্ত্তনেই অটল। কোনো বস্তুৰেই একে পৰিচয় কেতিয়াও নাথাকে, কাৰণ বাস্তৱত এটা অটল পৰিবৰ্ত্তনে সদায়ে ইয়াত ক্ৰিয়া কৰি থাকে। ঠিক সেইদৰে আমাৰ নিজা সাদৃশ্যবোৰো পৰিবৰ্ত্তন হৈ থাকে 'আমি খোজ দিওঁ কিন্তু একেখন নদীত নহয়, আমি হয় আৰু আমি নহয়।'
- বহুতো চিন্তাবিদৰ মতে, পাৰমেনিডিচৰ দৰে এলিয়াটি চিন্তাবিদসকলৰ মাজতে জড়বাদৰ বীজ উপস্থিত আছিল। আকৌ আন কিছুমানে ভাৱে যে ভাৱবাদৰ বীজ পাৰমেনিডিচৰ 'এটাই সত্য বা বাস্তৱ' (one is real) দৰ্শনত উপস্থিত আছিল। লিউকিপাছ, ডেমোক্ৰেটাছ আদিৰ দৰে এট'মিষ্টসকল, এলিয়াটিক সম্প্ৰদায়ৰ উত্তৰাধিকাৰীসকলে প্ৰবৰ্ত্তন কৰে যে, পৰমানুবোৰ চিৰন্তন আৰু অপৰিবৰ্ত্তনশীল। প্ৰত্যেক পৰমানু পাৰমেনিডিচৰ 'সত্ত্বা' (being) মাত্ৰ, যি বহুতলৈ বৃদ্ধি পায়।

২.৭ অধিক জানিবলৈ

১) Mashih, Y.A. critical History of Western Philosophy. Motilal Banarsidass Publishers, Private Limited, Delhi.
২) Thilly, Frank. A History of Philosphy, Central Book Depot, Allahabad.
৩) Stace, W.T. A Critical History of Greek Philosophy, Macmillan And Company Limited, Delhi.

২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰ ঃ উ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য (ঘ) সত্য(ঙ) সত্য(চ) সত্য
৩ নং প্ৰ ঃউঃ হেৰাক্লাইটাছে
৪ নং প্ৰ ঃ উঃ
'সত্ত্বাৰ' ধাৰণাটোক এলিয়াটিক চিন্তাবিদ সকলৰ দৰ্শনত দেখিবলৈ পোৱা যায়, আনহাতে 'পৰিবৰ্ত্তন'ৰ ধাৰণাটো হেৰাক্লাইটাছৰ দৰ্শনত দেখিবলৈ পোৱা যায়। এলিয়াটিকসকলৰ মতে, বস্তুবোৰ স্থায়ী, অগতিশীল হ'বই- লাগিব আৰু সেয়ে ই কেতিয়াও পৰিবৰ্ত্তন হ'ব নোৱাৰে। পূৰ্বৰ

এই মতৰ তুলনাত হেৰাক্লাইটাছে স্পষ্টভাৱে আঙুলিয়াই দিছে যে পৰিবৰ্ত্তনৰ বিষয়টো হৈছে 'পৰিবৰ্ত্তন' (Becoming), হয় (is) আৰু সত্ত্বা (Being); স্থায়ীত্ব, সাদৃশ্যতা এইবোৰ ভ্ৰমৰ বাহিৰে আন একো নহয়। আৰু তেওঁ নিশ্চিত কৰিছে যে 'বাস্তৱ বা সত্য হৈছে পৰিবৰ্ত্তন, প্ৰৱাহ আৰু পৰিবৰ্ত্তনীয়।' এই মতৰ বিপক্ষে পাৰমেনিডিচে মত পোষণ কৰিছে যে, 'সত্য বা বাস্তৱ পৰিবৰ্ত্তন প্ৰৱাহ আৰু পৰিবৰ্ত্তনীয় নহয়।'

৫ নং প্ৰ ঃ উঃ পাৰমেনিডিচ

৬ নং প্ৰ ঃ উ ঃ পাৰমেনিডিচ

৭ নং প্ৰ ঃ উঃ পাৰমেনিডিচ। তেওঁ এই মত পোষণ কৰে যে সত্ত্বা (Being) ই হৈছে পৰম সত্য বা চৰম সত্য, অ-সত্ত্বা (not being) অসত্য বা অবাস্তৱ।' অ-সত্ত্বাৰ মুঠতে কোনো অস্তিত্ব নাই। সেইবাবে, ই অবাস্তৱ আৰু সদায় পৰিবৰ্ত্তনীয়। অসত্ত্বাৰ জগতখন অবাস্তৱ হোৱা হেতু, ই সদায়ে ভ্ৰমাত্মক আৰু অৱভাষ (appearance) মাত্ৰহে।

পাৰমেনিডিচৰ মতটো হৈছে যে কেৱল 'সত্ত্বা অস্তিত্বশীল' (Being exists)। ই চিৰন্তন, কালবিহীনভাৱে উপস্থিত, অখণ্ডিত আৰু অবিভাজ্য।

৮ নং প্ৰ ঃ উঃ জেনোৰ পাৰ্থক্যৰ নীতি 'সি, যি আত্ম-বিৰোধী, সত্য হ'ব নোৱাৰে'- এই স্বীকাৰ্যত নিহিত হৈ আছে।

৯ নং প্ৰঃউঃ ডেমোক্ৰেটাছ

১০ নং প্ৰঃউঃ (ক) সত্য (খ) অসত্য

১১ নং প্ৰঃউঃ (ক) প্ৰভাৱান্বিত (খ) এৰিষ্টট'ল

১২ নং প্ৰঃউঃ 'হয়' আৰু 'নহয়'ৰ তাৎক্ষণিকতা। এই মতৰ বিপক্ষে এলিয়াটিকসকলে মানি লৈছিল যে সত্ত্বা আৰু অ-সত্ত্বা উভয়েই সমানে সত্য বা বাস্তৱ আৰু সেয়ে, সত্য। পৰিবৰ্ত্তনীয়তা সত্ত্বা আৰু অসত্ত্বাৰ মাজৰ সাদৃশ্য।

১৩ নং প্ৰঃউঃ এৰিষ্টটলে হেৰাক্লাইটাছৰ মতে 'সকলো হয় আৰু নহয়' সমালোচনা কৰিছে। ইয়াক এইদৰে ব্যাখ্যা কৰিব পৰা যায় যে 'সকলো হয় আৰু নহয়'ৰ অৰ্থ হৈছে 'p সত্য আৰু সত্য নহয়', অৰ্থাৎ 'এটা অৱধাৰণ সত্য হয় আৰু নহয়।' ই হেৰাক্লাইটাছৰ অধিকাল্পনিক চিন্তাধাৰাৰৈ এক বিৰোধৰ পথ প্ৰশস্ত কৰিছে।

১৪ নং প্ৰঃউঃ 'সকলো প্ৰৱাহ'।

১৫ নং প্ৰঃউঃ হেৰাক্লাইটাছ।

২.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্নঃ

প্ৰশ্ন নং ১ ঃ এলিয়াটিক সম্প্ৰদায়ৰ মূল নীতিটো কি?

প্ৰশ্ন নং ২ ঃ কোনে পৰিবৰ্ত্তনৰ মতবাদক সমৰ্থন কৰিছে।

প্রশ্ন নং ৩ ঃ কাৰ মতে, 'সত্য এক, চিৰন্তন আৰু অপৰিবৰ্ত্তনশীল সত্ত্বা।'?

প্রশ্ন নং ৪ ঃ এলিয়াটিক সম্প্রদায়ৰ অন্তর্ভূক্ত এজন দার্শনিকৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৫ ঃ স্থায়ীত্বৰ দর্শনৰ উদ্ভাৱকজন কোন?

প্রশ্ন নং ৬ ঃ জিনোৱে সংবেদনৰ দুটা মৌলিক বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেই দুটা কি?

প্রশ্ন নং ৭ ঃ বুদ্ধি আৰু সংবেদনৰ পার্থক্যৰ মাজত সাদৃশ্যতা আনিবলৈ চেষ্টা কৰা দার্শনিক দুজনৰ নাম লিখক।

প্রশ্ন নং ৮ ঃ 'সকলো বস্তু হয় আৰু নহয়' এই মতটোক কোনে এটা মতবাদ হিচাপে ব্যৱহাৰ কৰিছে?

প্রশ্ন নং ৯ ঃ জিনোৱে বিশ্বাস কৰিছিল যে, 'সত্ত্বা এক'। এইটো সত্যনে?

(খ) চমু প্রশ্ন (১৫০-২০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ সত্ত্বা আৰু পৰিবৰ্ত্তনৰ মাজৰ পার্থক্যসমূহ চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ জিনোৱে ইন্দ্রিয় অভিজ্ঞতা বা সংবেদনৰ দুটা মৌলিক বৈশিষ্ট্য আঙুলিয়াই দিছে। সেইকেইটা কি কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ 'সত্ত্বা'ৰ ধাৰণাৰ ওপৰত এটা চমুটোকা লিখক।

প্রশ্ন নং ৪ ঃ হেৰাক্লাইটাছৰ 'সকলো হয় আৰু নহয়'- এই মতটোৰ ওপৰত চমু মন্তব্য আগবঢ়োৱা।

প্রশ্ন নং ৫ ঃ 'পৰিবৰ্ত্তন'ৰ ধাৰাটো চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ সমালোচনাসহ পাৰমেনিডিচৰ দর্শনৰ ব্যাখ্যা আগবঢ়োৱাওক।

প্রশ্ন নং ২ ঃ প্রাশ্চাত্য দর্শনলৈ হেৰাক্লাইটাছৰ অৱদানসমূহৰ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ পাৰমেনিডিচৰ অধিবিজ্ঞানৰ এক সমালোচনাত্মক ব্যাখ্যা দিয়ক।

প্রশ্ন নং ৪ ঃ হেৰাক্লাইটাছৰ 'সত্ত্বা এক প্রৱাহ' এই মতটো সমালোচনাসহ আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ পাৰমেনিডিচৰ দর্শনৰ মুখ্য বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

*****

অধ্যায় ৩ ঃ তত্ব বা সত্বা নাই বা বস্তুৰ সমস্যা

অধ্যায়ৰ ৰূপৰেখা

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.২ বিশিষ্ট আইওনিক (Ionic) নাইবা সজীৱ জড়বাদী (Hylozoist) চিন্তাবিদ সকল

৩.৩.১ থেলিচ্ৰ দ্রব্য বা সত্বা সম্পৰ্কীয় ধাৰণা

৩.৩.২ থেলিচ্ৰ মূল্যাংকণীয় মন্তব্য

৩.৪ এনাক্সিমেণ্ডাৰৰ দ্রব্য বা সত্বা সম্পৰ্কীয় ধাৰণা

৩.৪.১ এনাক্সিমেণ্ডাৰৰ মূল্যাংকীয় মন্তব্য

৩.৫ এনাক্সিমিনিচৰ দ্রব্য বা সত্বা সম্পৰ্কীয় ধাৰণা

৩.৫.১ এনাক্সিমিনিচৰ মূল্যাংকণীয় মন্তব্য

৩.৬ দ্রব্য বা সত্বাৰ পাইথাগোৰিয়ান ধাৰণা

৩.৬.১ পাইথাগোৰিয়ান ধাৰণাৰ মূল্যংকণীয় মন্তব্য

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টোৰ জৰিয়তে আপোনালোক সক্ষম হ'ব-

- গ্রীক দর্শনৰ মৌলিক বৈশিষ্ট্যসমূহ জানিবলৈ
- জগতৰ আদিমূল সত্বা ৰ ব্যাখ্যা আগবঢ়াবলৈ।
- পৰিবর্ত্তন আৰু গতিৰ কাৰণেই যে দ্রব্য বা সত্বাৰ উদ্ভৱ কৰে, তাক জানিবলৈ।
- থেলিচ আৰু এনাক্সিমেণ্ডাৰৰ তুলনা কৰিবলৈ।
- পাইথাগোৰিয়ানসকল আৰু তেওঁলোকৰ পূর্বাধিকাৰীসকলৰ মাজৰ পার্থক্য সমূহৰ ব্যাখ্যা দিবলৈ।

- জগতৰ প্ৰকৃতিগত ব্যাখ্যাৰ অনুধাৱন স্থাপন কৰিবলৈ

৩.২ পৰিচয়ঃ

এই অধ্যায়টোৱে আইওনিক সম্প্ৰদায়ৰ চিন্তাবিদ সকলে ব্যাখ্যা কৰা দ্ৰব্য বা সত্বাৰ ধাৰণাৰ লগত আপোনালোকক পৰিচয় কৰাব। আইওনিয়া এছিয়া মাইন'ৰৰ উপকূলত অৱস্থিত এখন সৰু চহৰ।

আইওনিক সম্প্ৰদায়ৰ চিন্তাবিদ সকল আছিল জড়বাদী (materialist)। আইওনিক চিন্তাবিদসকলৰ দৰ্শনৰ আৰম্ভণী হয় প্ৰাকৃতিবাদী জড়বাদৰ পৰা। গ্ৰীক দৰ্শনৰ প্ৰাৰম্ভিক সময়ছোৱাত এই প্ৰকৃতিবাদী জড়বাদৰ তিনিটা মৌলিক বৈশিষ্ট্য থকা দেখা যায়। সেই বৈশিষ্ট্যকেইটা হ'ল —

(১) গ্ৰীক দৰ্শন কেৱল প্ৰকৃতিৰ লগতহে সম্পৰ্কযুক্ত।

(২) গ্ৰীক দৰ্শন কেৱল বাহ্যিক জগতখনৰ লগতহে জড়িত।

(৩) গ্ৰীক দৰ্শন কেৱল প্ৰকৃতিৰ অংশ হিচাপে মানুহৰ লগতহে জড়িত।

গতিকে, গ্ৰীক দৰ্শনে প্ৰকৃতিৰ এক ব্যাখ্যা দাবী কৰে। সেয়ে, ই সৃষ্টিতত্ব বিষয়ক বা জগতকাৰণ প্ৰকৃতিৰো। আইওনিক দাৰ্শনিকসকল যিহেতু সকলো জড়বাদী, সেয়ে তেওঁলোকক প্ৰায়ে হাইল'জোইষ্ট (Hylozoist) বুলিও কোৱা হয়। গ্ৰীক শব্দ 'hule' যাৰ অৰ্থ জড় বা পদাৰ্থ, ই জড়বাদী দৰ্শনক প্ৰতিনিধিত্ব কৰে। সেই হেতুকে, ই মানুহৰ সমস্যা, জীৱনৰ সমস্যা, মানুহৰ লক্ষ্যৰ সমস্যা, নীতিবিজ্ঞানৰ সমস্যা আদি গভীৰতম চিন্তাৰ কোনো ধৰণৰ সুন্দৰ ব্যাখ্যা আগবঢ়াব পৰা নাই। কিন্তু পূৰ্বৰ গ্ৰীক দৰ্শনৰ আটাইতকৈ চকুত লগা বৈশিষ্ট্যটোৱে মানুহৰ মনৰ যৌক্তিক প্ৰকাশকে উল্লেখ কৰে। এই যৌক্তিক চিন্তাৰ নীতিয়েই চিন্তাবিদসকলক বাধ্য কৰাইছিল প্ৰশ্ন কৰিবলৈ ঃ মূল তত্ব বা সত্বা কি ? যাৰ দ্বাৰা জগত সংগঠিত হয়। এটা মাত্ৰ নীতিৰ সহায়েৰে গ্ৰীক দৰ্শনৰ চিন্তাবিদসকলে চেষ্টা কৰিছিল সেই 'চৰম' নীতিক ব্যাখ্যা কৰিবলৈ, যিয়ে সকলোধৰণৰ পৰিবৰ্তন আৰু বহুত্বক বহন কৰিব পাৰে। এই মৌলিক গভীৰতম চিন্তা, যাক বেছি ভালকৈ দৰ্শনৰ আধিকাল্পনিক চিন্তাৰূপে গ্ৰহণ কৰিব পৰা যায়, তাৰ প্ৰকৃত প্ৰকাশ ঘটিছিল আইওনিয়ান পদাৰ্থবিদ যেনে - থেলিচ, পাইথাগোৰিয়ানচ, হেৰাক্লাইটাচ, এলিয়েটিক সম্প্ৰদায়, এম্পেড্‌কলছ, এট'মিষ্ট সকল আৰু এনাক্সাগোৰাছৰ দৰ্শনত। এই চিন্তাবিদসকলে কোনো ধৰণৰ কাল্পনিক নাইবা পৌৰাণিক সত্বা বা অস্তিত্বৰ সহায় নলৈ প্ৰাকৃতিক কাৰণৰ দ্বাৰাই প্ৰকৃতিৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰিছে। পৰিবৰ্তনৰ সমস্যাই গ্ৰীক দাৰ্শনিকসকলক দুটা মৌলিক বিষয় গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল — সেয়া হ'ল

(১) সত্যতা জীৱিত আৰু

(২) প্রকৃত বা মূল সত্ত্বৰ অন্তৰালতেই পৰিবর্তন আৰু গতিৰ কাৰণ নিহিত থাকে। এইটোৱে হৈছে হাইল'জিম মতবাদ।

৩.২ বিশিষ্ট আইওনিক নাইবা হাইল'জ'ইষ্ট চিন্তাবিদসকল

আটাইতকৈ গুৰুত্বপূর্ণ হাইল'জ'ইষ্ট চিন্তাবিদসকল হৈছে থেলিচ, এনাক্সিমেণ্ডাৰ, এনাক্সিমিনিচ আৰু পাইথাগোৰাছ। তেওঁলোকৰ মাজত মতানৈক্য থকা স্বত্তেও, তেওঁলোক এটা কথাত একমত আছিল যে পৰিৱর্ত্তন আৰু গতিয়ে এক একক আদি বা মূল বস্তুৰ সৃষ্টি কৰে, যি হৈছে আদিৰে পৰা থকা প্রাৰম্ভিক এক সত্বা। সেয়ে থেলিচে 'পানী' কেই প্রথম নীতি ৰূপে গ্রহণ কৰিছে। এনাক্সিমেণ্ডাৰে মত পোষণ কৰে যে, যদিও বস্তুবোৰক অসীমতাৰ পৰা পৃথক কৰিব পৰা নাযায়, তথাপিও এইবোৰ প্রকৃততে এক সমহাৰতহে অস্তিত্বশীল হৈ থাকে। এনাক্সিমিনিচৰ মতে 'বায়ু' হৈছে মূল বা আদিম বস্তু বা সত্বা। পাইথাগোৰিয়ানসকলৰ মতে 'সংখ্যাই' হৈছে সমগ্র বস্তুৰ জগত সত্বা বা আদিমূল সত্তা।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ঃ (১) খালী ঠাই পূৰণ কৰক ঃ

ক) বিশিষ্ট আইওনিক চিন্তাবিদ সকল হ'ল ----------, আৰু ---------।

খ) গ্রীক শব্দ 'hule' য়ে প্রতিনিধিত্ব কৰে --------দর্শনক।

গ) পূর্ব গ্রীক দর্শন প্রকৃতিগতভাৱে ----------

ঘ) পৰিবর্ত্তনৰ সমস্যাই গ্রীক চিন্তাবিদসকলক -------সত্যতা ৰূপে গ্রহণ কৰিবলৈ বাধ্য কৰাইছিল।

প্রশ্ন ঃ(২) তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

ক) পূর্ব গ্রীক চিন্তাবিদসকলে প্রকৃতিক অলৌকিক ৰূপে ব্যাখ্য কৰিছে।

খ) কাৰণ আৰু গতিৰ সমস্যাই কেতিয়াও আদি মূল সত্ত্বাৰ সৃষ্টি নকৰে।

গ) এনাক্সিমিনিচৰ মতে, বস্তু সংমিশ্রণত অস্তিত্বশীল ।

ঘ) এট'মিষ্টসকল আইওনিয়ান পদার্থবিদ।

প্রশ্ন ঃ (৩) প্রকৃতিবাদী জড়বাদৰ তিনিটা মূল বৈশিষ্ট কি?

.....

.....

প্রশ্ন ঃ (৪) তিনিজন আইওনিয়ান পদার্থবিদৰ নাম লিখক।

.....

.....



চিন্তা-চর্চা কৰক ঃ ১.১

গ্রীক দার্শনিক সকলে 'হাইল'জ'ইজম্ (Hylozoism) ৰ সন্দর্ভত গ্রহণ কৰা দুটা মৌলিক বিষয় কি কি?

.....

.....

গ্রীক চিন্তাৰ আটাইতকৈ মনোমোহা বৈশিষ্ট্যটো কি ?

.....

.....

৩.৩.১. থেলিচৰ দ্রব্য সম্পর্কীয় ধাৰণা

থেলিচৰ জন্ম হৈছিল এছিয়া মাইন্ৰৰ অন্তর্গত এখন ঠাই মিলেটাছত (প্রায় খ্রীঃপূর্ব ৬২৪ -- খ্রী ঃপূর্ব ৫৫০)। তেওঁ একেধাৰে এজন ৰাজনীতিবিদ, গণিতশাস্ত্র বিদ, অভিযন্তা আৰু আনকি এজন জ্যোর্তিবিদো আছিল। সবাৰোপৰি থেলিচক গ্রীকদর্শনৰ পিতৃ ৰূপে ধৰা যায়। থেলিচৰ সৈতে চ'লন (Solon) আৰু ক্র'চাছ (Croesus) ও প্রাক্ ছ'ক্রেটিক সময়ছোৱাত উপযুক্ত বুলি গণ্য কৰা হৈছিল।

থেলিচক দর্শনৰ পিতৃ আখ্যা দিয়া হৈছিল কেৱল এই কাৰণে যে তেওঁ প্রকৃতিবাদী আৰু বৈজ্ঞানিক নীতিৰ ওপৰত নির্ভৰ কৰি জগতৰ ব্যাখ্য কৰিবলৈ চেষ্টা কৰিছিল। জগতখনক কোনোধৰণৰ পৌৰাণিক কথা নাইবা অৱতাৰিক ঈশ্বৰৰ সহায়ৰ অবিহনেই ব্যাখ্য কৰিছিল। এই কথা ঠিক যে তেওঁৰ পানীৰ দর্শন বিশেষ, তাৎপর্য্যপূর্ণ নহয়, কিন্তু তেওঁ নিজস্ব চিন্তাৰে এই সমস্যাৰ উদ্ভাৱন কৰিছিল। তেওঁ আনকি প্রাক্ ছক্রেটিক কালৰ দর্শনৰ বৈশিষ্ট্য আৰু দিশ নির্ণয় কৰিব পাৰিছিল। আটাইতকৈ মৌলিক কৌতুহ'লটো আছিল যাৰ বাবে থেলিছে পানীৰ দর্শনৰ ওপৰত আলোচনা কৰিছিল সম্ভৱ জগতৰ বহুত্বৰ মাজত 'একক চৰম নীতি কি হ'ব' তাক ভালকৈ অনুসন্ধান কৰা। প্রাৰম্ভিক গ্রীক দর্শনৰ প্রথম কালছোৱা আছিল অতিকৈ জগত কাৰণ বিষয়ক নাইবা সৃষ্টিবিজ্ঞান বিষয়ক প্রকৃতিৰ। প্রকৃতিৰ জগতখনক জনাৰ এই জগতকাৰণ বিষয়ক বা সৃষ্টি বিজ্ঞান বিষয়ক বৈশিষ্ট্যৰ বাটকটীয়া হিচাপে থেলিচকে ধৰা হয়।

কিন্তু থেলিচে হয়তো কোনোধৰণৰ গ্রন্থ লিখা নাছিল- কিয়নো সেই সম্পর্কে কোনো

তথ্য পোৱা নাযায়। আমি তেওঁৰ অধিকাল্পনিক চিন্তাৰ মুখ্যত ঃ দুই প্ৰকাৰৰ গুৰুত্বপূৰ্ণ তথ্য দেখা পাওঁ-

প্ৰথমে , পানীয়েই হৈছে সমগ্ৰ বস্তুৰ প্ৰথম একক নীতি বা মূল উপাদান।

দ্বিতীয়তে, সকলো বস্তু পানীৰ পৰাই সৃষ্টি হয় আৰু পুনৰ পানীলৈ ঘুৰি যায়।

পানীয়েই জগতৰ আদিমূল সত্বা বুলি যেতিয়া তেওঁ ব্যাপ্ত কৰিছিল ই নিঃসৃত হৈছিল সম্ভৱ কেতবোৰ সিদ্ধান্তৰ পৰা যেনে প্ৰতিপালন, উত্তাপ, বীজ, যি জীৱনৰ বাবে অতি আৱশ্যক, সকলো বস্তুৰে আৰ্দ্ৰতা বা সেমেকা ভাৱ থাকে। অন্যান্য গ্ৰীক দাৰ্শনিককসকলৰ দৰে থেলিচেও প্ৰকৃতিক জীৱন্ত ক্ৰীয়াশীল আৰু পৰিৱৰ্ত্তনশীল বুলি ভাবিছিল। অৱশ্যে তেওঁ পানী কিয় জগত সম্ভাৰৰ একমাত্ৰ আদিমূল সত্বা তাক কেতিয়াও ব্যাখ্যা কৰা নাছিল। এইটো সম্ভৱ এই কাৰণে হৈছিল যে তেওঁৰ অভিজ্ঞতাই এটা বস্তু আন এটা বস্তুলৈ ৰূপান্তৰ হোৱাটো সমৰ্থন কৰিছিল। থেলিচে মানি লৈছিল যে পানীৰ গোটা, জুলীয়া আৰু বাষ্পীয় আকাৰ বহন কৰিব পৰা ক্ষমতা আছে।

৩.৩.২ থেলিচৰ মূল্যাংকণীয় মন্তব্য-

দাৰ্শনিক জন বাৰ্নেটে থেলিচৰ পানী দৰ্শনৰ এক সমালোচনাত্মক মূল্যায়ন কৰিছে। তেওঁ মন্তব্য প্ৰকাশ কৰে যে, আন সকলো আদি গ্ৰীক দাৰ্শনিকসকলৰ দৰে থেলিচেও অতি সৰলভাৱে প্ৰকৃতিৰ ৰূপান্তৰৰ নিয়ম বা কাৰ্যপ্ৰণালীক গ্ৰহণ কৰিছে আৰু আগলৈ কোনোধৰণৰ অনুসন্ধান নকৰাকৈয়ে সিদ্ধান্ত লৈছে যে পানীয়েই জীৱনৰ প্ৰাণ বা জীয়াই থকাৰ প্ৰয়োজনীয় বস্তু। এৰিষ্ট'টলৰ মতেও, থেলিচে কেতিয়াও নিজকে এই প্ৰশ্ন কৰা নাই যে কেনেকৈ জগতখন পানীৰ পৰা উদ্ভৱ হ'লআৰু সেয়ে, কেনো ব্যাখ্যাও তেওঁ আগনবঢ়ালে। থেলিচে প্ৰকৃতিৰ ক্ৰিয়াশীলতা আৰু সৃষ্টিশীলতা নিৰীক্ষণ কৰিয়েই তেওঁৰ সিদ্ধান্ত নিঃসৰণ কৰিছিল আৰু দেখা পাইছিল যে 'পুষ্টিকাৰক সকলো বস্তু সেমেকা বা জেকা আৰু আনকি প্ৰকৃত উত্তাপো ইয়াৰ পৰাই উৎপত্তি হয় আৰু সেয়ে জীৱই তাৰ জীৱন পানীৰ দ্বাৰাই ধাৰণ কৰে..।'



জানি থোৱা ভাল

থেলিচক গ্ৰীক দৰ্শনৰ পিতৃ ৰূপে স্বীকাৰ কৰা হয়। এৰিষ্ট'টলৰ মতে থেলিচৰ দৰ্শনৰ তিনিটা মূল বৈশিষ্ট্য আছে।

সেয়া হ'ল-

(১) সকলো প্ৰাকৃতিক বস্তুৰেই ঈশ্বৰৰ অৱদান।

(২) পৃথিৱীখন পানীত উপঙি থকা এখন চেপেটা কাঁহিৰ সদৃশ।

(৩) পানীৰ পৰাই প্ৰকৃতি জগতখনৰ অস্তিত্ব সম্ভৱ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রঃ (৫) কাক গ্রীক দর্শনৰ পিতৃ আখ্যা দিয়া হয়?

.....

.....

প্র ঃ (৬) 'পানী' ক মূলসত্বা হিচাপে গ্রহণ কৰাৰ কাৰণ কি?

.....

.....



চিন্তা-চর্চা কৰক ১.২

থেলিচক জগতৰ জগতকাৰণ বিষয়ক বা সৃষ্টিতত্ব বিষয়ক ব্যাখ্যাৰ বাটকটীয়া বুলি ধৰিব পৰা যায়নে? কিয়?

.....

.....

কিয় থেলিচক গ্রীক দর্শনৰ পিতৃ বুলি স্বীকাৰ কৰা হয়?

.....

.....

৩.৪.১ এনাক্সিমেণ্ডাৰৰ দ্রব্য সম্পর্কীয় ধাৰণা

এনাক্সিমেণ্ডাৰ থেলিচৰ শিষ্য আছিল, যদিও প্রায় এটা পুৰুষৰ পিছৰ আছিল। তেৱোঁ মিলেটাছৰ বাসিন্দা আছিল আৰু প্রায় খৃঃপূঃ ৬১১ ৰ পৰা খৃঃপূঃ ৫৪৭ ভিতৰত সমৃদ্ধিশালী হৈ উঠিছিল। এনাক্সিমেণ্ডাৰে এক দার্শনিক প্রৱন্ধ লিখি উলিয়াইছিল। এই দার্শনিক প্রৱন্ধটিয়েই আছিল প্রথম গ্রীক ভাষাৰ গদ্যপুথি,কিন্তু দুর্ভাগ্যক্রমে ই হেৰাই গ'ল। তাৰোপৰি, থেলিচৰ দৰে এনাক্সিমেণ্ডাৰো এজন বিশ্বতত্ববিদ আছিল। তেওঁৰেই প্রথমবাৰৰ বাবে এখন মানচিত্র ৰচনা কৰি উলিয়াইছিল। অন্যান্য প্রাচীন গ্রীক চিন্তাবিদসকলৰ দৰে এনাক্সিমেণ্ডাৰো এজন জড়বাদী আছিল।

এনাক্সিমেণ্ডাৰে ধাৰণা কৰিছিল যে এটা একক প্রাথমিক আদিমূল সত্বা আছে আৰু সকলো বস্তু ইয়াৰ পৰাই উদ্ভৱ হয় আৰু সকলো বস্তু পুনৰ সেই মৌলিক উপাদানলৈ ঘূৰি যাবই লাগিব। এনাক্সিমেণ্ডাৰে বস্তুৰ মূল গুণক 'সীমাহীন নাইবা অসীম অনন্ত, ধ্বংসবিহীন দ্রব্যৰূপে ব্যাখ্যা কৰিছে, যাৰ পৰা সকলো বস্তুৰ সৃষ্টি হয় আৰু যালৈ সকলো বস্তু পুনৰ ঘূৰি যায়। দ্রব্যৰ লক্ষণসমূহ তেওঁ নির্দিষ্টকৈ ব্যাখ্যা কৰা নাই, কিন্তু ই সীমাহীন দেশপূর্ণ আৰু জীৱন্ত উপাদানক

বুজাইছে। প্রকৃতিৰ সকলো গুণ এই সীমাহীন, ধ্বংসবিহীন দ্রব্যৰ পৰাই নিঃসৃত হৈছে। এই 'অসীম' নাইবা 'কিছুমান সীমাহীন' (Boundless something)ৰ কথা সাব্যস্ত কৰোঁতে তেওঁ এটা সার্বিক, নিৰাকাৰ বস্তুগত উপাদানৰ এক গুৰুত্বপূর্ণ নীতি আগবঢ়াইছে। এই সীমাহীন উপাদানেই হৈছে বস্তু জগতৰ মৌলিক সত্বা। আনহাতে, এনাক্সিমেণ্ডাৰে মত পোষণ কৰে যে স্বতন্ত্র বস্তু বিলাকৰ এই নিৰাকাৰ সার্বিক নীতিৰ বাহিৰে আন কাৰণ থাকিব নোৱাৰে। গতিকে, দেখা যায় যে ইয়েই হৈছে সৃষ্টিৰ অদ্বৈতবাদী মতবাদ।

এই ব্যাখ্যা অতি বেছি পৰিষ্কাৰকৈ জানিবৰ বাবে এটা উদাহৰণৰ সহায় লোৱা যাওঁক। — মাটিক বিভিন্ন স্বতন্ত্র বস্তু যেনে ঃ কলহ, ইটা, বাচন-বর্তন ইত্যাদিলৈ ৰূপান্তৰ কৰিব পৰা যায়। কিন্তু মাটিৰে নির্মিত এটা কলহক পোনপটীয়াকৈ কোনো পাত্র, ইটা নাইবা আন কোনো মাটিৰ বস্তুৰ আকাৰ দিব পৰা নাযায়। মাটিৰ কলহ নাইবা ইটা সৃষ্টি কৰিবৰ বাবে এই বস্তুবোৰক পুনৰ সেই নিৰাকাৰ মাটিলৈ ৰূপান্তৰ কৰিব লাগিব।

ইয়াৰোপৰি তেওঁ শেষত কয় যে, জগতখন কিছুমান বিপৰীত ধাৰণা যেনে ঃ ঠাণ্ডা-গৰম, জেকা-শুকান আদিৰ দ্বাৰাই নিয়ন্ত্রিত হৈ থাকে।

এনাক্সিমেণ্ডাৰে সমর্থন আগবঢ়ায় যে জগতৰ অভিব্যক্তি এক নির্দ্দিষ্ট সময়ত হৈছিল। জগত প্রথমে চাৰিওপিনে পানীৰে পৰিপূর্ণ আছিল আৰু সকলো জীৱ পানীতে অস্তিত্বশীল আছিল। লাহে লাহে পানী শুকাবলৈ ধৰে আৰু বামৰ সৃষ্টি কৰে। পানীত বাস কৰা জীৱবোৰে নিজকে সেই শুকান ঠাইত খাপ খুৱাই লয় আৰু জীয়াই থকাৰ চেষ্টা কৰে। আন আন প্রাণীৰ দৰে মানুহো আৰম্ভণীতে মাছেই আছিল। এনে ধৰণৰ ব্যাখ্যাৰ পৰা আমি ক্রমবিকাশৰ আধুনিক ইন্দ্রিয় বিষয়ক মতবাদৰ বীজ দেখিবলৈ পাওঁ।

এনাক্সিমেণ্ডাৰৰ 'চুঙাকৃর্তি পৃথিৰী'ৰ মতবাদে মাধ্যাকর্ষণ মতবাদক পূর্ব নির্দ্ধাৰিত কৰিছিল। তেওঁৰ জড়বাদ ঈশ্বৰক প্রতিনিধিত্ব কৰিছিল। আকৌ, এই জড়বাদে ন্যায্য বুলি প্রমাণ কৰে যে ঈশ্বৰ অসীম, অর্থাৎ সীমাহীন আৰু জড়ীয় পদার্থ। এইদৰে ঈশ্বৰ কেতিয়াও পৌৰাণিক নাইবা অলৌকিক আৰু মানৱৰূপী ঈশ্বৰ প্রকৃতিৰ হ'ব নোৱাৰে। তেওঁ জগতৰ ঐশ্বৰীক সৃষ্টিকো নুই কৰিছে।

৩.৪.২ এনাক্সিমেণ্ডাৰৰ মূল্যাংকনীয় মন্তব্য

সমালোচকসকলে মত পোষণ কৰে যে এনাক্সিমেণ্ডাৰৰ নিৰাকাৰ জড় আৰু বস্তুৰ মতবাদটোৰ আভাষো এৰিষ্টটলৰ দ্রব্য আৰু আকাৰৰ মতবাদত পোৱা যায়। এই কথাও নিৰীক্ষণ কৰা যায় যে এনাক্সিমেণ্ডাৰৰ 'সীমাহীন কিছুমান (Boundless something) যি 'অসীম', অনির্দ্ধাৰিত আৰু গুণগতভাৱে অবিভাজ্য জড়' য়ে এৰিষ্টটলৰ 'অনির্দ্ধাৰিত সম্ভৱনামূলক দ্রব্যক পূর্বতে আলোকপাত কৰিছে।

বহুতো চিন্তবিদে মত পোষণ কৰে যে এনাক্সিমেণ্ডাৰে জীৱৰ উৎস আৰু ক্রমবিকাশ সম্পৰ্কীয় এটা অতি গুৰুত্বপূৰ্ণ মতবাদৰ উন্নতি সাধন কৰিছে। ইয়াৰোপৰি, এই কথাও ধাৰণা কৰা হয় যে এনাক্সিমেণ্ডাৰৰ শৈলী যদিও প্রাচীন আছিল, তথাপি 'জীৱই নিজৰ বাতা-বৰণৰ লগত খাপ খুওৱাৰ' যি মূল মতবাদ সি তাৰ পৰাই বিকশিত হৈছিল।



জানি থোৱা ভাল

'The Treatise on Nature' গ্রীচ দেশত লিখা প্রথম গ্রন্থ। এইখনেই গ্রীক ভাষাৰ প্রথমখন গদ্যপুথি।

এনাক্সিমেণ্ডাৰৰ 'সীমাহীন'ৰ মতবাদটোৱে জ্যোৰ্তিবিজ্ঞানৰ পৰৱৰ্ত্তী উন্নয়নত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

প্রফেছৰ বার্ণেটে মত পোষণ কৰে যে, "এনাক্সিমেণ্ডাৰৰ 'অসংখ্য পৃথিৰী' (innumerable worlds) অনিবার্য্যভাৱে অনুক্রমিক নহয়, কিন্তু ই সহ-অৱস্থিত পৃথিৰী।"



চিন্তা-চর্চা কৰক ঃ ১.৩

এনাক্সিমেণ্ডাৰে কেনেকৈ বস্তুৰ সাৰ বা মূল গুণক ব্যাখ্য কৰিছে?

উ ঃ .....

.....

.....

এনাক্সিমেণ্ডাৰৰ অদ্বৈতবাদী দর্শনৰ আলোচনা কৰক।

উ ঃ .....

.....

.....

প্র ঃ (৭) এনাক্সিমেণ্ডাৰে কেনেকৈ বস্তুৰ সাৰ বা মূল গুণক আলোচনা কৰিছে?

.....

.....

.....

প্র ঃ (৮) সৃষ্টিৰ অদ্বৈতবাদী মতবাদটো কি?

.....

.....

৩.৫.১ এনাক্সিমিনিচৰ দ্রব্য সম্পর্কীয় ধাৰণা

এনাক্সিমিনিচ মিলেটাছৰ বাসিন্দা। পূর্ববর্তী দার্শনিকসকলৰ দৰেই তেৱোঁ এজন জড়বাদী আছিল। এই নির্দিষ্ট দ্রব্যক বিশ্বজগতৰ প্রথম নীতি ৰূপে স্বীকাৰ কৰিবলৈ এনাক্সিমিনিচে থেলিচৰে আশ্রয় লৈছিল। বিশ্বজগতৰ প্রাথমিক মূল সত্বা ব্যখ্যা কৰাৰ ক্ষেত্রত আমি এনক্সিমিনিচক এনাক্সিমেণ্ডাৰতকৈ বেছি যুক্তিসঙ্গত আৰু সুনিশ্চিত চিন্তাবিদ হিচাপে দেখা পাওঁ। এনেধৰণৰ ব্যাখ্যাৰ ক্ষেত্রত এনক্সিমিনিচে 'বায়ু'কে এই জগতৰ আদিৰে পৰা বর্তি থকা সত্বা ৰূপে ধাৰণা কৰিছে। বায়ুক জগতৰ চৰম আদিমূল সত্বা ৰূপে গ্রহণ কৰাৰ এক কাৰণ আছে। সেয়ে হয়তো এনাক্সিমিনিচে অ-জীৱ সত্বাতকৈ স-জীৱ সত্বাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছিল। যি কোনো স-জীৱ বস্তুৰে উশাহ-নিশাহত বায়ু গ্রহণ কৰি বর্তি আছে আৰু ই হৈছে জীয়াই থকাৰ আটাইতকৈ প্রয়োজনীয় উপাদান। ইয়াতেই বায়ু আৰু স-জীৱ প্রাণীজগতখনৰ মূল্য নিহিত হৈ আছে। সেই কাৰণে এনাক্সিমিনিচে শেষত সিদ্ধান্ত লয় যে বায়ু হৈছে বিশ্বজগতৰ একমাত্র আদিমূল সত্বা।

এনাক্সিমিনিচে এনে এক বিশেষ সিদ্ধান্তত উপনিত হৈছে কাৰণ বায়ুৰ কেতবোৰ নির্দিষ্ট বৈশিষ্ট্য আছে। এই বৈশিষ্টসমূহ হ'ল— (ক) গতিশীলতা (খ) পৰিবর্ত্তনশীলতা আৰু (গ) অন্তৰস্থঃসজীৱতা বা অন্তনির্হিত শক্তি। বায়ু বিশ্বজগতৰ জীৱনদায়ীনি শক্তি। সেই হেতুকে, এই বিশ্ব জগত এক জীৱন্ত অৱয়ব। এই অর্থত এনাক্সিমিনিচ এজন হাইল'জ'ইষ্ট।

বায়ুৰ আকৌ দুটা বিপৰীত শক্তি বা নীতি আছে। সেই বিপৰীত শক্তি নাইবা নীতি দুটা হ'ল- (ক) সংক্ষেপন (condensation) আৰু (খ) বিস্তৃতকৰণ (Rarefaction) । বায়ু এই দুটা বিপৰীত নীতিৰে ক্রিয়াশীল হৈ থাকে। এনাক্সিমিনিচে সংক্ষেপণৰ সংজ্ঞা এনেদৰে দিছে ই হৈছে 'এক ঠেক দেশত হোৱা বায়ুৰ চাপ।' বিস্তৃতকৰণক তেওঁ 'বহল দেশত বায়ুৰ বিস্তাৰ' ৰূপে সংজ্ঞা আগবঢ়াইছে? বায়ুৰে বিস্তৃতকৰণৰ দ্বাৰা জুইৰ আকাৰ লয় আৰু তেতিয়া ক্রমান্বয়ে হোৱা সংক্ষেপণৰ ফলত বায়ুৰে পানী, মাটি আৰু শিলৰ সৃষ্টি কৰে।

এনাক্সিমিনিচে এই আদি মূল সত্বা বায়ুৰ জৰিয়তেই সকলো জড় বস্তু আৰু জগতৰ আন সকলো গুৰুত্বপূর্ণ উপাদানৰ প্রকৃতি ন্যায্য ৰূপে প্রমাণ কৰিছে। আমি সকলোৱে জানো যে বৈজ্ঞানিক অনুসন্ধানে 'কেনেকৈ জানিব পাৰো' এই পদ্ধতিক উৎসাহ যোগায়। এই 'কেনেকৈ জানো' পদ্ধতি এনাক্সিমিনিচৰ চিন্তাধাৰাত খুব সুন্দৰভাৱে পৰিস্ফুট হৈৰা দেখা যায়। 'কেনেকৈ জানিব পাৰো' পদ্ধতিটিৰে তেওঁক বিশ্বজগতৰ চৰম আদিমূল সত্বাৰ সন্ধানত যথেষ্ট সহায় আগবঢ়ায়। সংক্ষেপণ আৰু বিস্তৃতকৰণ এই দুই পদ্ধতি 'কেনেকৈ জানিব পাৰে' পদ্ধতিৰ দুটা অতি গুৰুত্বপূর্ণ বিপৰীত নীতি। এনাক্সিমিনিচৰ জগতৰ গুণ যেনে ঃ বাষ্পীয়, জুলীয়া, গোটা, শব্দ, বৰণ, খহটা, মিহি ইত্যাদি ব্যাখ্যা কৰাৰ পদ্ধতিটোৰে পৰিমানগত পার্থক্যৰ নীতিটোক সংযোজিত কৰিছে। আধুনিক বিজ্ঞানে যিকোনো বস্তু ব্যাখ্যা কৰিবৰ বাবে এই পদ্ধতিক এক সূত্র হিচাপে মানি চলে।

৩.৫.২ এনামিক্সিমিনচৰ মল্যাংকনীয় মন্তব্য

বৈজ্ঞানিক ব্যাখ্যাৰ প্রগতিৰ ক্ষেত্রত 'গুণগত পার্থক্য পৰিমানগত পার্থক্যলৈ পৰিৱর্ত্তন' হোৱা এই আটাইতকৈ তাৎপর্যপূর্ণ পদ্ধতিটোৰ বাটকটীয়া হিচাপে এনামিক্সমিনিচে খিতাপ অর্জন কৰিছিল। তেওঁৰ সংক্ষেপন আৰু বিস্তৃতকৰণ মতবাদটোৱে প্রাথমিক দ্রব্যৰ পৰা উপাদানৰ সৃষ্টিক ব্যাখ্যা কৰে। এনামিক্সমিনিচে দার্শনিক ডেম'ক্রেটাছকো প্রভান্বিত কৰিছিল, যিয়ে শেষত সিদ্ধান্ত গ্রহণ কৰিছিল যে, 'সকলো পৰিৱর্ত্তন গতিলৈ ৰূপান্তৰ হয়।' সকলো পৰিবর্ত্তন গতিৰ পৰাই উদ্ধৰ হয় আৰু গতি সদায় চিৰন্তন।



অগ্রগতিৰ নিৰীক্ষণ

প্র ঃ (৯) খালী ঠাই পূৰণ কৰক ঃ

ক) এনামিক্সিমিনিচ বেছি ---------আৰু ------ চিন্তাবিদ।

খ) বায়ুৰ দুটা বিপৰীত নীতি ----------আৰু ----------।

গ) এনামিক্সিমিনিচে গ্রীক দার্শনিক ----------ক প্রভাৱান্বিত কৰিছিল।

প্র ঃ (১০) তলত দিয়া বাক্যবোৰ সত্য নে অসত্য

ক) এনামিক্সিমিনিচে উল্লেখ কৰে যে বায়ু জগতৰ আদিমূল সত্ত্বা। (সত্য /অসত্য)

খ) বায়ুৱে কেতিয়াও জীৱক জীয়াই নাৰাখে। (সত্য/অসত্য)

গ) এনামিক্সমিনিচৰ জড়বাদত 'কেনেকৈ জানিব পাৰো' পদ্ধতিৰ উল্লেখ নাই। (সত্য/অসত্য)

ঘ) এনামিক্সমিনিচৰ মতে জগতখন এটা জীৱন্ত অৱয়ব। (সত্য /অসত্য)

প্র ঃ (১১) এনামিক্সিমিনিচে আগবঢ়োৱা বায়ুৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

প্রঃ (১২) এনামিক্সিমিনিচে আগবঢ়োৱা বায়ুৰ সংক্ষেপন আৰু বিস্তৃতকৰণৰ নীতি দুটা উল্লেখ কৰা।

.....

.....

দ্রব্য সর্ম্পকে পাইথাগোৰিয়ান ধাৰণা

পাইথাগোৰছে আৰম্ভ কৰা দার্শনিক সম্প্রদায়টোক পাইথাগোৰিয়ান বুলি জনা যায়।

পাইথাগোৰাছৰ পূৰ্বাধিকাৰীসকলে 'জগতৰ আদিমূল সত্বা কি হ'ব পাৰে? এই প্ৰশ্নটো উত্থাপন কৰাত মনোযোগ দিছিল। ইয়াৰ উত্তৰত তেওঁলোকে ইয়াক এটা মূৰ্ত্ত (concrete) বস্তু বুলি ধাৰণা কৰিছিল আৰু আমি ইতিমধ্যে সেই মুৰ্ত্ত বস্তুবোৰ কি জানিব পাৰিছো। কিন্তু, আনহাতে, পাইথাগোৰিয়নাসকলে জগতৰ ঐক্যতাৰ সমস্যাটোৰ কথা চিন্তাকৰিবলৈহে নিজকে উৎসৰ্গা কৰিছিল। এই দাৰ্শনিক সকল সকলো একো একোজন গণিত শাস্ত্ৰ বিদ আছিল আৰু সেয়ে তেওঁলোকে পৰিমানগত সম্পৰ্কৰ ওপৰত মনোনিবেশ কৰিছিল। পাইথাগোৰাছ গণিতজ্ঞ হোৱা হেতুকে জগতত নিয়মৰ সমস্যাক সংখ্যাতত্ববাদৰ (Number Theory) সহায়েৰে সমাধান কৰিবলৈ চেষ্টা কৰিছিল। এইদৰেই তেওঁ প্ৰৱৰ্ত্তন কৰিছিল যে 'সংখ্যাতত্ববাদেই এই জগতৰ সমগ্ৰ বস্তুৰ মূল সুত্ৰ বা নীতি। কেৱল এই সংখ্যাতত্ববাদেই ঐক্যতাৰ সম্বন্ধ, আইন-কাণুনৰ সকলো সমস্যা সমাধা কৰিব পাৰে। 'সংখ্যাই প্ৰকৃত সত্বা, বস্তুৰ ভিত্তি আৰু সমগ্ৰ বস্তুৰেই সংখ্যাৰ এক উক্তি।" পাইথাগোৰিয়ানসকলৰ বাবে সংখ্যা বস্তুসমূহৰ এক নীতি, ই বস্তুৰ আদিমূল সত্বা নহয়। তেওঁলোকে বস্তুবোৰক সংখ্যাৰ ছবি হিচাপে মতবাদটোত দৃষ্টি নিক্ষেপ কৰিছে। জ্যোৰ্তিবিজ্ঞান আৰু নীতিবিজ্ঞান উভয়ৰে মূল ভিত্তি এই সংখ্যাতত্বৱাদ নাইবা সংখ্যা ৰহস্যবাদ। প্ৰাকৃতিক নিয়মক গাণতীয় পদ্ধতিৰে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰাৰ বাবে পাইথাগোৰাছৰ সংখ্যতত্বৱাদৰ এক ইতিহাসমূলক তাৎপৰ্য্যও আছে।

পাইথাগোৰাছে আত্মাৰ অমৰত্বক বিশ্বাস কৰিছিল। গৌতম বুদ্ধৰ বাণী পাইথাগোৰিয়ান সংখ্যা ৰহস্যবাদত সুন্দৰভাৱে পৰিস্ফুট হোৱা দেখা যায়, যিহেতু ই দৃঢ়ৰূপে সমৰ্থন কৰে যে, 'সমগ্ৰ পূৰ্বজন্মৰ চক্ৰ অনিবাৰ্যভাৱে দুখদায়ক আৰু মানুহৰ এইটো এক কৰ্তব্য যে তেওঁ এই পূৰ্বজন্মৰ চক্ৰটো সম্পূৰ্ণ কৰিবই লাগিব।' তেওঁলোকে আত্মাৰ পুনৰ্জন্মৰ দৰ্শনো মানি লৈছিল। আচৰণৰ শুদ্ধতাই আছিল পাইথাগোৰিয়ান নীতিশাস্ত্ৰৰ মূল ছাবি-কাঠি। তদুপৰি এইটো বিশ্বাস কৰা হৈছিল যে নিৰপেক্ষ বৈজ্ঞানিক শিক্ষণ মানুহৰ এটা কৰ্তব্য, যিহেতু ই জগতৰ মূল সত্বাৰ সন্ধান লাভ কৰাত সহায় কৰিব পাৰে।

৩.৬.২ পাইথাগোৰিয়ানসকলৰ মূল্যাংকনীয় মন্তব্য

সমালোচকসকলে ভাবে যে সংখ্যা ৰহস্যবাদৰ ক্ৰমান্বয়ে হোৱা অগ্ৰগতিৰ লগত পাইথাগোৰিয়ান দৰ্শনৰ কোনো সু-নীতিৰ অবিহনেই উন্নতি হোৱা দেখা যায়। বেলেগ বেলেগ সংখ্যাৰ লগত বেলেগে বেলেগ বস্তুৰ একাত্মক ৰূপে কোনো নীতি নিৰ্দেশনা উদাহৰণৰে সৈতে প্ৰমাণ কৰিব পৰা নাই। 'কি বস্তুৰ লগত কি সংখ্যা ব্যৱহাৰ হ'ব- এই সম্পৰ্কে পাইথাগোৰিয়ানসকলৰ মাজত মতভেদ আছে। সেয়ে, সমালোচকসকলে মত পোষণ কৰে যে পাইথাগোৰিয়ান ব্যৱস্থাটো জগতৰ এক প্ৰায় অপৰিশোধিত জ্ঞান। সংখ্যা ৰহস্যবাদৰ প্ৰয়োগ সেয়ে, বিফল আৰু অপ্ৰয়োজনীয়ও।



জানি থোৱা ভাল

পাইথাগোৰিয়ান সকলে বিশ্বাস কৰে যে পৃথিৱী, যি এটা গ্ৰহ সূৰ্যৰ চাৰিওপিনে পৰিভ্ৰমণ কৰে, যি কেন্দ্ৰীয় অগ্নিকোষ।

ক'পাৰনিকাছেও তেওঁৰ নক্ষত্ৰকেন্দ্ৰিক প্ৰকল্প (heliocentric supposition) প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত পাইথাগোৰাছৰ দ্বাৰা প্ৰভান্বিত হৈছিল।

পাইথাগোৰাছে সমৰ্থন কৰিছিল যে 'সংখ্যাই হৈছে জগতৰ ভিত্তি, মূল সত্বা, য'ৰপৰা সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি হয়।

চিন্তা-চৰ্চা কৰক ১.৪

পাইথাগোৰাছৰ সংখ্যাতত্বৱাদটো ব্যাখ্যা কৰক।

উ ঃ .....

.....

পাইথাগোৰাছ আৰু তেওঁৰ পূৰ্বাধিকাৰী সকলৰ মাজত পাৰ্থক্যটো কি?

উ ঃ .....

.....



৩.৭ অধ্যায়টিৰ পাৰ আমি কি শিকিলো

- প্ৰাচীন গ্ৰীক দাৰ্শনিকসকল প্ৰত্যেকেই সৃষ্টি বিজ্ঞানবিদ আছিল।
- প্ৰাচীন গ্ৰীক দৰ্শন জগতৰ মূল সত্বা বিচাৰি উদ্ধৰ হৈছিল।
- আইওনিক দৰ্শনৰ প্ৰগতিত 'জড়বাদ' এটা মূল শব্দ।
- সংখ্যাৰ পাইথাগোৰিয়ান প্ৰণালীয়ে আধুনিক বুদ্ধিবাদী দাৰ্শনিক যেনে ঃ ডেৰ্কাট, স্পিনোজা, লাইবনিজ, কাণ্ট, ৰাছেল আদিক প্ৰভান্বিত কৰিছিল।
- ৰাছেলৰ মতে প্লেটোৰ দৰ্শনৰ সাৰভাগ পাইথাগোৰিয়ান বৈশিষ্ট্যৰ।
- পাইথাগোৰিয়ান সংখ্য ৰহস্যবাদে ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণকে নিৰ্দেশ কৰে।
- পাইথাগোৰাছৰ সংখ্যাতত্বইহে কেৱল সম্বন্ধ আৰু একতা, নীতি আৰু নিয়মৰ সকলো সমস্যা সমাধান কৰিব পাৰে। "সংখ্যা প্ৰকৃত সত্বা, বস্তুৰ ভিত্তি আৰু প্ৰত্যেক বস্তুৱেই সংখ্যাৰ উক্তি হ'বই লাগিব।"
- পাইথাগোৰাছে 'সংখ্যাতত্বই যে এই জগতৰ সমগ্ৰ বস্তুৰ নীতি'-এই মতবাদ অৱতাৰণা কৰিছে। এই সংখ্যাতত্বই কেৱল সম্বন্ধ আৰু একতা, নীতি আৰু নিয়মৰ সমস্যাটো সমাধা কৰিব পাৰে। "সংখ্যাই প্ৰকৃত সত্য সকলো বস্তুৰ আধাৰ আৰু সকলো বস্তু সংখ্যাৰ এক

অভিব্যক্তি।" জ্যোর্তিবিজ্ঞান আৰু নীতিবিজ্ঞান উভয়ৰে মূল ভিত্তি এই সংখ্যাতত্ব নাইবা সংখ্য ৰহস্যবাদতেই মূল ভিত্তি নিহিত আছে।

৩.৮ অধিক জানিবলৈ

১) Thilly, Frank, A History of philosophy, Central Book Depot, Allahabad.
২) Stace, W.T. State: A critical History of Greek Philosophy, macmillan & Company Ltd.
৩) Mashih Y.A. Critical History of Western Philosophy. Motilal Banarsidass Publishers Delhi.

৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্র ঃ উ ঃ ক) থেলিচ, এমাক্সিমেণ্ডাৰ আৰু এনাক্সিমিনিচ.

খ) জড়বাদ

গ) জগত কাৰণ সম্পৰ্কীয় বা সৃষ্টিকাৰণ সম্পৰ্কীয়

ঘ) জীৱন্ত

২ নং প্র ঃ উঃ

ক) অসত্য খ) অসত্য গ) সত্য ঘ) সত্য

৩ নং প্র ঃ উঃ বৈশিষ্ট্যসমূহ হ'ল-

১) গ্রীক দর্শন কেৱল প্রকৃতিৰ লগত জড়িত।

২) গ্রীক দর্শন কেৱল বাহ্যিক জগতৰ লগত জড়িত।

৩) গ্রীক দর্শন প্রকৃতিৰ অংশ ৰূপে মানুহৰ লগত সম্পর্কযুক্ত।

৪ নং প্রঃ উঃ থেলিচ, পাইথাগোৰাছ, হেৰাক্লিটাচ

৫ নং প্র ঃ উঃ থেলিচ

৬ নং প্র ঃ উঃ থেলিচে ধাৰণা কৰে যে পানীৰ গোটা, জুলীয়া আৰু বাষ্পীয় ৰূপ বহন কৰিব পৰা ক্ষমতা আছে। থেলিচে প্রকৃতিৰ ক্রিয়াশীলতা আৰু সৃষ্টিশীলতা বৈশিষ্ট্যক নিৰীক্ষণ কৰি তেওঁৰ সিদ্ধান্ত নিঃসৃত কৰিছিল আৰু দেখা পাইছিল যে পুষ্টিকৰ সকলো বস্তুৰেই সেমেকা আৰু আনকি প্রকৃত উত্তাপো ইয়াৰ পৰা নির্গত হয় আৰু প্রাণীৰ জীৱন পানীৰ দ্বাৰাই বর্তি থাকে।

৭ নং প্র ঃ উঃ তেওঁ ইয়াক 'সীমাহীন নাইবা অসীম এক চিৰন্তন, ধ্বংসবিহীন দ্রব্য য'ৰ পৰা সকলো বস্তু উৎপত্তি হয় আৰু য'লৈ সকলো বস্তু পুনৰ ঘুৰি যায় বুলি আলোচনা কৰিছে।

৮ নং প্র ঃউঃ সীমাহীন ধংবসবিহীন দ্রব্যৰ আলোচনাৰ সন্দর্ভত এনাক্সিমেণ্ডাৰে এক একক, সার্ধিক আৰু নিৰাকাৰ জড়ীয় মূল সত্বাৰ এটা অতি গুৰুত্বপূর্ণ নীতিৰ অৱতাৰণা কৰিছে। এই

সীমাহীন বা বন্ধনহীন (Boundless) কিছুমানেই হ'ল বস্তুজগতৰ আদিমূল সত্বা। ইয়াৰোপৰি তেওঁ উল্লেখ কৰিছে যে বস্তুবোৰ এই নিৰাকাৰ সাৰ্বিক নীতিৰ কাৰণ হ'ব নোৱাৰে।

৯ নং প্ৰ ঃ উ ঃ

ক) যুক্তিবাদী আৰু সুনির্দিষ্ট চিন্তাবিদ।

খ) সংক্ষেপণ আৰু বিস্তৃতকৰণ।

গ) ডেম'ক্রেটাছ

১০ নং প্ৰ ঃউ ঃ

ক) সত্য (খ) অসত্য গ) অসত্য ঘ) সত্য

১১ নং প্ৰ ঃউঃ

ক) পৰিভ্ৰমণ বা গতিশীলতা

খ) পৰিবৰ্ত্তনীয় আৰু

গ) অন্তর্নিহিত শক্তি

১২ নং প্ৰ ঃ উঃ

কেনেকৈ জানিব পাৰি (knowing how)

৩.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰ ঃ ১. আইওনিক সম্প্ৰদায়ক জড়বাদী সম্প্ৰদায় বুলি ধৰা হয়নে?

প্ৰ ঃ ২. হাইল'জ'ইষ্ট বুলিলে কাক বুজোৱা হয়।

প্ৰ ঃ ৩. আইওনিক দাৰ্শনিক সকলৰ নাম লিখা।

প্ৰ ঃ ৪. দুজন হাইল'জ'ইষ্ট চিন্তাবিদৰ নাম উল্লেখ কৰা।

প্ৰ ঃ ৫. কোনে ধাৰণা কৰিছিল- 'পানীয়েই একমাত্ৰ আদিমূল সত্বা।'

প্ৰ ঃ ৬. এনাক্সিমিনিচৰ মতে জগতৰ আদিমূল সত্বা কি?

প্ৰ ঃ ৭. বায়ুৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰ ঃ ৮. সংক্ষেপণ কি?

প্ৰ ঃ ৯. কোনো গুণগত বিভিন্নতা পৰিমানগত পদলৈ ৰূপান্তৰ হোৱা' মত বাদটো আগবঢ়াইছিল?

খ) চমু প্ৰশ্ন

প্ৰ ঃ ১. গ্ৰীক দৰ্শনৰ তিনিটা মূল বৈশিষ্ট্য কি কি?

প্ৰ ঃ ২. পৰিবৰ্ত্তনৰ সমস্যাৰ লগত জড়িত মৌলিক বিচাৰ্য বিষয়বোৰ কি?

প্ৰ ঃ ৩. এনাক্সিমিনিচে আগবঢ়োৱা বায়ুৰ দুটা বিপৰীত নীতিৰ ওপৰত চমুকৈ মন্তব্য আগবঢ়োৱা।

প্ৰ ঃ ৪. সংক্ষেপণ আৰু বিস্তৃতকৰণৰ মাজত থকা পাৰ্থক্যবোৰ চমুকৈ দেখুওৱা।

প্ৰ ঃ ৫. 'কেনেকৈ জানিব পাৰি'- পদ্ধতি বুলিলে কি বুজা? এনামিক্সমিনিচৰ মতে চমুকৈ ব্যাখ্যা কৰা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০ শব্দৰ ভিতৰত)

প্ৰ ঃ ১. জগত কাৰণ নাইবা সৃষ্টিতত্বৰ চিন্তাবিদ হিচাপে থেলিচৰ দৰ্শন ব্যাখ্যা কৰা।

প্ৰ ঃ ২. থেলিচে কিয় গ্ৰীক দৰ্শনৰ পিতৃ আখ্যা দিয়া হয়? ব্যাখ্যা কৰা।

প্ৰ ঃ ৩. জগতখন যে এটা জীৱ বা জীৱন্ত অবয়ব সেই কথা এনাক্সিমিনিচে কিয় সমৰ্থন কৰিছিল? আলোচনা কৰা।

প্ৰ ঃ ৪. পাইথাগোৰাছ আৰু তেওঁৰ পূৰ্বজসকলৰ মাজত থকা পাৰ্থক্যসমূহ ব্যাখ্যা কৰা।

প্ৰ ঃ ৫. পাইথাগোৰাছে কেনেদৰে প্লেটো আৰু আন আন বুদ্ধিবাদী দাৰ্শনিকক প্ৰভান্বিত কৰিছে? বহলাই লিখা।

****

অধ্যায় ৪ ঃ জেনোৰ বিৰোধভাব

অধ্যায়ৰ গাঠনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ জীৱন আৰু লিখনি

৪.৪ দ্বান্দ্বিক পদ্ধতি

৪.৫ জেনোৰ বহুত্ব আৰু গতিৰ বিপেক্ষ যুক্তি

৪.৬ দেশ

৪.৭ সমালোচনা

৪.৮ অধ্যায়টিৰ পৰা কি শিকিলো

৪.৯ অধিক জানিবলৈ

৪.১০ অগ্রগতিৰ খতিয়ান

৪,১১ উদ্দেশ্য

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পিছত আপুনি সক্ষম হ'ব—

- জেনোৰ বহুত্বৰ বিৰুদ্ধে যুক্তি ব্যাখ্যা কৰিবলৈ
- জেনোৰ গতি সম্বন্ধে এটা ধাৰণা পাবলৈ
- জেনো দ্বান্দ্বিক পদ্ধতি বুজিবলৈ
- পাশ্চাত্য দর্শনত জেনোৰ গুৰুত্ব বোধগম্য কৰিবলৈ

৪.২ আৰম্ভণি ঃ

এই অধ্যায়টোৱে জেনোৰ গতি আৰু বহুত্ব বিৰুদ্ধে যুক্তিৰ পৰিচয় দাঙি ধৰিছে। জেনো মেগনা গ্রেচিয়াৰ প্রাচীন চক্রেটিয় গ্রীক দার্শনিক আৰু পার্মেনাইডিচৰ এলিয়াটিক সম্প্রদায়ৰ এজন সদস্য আছিল। তেওঁ এলিয়াটিক সম্প্রদায়ৰ তৃতীয় আৰু অন্তিমজন চিন্তাবিদ আছিল। তেওঁ বিৰোধাভাস কাৰণে জনাজাত। জেনোৰ গতিৰ বিৰুদ্ধে যুক্তিৰ সমূহৰ প্রকৃতিৰ মূল উৎস হৈছে এৰিষ্টটল আৰু চিলিচিয়াৰ চিম্পলিচিয়াচৰ লেখনি। এৰিষ্টটল আৰু তেওঁৰ অনুগামীসকলে জেনোক দ্বান্দ্বিক পদ্ধতিৰ উদ্ভাৱক বুলি অভিহিত কৰিছিল। জেনোৰ যুক্তিসমূহ প্রমাণীকৰণৰ

পদ্ধতি 'eeductio ad absurdum' ৰ প্ৰথম উদাহৰণ যাক বিৰোধীতাসিদ্ধ প্ৰমাণ বুলি কোৱা হয় আৰু ইয়াৰ আক্ষৰিক অৰ্থ— 'অমূৰ্তলৈ পৰ্যবসিতকৰণ'।

জেনোয়ে পাৰ্মেনাইডিচৰ সত্তা সম্বন্ধীয় মতবাদটোক সমৰ্থন কৰিছিল। তেওঁ পাৰ্মেনাইডিচৰ সত্তা সম্বন্ধীয় মতবাদক সমৰ্থন কৰি নিজস্ব যুক্তিৰে আগুৰাই নিয়াৰ চেষ্টা কৰি দেশ আৰু কালৰ এক নিশ্চিত তথা সঠিক চৰিত্ৰ দাঙি দৰাৰ প্ৰয়াস কৰিছিল। পাৰ্মেনাইডিচে কৈছিল যে বিশ্ব জগতখনৰ জ্ঞান ভ্ৰান্ত। এই জগতখন ভ্ৰান্ত হোৱাৰ কাৰণ হ'ল বহু প্ৰকাশিতা আৰু গতি। সেয়েহে জেনোৱে বহু প্ৰকাশিতা আৰু গতিৰ বিৰুদ্ধে নিজস্ব মত দাঙি ধৰিছিল যাক জেনোৰ বিৰোধাভাস নামেৰে জনা যায়।

জেনোৰ বিৰোধাভাসসমূহ গতিৰ ভ্ৰমৰ বাদে একো নহয়। এই কথা প্ৰমাণ কৰা মাত্ৰ এক কৌশল। জেনোৰ বিখ্যাত বিৰোধাভাসসমূহ হ'ল— দৌৰ প্ৰগতিৰ বিৰোধাভাস, একিলিচ আৰু কাছৰ বিৰোধাভাস, কাঁড়ৰ বিৰোধাভাস, কাঁড়ৰ বিৰোধাভাস আৰু গতিশীল শাৰী। জেনোৰ বিৰোধাভাস শ শ বছৰ ধৰি তৰ্কবিদ আৰু গণিতজ্ঞসকলক সম্মোহীত কৰি আহিছে আৰু এই বিৰোধাভাসকক চক্ৰেটিছৰ দ্বান্দ্বিক পদ্ধতিৰ উৎস বুলি গণ্য কৰা হৈছে।

৪.৩ জীৱন আৰু লিখনি ঃ

জেনো এলিয়াটিক সম্প্ৰদায়ৰ এজন প্ৰাচীন চক্ৰেটিয় দাৰ্শনিক আছিল। তেওঁ জন্ম প্ৰায় ৪৯০ খ্ৰীষ্টাব্দৰ দক্ষিণ ইটালীৰ এলিয়া নামৰ ঠাইত আৰু মৃত্যু ৪৩০ খ্ৰীষ্টাব্দ। তেওঁ পাৰ্মেনাইডিচৰ শিষ্য আৰু বন্ধু আছিল। জেনোৰ জীৱন সম্পৰ্কে বহু কম নিৰ্ভৰযোগ্য তথ্য পোৱা যায়। জেনোৰ জীৱন সম্পৰ্কীয় মুখ্য তথ্যসমূহ হ'ল প্লেটোৰ 'Parmenides' আৰু এৰিষ্টটলৰ 'Physics'। প্ৰবাদ অনুযায়ী জনা যায় যে জেনো পাৰ্মেনাইডিচতকৈ ৪০ বছৰ সৰু। পাৰ্মেনাইডিচৰ 'ডায়লগত' প্লেটোৱে বৰ্ণনা কৰিছিল যে একেলগে পাৰ্মেনাইডিচ আৰু জেনোৱে এথেন্সলৈও গৈছিল। য'ত পাৰ্মেনাইডিচৰ বয়স ৬৫, জেনোৰ বয়স আছিল প্ৰায় ৪০ আৰু চক্ৰেটিছ সেই সময়ত আছিল এজন চফল যুবক।

প্লেটোৱে জেনোক ওখ আৰু সুন্দৰ মুখাৱয়বৰ ব্যক্তি বুলি বৰ্ণনা কৰিছিল। জেনো টেলিউটাগোৰাচৰ পুত্ৰ লগতে পাৰ্মেনাইডিচৰ শিষ্য আৰু বন্ধু। জেনোৱে বহুত্ববাদী ধাৰণাটো সুন্দৰ ৰূপত দেশৰ লগত সংগতি থকাকৈ বৰ্ণনা কৰিছিল। য'ত দেখা পোৱা গৈছিল কালক্ৰমৰ অসীমত্বৰ ধাৰণাই ক্ৰমবিকাশ লাভ কৰিব পাৰি। অৱধাৰিতা আৰু ক্ৰমবিকাশ সম্পৰ্কীয় ধাৰণাই সেই সময়ত প্ৰভাৱ বিস্তাৰ কৰিছিল। পাৰ্মেনাইডিচৰ সংস্পৰ্শত থাকি জেনোৱে তেওঁৰ নিজস্ব দৰ্শনৰ স্বকীয়তা সুন্দৰ ৰূপত পৰিস্ফুট কৰি তুলিছিল।

জেনোৱে তেওঁৰ গদ্য ৰূপৰ গ্ৰন্থখনত নিজৰ দৰ্শন বিকশিত কৰিছিল। এই গ্ৰন্থখনৰ কথা প্লেটোৰ 'Parmenides' ত থকা ভাষ্যৰ পৰা জনা যায়। পাৰ্মেনাইডিচৰ দৰে জেনোৱেও তেওঁৰ গৃহ নগৰৰ ৰাজনীতিত ভাগ লৈছিল।



জানি থোৱা ভাল

◆ প্লেটোৰ 'Parmenides' ভাষ্য মতে যেতিয়াই জেনোৱেএথেন্স ভ্ৰমণত আহিছিল তেতিয়া জেনোৱে এখন কিতাপ লগত লৈ আহিছিল। এই কিতাপখনক বিৰোধাভাসৰ কিতাপ বুলি কোৱা হৈছিল কিয়নো এই কি তাপখনে পাৰ্মেনাইডিচৰ দৰ্শনক সমৰ্থন কৰিছিল। জেনোৰ ১০০০ বছৰৰ পিছত গ্ৰীক দাৰ্শনিক প্ৰক্লুজ আৰু চিম্পলিচিয়াচে এই কিতাপখন আৰু যুক্তিসমূহৰ ওপৰত মন্তব্য দিছিল। প্ৰক্লুজ হৈছে প্ৰথমজন ব্যক্তি যিজনে মন্তব্য দিছিল যে এই কিতাপখন চল্লিশটা যুক্তিৰ দ্বাৰা গঠিত। কিন্তু দুভাগ্যজনক ভাৱে জেনোৱে কেতিয়া নিজৰ বিৰোধাভাস প্ৰতিষ্ঠা কৰিছিল তাৰ কোনো নিৰ্দিষ্ট তথ্য পোৱা নাযায়। লগতে জেনোৱে কেনেকৈ নিজৰ বিৰোধাভাস সমূহ দাঙি ধৰিছিল তাৰ বিষয়েও অতি সীমিত জ্ঞান পোৱা যায়।

◆ জেনোৰ পূৰ্বৱৰ্তী গ্ৰীক দাৰ্শনিক সকলে তেওঁলোকৰ দাৰ্শনিক মতবাদ সমূহ কাব্য যোগেদি প্ৰকাশ কৰিছিল। জেনোৱে পদ্যৰ পৰা গদ্যলৈ ৰূপান্তৰিত কৰিলে য'ত আশ্ৰয় বাক্য আৰু সিদ্ধান্ত মুকলি কৰি দেখুওৱা হৈছে।

৪.৪ দ্বান্দ্বিক পদ্ধতি ঃ

এৰিষ্টটল আৰু তেওঁৰ অনুগামী ছফিষ্টসকলে জেনোক দ্বান্দ্বিক পদ্ধতিৰ উদ্ভাৱক বুলি গণ্য কৰে। কিয়নো সাম্প্ৰতিক সময়ৰ এলিয়াটিক সম্প্ৰদায় তেতিয়াৰ পৰা আৰম্ভ হৈছিল। প্ৰকৃততে দ্বান্দ্বিক পদ্ধতি আছিল এক সৰল আলোচনা। কিন্তু পিছলৈ এই পদ্ধতিয়ে প্ৰসাৰতা লাভ কৰিলে য'ত সন্নিবিষ্ট হৈ পৰিছিল বহুতো যৌক্তিক গাঁঠনি। ইয়াৰ ফলত এলিয়াটিক শাখাই সত্য, মিছা আদি বিৰোধবাধক দিশত মনোনিৱেশ কৰিলে। ফলস্বৰূপে পৰিলক্ষিত হ'ল যুক্তিৰ আদান প্ৰদান। এজনে আনজনৰ বহুত্ব বা গতি সম্বন্ধীয় দিশত নানান যুক্তিৰ অৱতাৰণা কৰিলে। এই দুটা ধাৰণাৰ সপক্ষে বিপক্ষে যুক্তি দাঙি ধৰিলে য'ত পোৱা গ'ল অশব্দতাৰ ধাৰণা। জেনোৱে অশব্দতাৰ ধাৰণাটোক 'Aporia' বুলি অভিহিত কৰিছে। প্ৰাচীন গ্ৰীক দৰ্শনৰ 'Aporia' ধাৰণাটোক এক সমস্যা বা সাঁথৰ বুলি ধৰা হয় যিটো সমাধান কৰাটো অতি কঠিন কিয়নো ধাৰনাটোত কিছু বিৰোধিতা থাকে।

৪.৫ জেনোৰ বহুত্ব আৰু গতিৰ বিপক্ষে যুক্তি

এলিয়াটিক সম্প্রদায়ৰ মূল নীতি 'All is one' ক পার্মেনাইডিচ আৰু জেনোৱে তেওঁলোকৰ দর্শনত উত্তম ভাৱে প্রকাশ কৰিছে। পার্মেনাইডিচৰ মতে সত্তাই হৈছে একমাত্র সত্য আৰু ইয়াৰ কোনো পৰিৱর্তন নাই। জেনোৱে পার্মেনাইডিচৰ সত্তা সম্বন্ধীয় মতবাদক সমর্থন কৰিছিল। তেওঁৰ মতে সত্তা গতিশীল, স্থিৰ আৰু অপৰিৱর্তনীয়। পার্মেনাইডিচে মত পোষণ কৰিছে যে ইন্দ্রিয়গ্রাহ্য জগতখন ভ্রান্ত আৰু অসত্য। এই জগতৰ অনিবার্য হ'ল দুটা। সেইয়া হ'ল— বহুত্ব আৰু গতি। পার্মেনাইডিচৰ গতিৰ পৰিৱর্তনীয় ধাৰণাটো তর্কীয়ভাৱে চিন্তাত্মকো নহয় আৰু প্রকাশিতও নহয়। তেওঁৰ মতে ' whatever exists must be absolutely or not at all'। জেনোৱে পার্মেনাইডিচৰ মতক সমর্থন কৰি কয়— ইন্দ্রিয়ানুভুতিয়ে বস্তুসমূহৰ ভ্রান্ত জ্ঞান দিয়ে। যথার্থ সত্যতা হ'ল এক, যাৰ আৰঁত দেখা যায় ভ্রান্তৰ ধাৰণা। এই অপৰিৱর্তনীয় সত্যতাটো হ'ল স্থিৰ। জেনোৰ মতে চিন্তাইহে কেৱল সত্ত্বাৰ সম্পর্কত জ্ঞান দিয়ে। তেওঁৰ গতিৰ মতবাদটোক আত্ম-বিৰোধ মতবাদ বুলি অভিহিত কৰাৰ লগতে 'প্রবাহ'ৰ মতবাদটোক অস্বীকাৰ কৰিছে। জেনো আৰু পার্মেনাইডিচৰ পূর্বৱর্তী ব্রহ্মাণ্ড বিজ্ঞানীসকলৰ মতে গতি আৰু পৰিৱর্তন প্রকৃত। জেনোৱে নিজৰ যুক্তিসমূহ বহুত্ব আৰু গতিৰ বিপক্ষে প্রয়োগ কৰি পার্মেনাইডিচৰ সিদ্ধান্তসমূহৰ সমর্থন কৰি মন্তব্য দিয়ে— বহুত্ব আৰু গতি অসম্ভৱ।

জানি থোৱা ভাল



◆ তেওঁ নিজৰ বিৰোধাভাসত পৰোক্ষ প্রমাণীকৰণ পদ্ধতিটো প্রয়োগ কৰিছিল। যদিও এই পদ্ধতিটো তেওঁ গুৰু পার্মেনাইডিচৰ লগত আৰম্ভ কৰিছিল, কিন্তু জেনোৱেহে পদ্ধতিগত ভাৱে প্রকাশ কৰিছিল।

◆ জেনোৱে ৪০টা বিৰোধাভাস সৃষ্টি কৰিছিল যাৰ ভিতৰত কেৱল মাত্র ১০ টাহে জনা যায়।

◆ আৰু প্রথম চাৰিটা বিৰোধাভাসে জেনোৰ দর্শনক এক মানদণ্ড মূলক অর্থ প্রদান কৰিছে।

৪.৫.১ বহুত্বৰ বিপক্ষে যুক্তি ঃ

জেনোৱে যুক্তি দিছিল, যদি আমি বহুত্ব মতবাদটো মানি ল'ও তেন্তে আমি এটা বিৰোধিতাত উপনিত হ'ম। সেয়ে বহুত্বৰ ধাৰণাটো এটা আত্ম-বিৰোধী ধাৰণা। জেনোৰ বহুত্বৰ বিপক্ষে দিয়া যুক্তি সমূহ তলত উল্লেখ কৰা হ'ল—

ক) **বৃহৎ অসীমভাৱে ক্ষুদ্ৰ (Large and Small) :** যদি সত্তা বা অস্তিত্ব বহু তেন্তে প্ৰত্যেক বস্তুৱেই এককৰ সমষ্টি। কিন্তু প্ৰত্যেক এককেই অবিভাজ্য হ'ব, যদি এককবোৰ বিভাজিত হয়, তেনেহ'লে সেইবোৰ একক নহ'ব। যিহেতু এককবোৰ অবিভাজ্য গতিকে ইয়াৰ কোনো আয়তন নাথাকিব। কাৰণ যাৰ আয়তন আছে সি বিভাজ্য। গতিকে বহু এককৰ দ্বাৰা গঠিত বাবে বহুৰ কোনো আয়তন নাই। কিন্তু বহুৰ এককবোৰ যদি কোনো আয়তন নাথাকে, তেন্তে বহুৰো কোনো আয়তন দেখা পোৱা নাযাব। গতিকে বহু অসীমভাৱে ক্ষুদ্ৰ।

খ) বহু অসমীভাৱে বৃহৎ (The many must be infinitely large)

আনহাতে, যদি একক অসীমভাৱে অবিভাজ্য তেন্তে ই এককৰ সমষ্টি। যিবোৰ অসীমভাৱে অবিভাজ্য। যি বিভাজ্য তাৰ আয়তন থাকিব। গতিকে প্ৰতিটো এককৰ আয়তন আছে আৰু স্বাভাৱিকতে এইবোৰ আকৌ বিভাজিত হ'ব। সেইকাৰণে বহু অসীম ভাৱে বিভাজিত। গতিকে, বহু আয়তনযুক্ত অসমীসংখ্যক অদৰ্শৰ দ্বাৰা গঠিত হ'ব। ক্ষুদ্ৰ ক্ষুদ্ৰ আয়তনক অসীমভাৱে পুৰণ কৰিলে অসীম হৈ পৰে। গতিকে বহু অসীমভাৱে বৃহৎ হ'ব। কিন্তু, জেনোৰ মতে— বহু ক্ষুদ্ৰ আৰু বৃহৎ দুয়োটাই হ'ব নোৱাৰে। গতিকে বহুৰ ধাৰণা স্ববিৰোধিতাৰে পূৰ্ণ ভ্ৰান্ত ধাৰণা।

২) সীমিত আৰু অসীমিত (Limited and Unlimited)ঃ যদি আমি বহুত্বৰ সত্তাক স্বীকাৰ কৰোঁ, তেন্তে জগতখন এসময়ত সীমিত আৰু অসীমিত হ'ব।

ক) বহু সীমিত (The many must be limited)

যদি আমি বহুত্বৰ সত্তাক স্বীকাৰ কৰোঁ, তেন্তে জগতখন এসময়ত সীমিত আৰু অসিমীত হ'ব। যদি এককবোৰ অবিভাজ্য, তেন্তে এককবোৰ সীমিত। কিয়নো প্ৰতিটো একক আয়তনৰ লগত সংযুক্ত। যদি প্ৰতিটো একক সীমিত হয়, তেন্তে জগতখন সীমিত এককৰদ্বাৰা গঠিত এক সমগ্ৰতা।

খ) বহু অসীমিত (The many must be unlimited)

আকৌ ক'ব পাৰি —প্ৰতিটো এককেই আয়তনৰ অধীন। দেখাযায়, প্ৰতিটো একক আয়তনৰ লগত সম্পৰ্কযুক্ত। যদি প্ৰতিটো একক সীমিত হয়, তেন্তে জগতখন সীমিত এককৰদ্বাৰা গঠিত এক সমগ্ৰতা।

৩) মিল আৰু অমিল (Alike and Unlike)

জেনোৰ মতে, যদি বস্তুবিলাক বহু হয়, তেন্তে সেইবিলাক একে আৰু বেলেগ দুয়োটাই হ'ব পাৰে। কিন্তু ই অসম্ভৱ। কিয়নো অমিল বস্তুবোৰ কেতিয়াও একে হ'ব নোৱাৰে বা মিল থকা বস্তুবোৰো কেতিয়াও বেলেগ হ'ব নোৱাৰে। জেনোৰ বক্তব্য হৈছে— ধৰা হ'ল বস্তুৰ বহুত্ব আছে উদাহৰণস্বৰূপে, কিছুমান মানুহ আৰু কিছুমান পৰ্বত। এই সমূহ বস্তুৰ মাজৰ সাধাৰণ লক্ষণ হৈছে ভৰ বা ওজন। ইয়াৰ অৰ্থ হ'ল এইবোৰ প্ৰকৃততে একে প্ৰকাৰৰ বস্তু আৰু গতিকে সেইবিলাক বহুত্ব নহয়।

ইয়াত, প্লেটোৱে জেনোক দোষাৰোপ কৰি কৈছে— এটা বস্তু আন এটা বস্তুৰ লগত এটা দিশত একে হ'লেও বেলেগ এটা দিশত তাৰ লগত একে নহ'বও পাৰে। উদাহৰণস্বৰূপে, মানুহ আৰু পর্বত একে কিয়নো দুয়োবিধ গধুৰ। কিন্তু বুদ্ধিৰ ক্ষেত্রত দুয়োটাই বেলেগ।

৪.৫.২ গতিৰ বিপক্ষে যুক্তি ঃ

জেনোৰ ব্যক্ত কৰিছিল যে যদি বহুত্ব ভ্রান্ত হয়, তেন্তে গতিও ভ্রান্ত হ'ব। তেওঁ গতিৰ সম্ভাৱনাৰ কাৰণে চাৰিটা যুক্তি আগবঢ়াইছে যাক গতিৰ বিৰোধাভাস বুলি কোৱা হয়। জেনোৰে যুক্তিসমূহ প্রমাণীকৰণ পদ্ধতি 'Reductio Ad Absurdum' ৰ প্রথম উদাহৰণ যাক বিৰোধীতাসিদ্ধ প্রমাণ বুলি কোৱা হয়। জেনোৰ বিৰোধ মতে এনে দেখুৱাইছে যে বাহ্যিক দ্রব্যত সাধাৰণভাৱে আছে বুলি বিশ্বাস থকা গতিৰ ধাৰণাটো বিমূর্ত। বিৰোধাভাস হৈছে এনে এক যুক্তি যি এনেকুৱা বিবৃতিত আৰম্ভ হয় যাক সঁচা বুলি ভাবি লোৱা হয়। জেনোয়ে পৰোক্ষ প্রমাণক নিজৰ বিৰোধাভাসত প্রয়োগ কৰিছে। যদিও পার্মেনাইডিচ এই যুক্তি ব্যৱহাৰ কৰা প্রথম ব্যক্তি, কিন্তু জেনো আছিল বহু বিখ্যাত।



চিন্তাচর্চা কৰক ঃ ১.১

- হেগেলৰ লগত সংগতি ৰাখি জেনোৰ দ্বান্দ্বিক পদ্ধতিৰ বিষয়ে আলোচনা কৰক।
- *Reductio ad absurdum* বুলিলে কি বুজে?

গতিয়ে A আৰু B ৰ মাজৰ দূৰত্বক সংযোগ কৰে। A আৰু B ক এডাল ৰেখাৰে প্রতিনিধিত্ব কৰিব পাৰি। প্রতিডাল ৰেখাকে সীমাহীন অংশত ভগাব পাৰি আৰু প্রতিটো অংশ অতিক্রম কৰিবলৈ সীমাহীন সময়ৰ প্রয়োজন হয়। সেয়েহে, যিমানেই কম দূৰত্ব নহওঁক তাক অতিক্রম কৰিবলৈ সীমাহীন সময়ৰ প্রয়োজন হ'ব, যিটো সসীম মানুহৰ ক্ষেত্রত প্রযোজ্য নহয়। গতিকে দূৰত্বৰ মাজত গতি সম্ভৱ নহয়।

১) দৌৰ প্রগতিৰ বিৰোধাভাস (The paradox of race course) :-

এই বিৰোধাভাসৰ মতে কোনো এক দূৰত্ব অতিক্রম কৰিবলৈ, প্রথমতে ইয়াৰ আধা অতিক্রম কৰিব লাগিব। তাৰ পিছত আৰু আধা অতিক্রম কৰিবলৈ বাকী থাকিব। এই প্রক্রিয়া অসীমভাৱে চলিয়েই থাকিব আৰু সদায় এটা অংশ অতিক্রম কৰিবলৈ বাকী থাকিব। গতিকে এজন ব্যক্তিৰ কাৰণে এটা বিন্দুৰ পৰা আন এটা বিন্দুলৈ যোৱাটো অসম্ভৱ।

২) একিলিচ আৰু কাছৰ বিৰোধাভাস (The Paradox of Achilles and the Tortoise):

একিলিচ আৰু কাছৰ মাজত দৌৰ হয়। এই দৌৰত যদি কাছক একিলিচৰ অলপ আগত

ৰখা হয়, তেনেহ'লে একিলিচে কেতিয়াও কাছৰ লগ ধৰিব নোৱাৰে। কাৰণ একিলিচে প্ৰথমতে কাছ ৰখি থকা স্থান পাব লাগিব। কিন্তু সেইখিনি পাওঁতে কাছ আৰু কিছু দূৰ আগবাঢ়ি যাব। তেতিয়া একিলিচে সেই ঠাই পাব লাগিব,। যদিও একিলিচ আগবাঢ়ি যায় কাছও আগবাঢ়ি যাব আৰু ফলত একিলিচে কেতিয়াও কাছৰ লগ ধৰিব নোৱাৰিব।

৩) কাঁড়ৰ বিৰোধাভাস (The Paradox of Arrow) :-

জেনোৱে প্ৰমাণ কৰিছিল যে কোনো কাঁড় গতিশীল নহয়। জেনোৱে এডাল উৰি যোৱা কাঁড়ৰ বৰ্ণনা কৰি কৈছে যে এটা বস্তু একে সময়তে দুঠাইত থাকিব নোৱাৰে। কাঁড়ডাল উৰি যাওঁতে এটা সময়ত এটা ঠাইতহে থাকিব দুটা ঠাইত থাকিব নোৱাৰে। কিন্তু এটা ঠাইত থকাটো স্থিৰ থকা বুজায়। সেইকাৰণে কাঁড়ডাল উৰি যাওঁতে প্ৰত্যেক মুহূৰ্ততে ই স্থিৰ থাকে। গতিকে গতি অসম্ভৱ।

৪) খেলপথাৰৰ বিৰোধাভাস (The Paradox of Stadium) :-

এই বিৰোধাভাসৰ মতে সমান গতিবেগৰ দ্বাৰা সমস্থান সম সময়ত অতিক্ৰম কৰা যায়। ধৰা হ'ল A, B আৰু C তিনিটা শাৰী আছে। A শাৰীটো স্থিৰ, B আৰু C বিপৰীত দিশত সমান বেগত গতি কৰিছে। এতিয়া সকলো শাৰী একে বেগত গতি কৰিলে সমান দূৰত্বক সম সময়ৰ ভিতৰত অতিক্ৰম কৰিব লাগিব। সকলো শাৰীয়ে সমান, যিহেতু B শাৰীটো A ৰ আধা অতিক্ৰম কৰে, গতিকে C শাৰীটো B ক অতিক্ৰম কৰিবলৈ অধিক সময়ৰ প্ৰয়োজন হয়। সেয়ে প্ৰদত্ত অৰ্ধেক সময় সমগ্ৰ সময়ৰ সমান।



জানি থোৱা ভাল

আধুনিক যুগত এই যুক্তিক 'স্ববিৰোধ' বা 'Antinomy' বুলি কোৱা হয়। এইটো এনে এক প্ৰমাণ বা যুক্তি— যি যুক্তি অনুসৰি এটা স্বীকৃত বিষয়ৰ পৰা যদি দুটা পৰস্পৰবিৰুদ্ধ বচন নিঃসৃত হয়, তেনেহ'লে স্বীকৃত বচনটো মিথ্যা বুলি প্ৰমাণিত হ'ব।

৪.৬ দেশ

জেনোৰ বহুত্ব আৰু গতিৰ যুক্তিসমূহ পৰিমাণগতভাৱে জুখিব পৰা দেশ, কাল বা যিকোনো বস্তুৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব পাৰি। গতিকে দেশ কিছু কাৰণৰ বাবে অসম্ভৱ। যদি আমি কওঁ, সকলো সত্তা দেশত আছে, আমি ধৰি লব লাগিব যে, সেই দেশ কোনো এটা দেশত অৱস্থিত।

জেনোৰ অসীম দেশৰ ধাৰণাটো নিজেই এটা আত্ম-বিৰোধী ধাৰণা। তেওঁ মতপোষণ

কৰে যে, অস্তিত্ব আছে আৰু নাই এই দুয়োতাই বিৰুধী। ইয়াৰ অর্থ হৈছে কোনো নির্দিষ্ট আৰু সীমিত দেশ থাকিব লাগিব। গতিকে দেশ সসীম। আনহাতে, দেশৰ কোনো সীমা কল্পনা কৰিব নোৱাৰি। গতিকে দেশ অসীম।

প্রকৃততে জেনোৱে দেশৰ বিৰুদ্ধে মত দাঙি ধৰিছিল। তেওঁ পার্থক্য আনিছিল— দেশ দেহৰ পৰা পৃথক। যদি দেখা যায়, দেহ দেশৰ পৰা পৃথক তেন্তে তাত নিজস্ব ধাৰণাৰে প্রকাশিত নহয়। এই ধাৰণাটো পার্মেনাডিচৰ শূণ্য সম্বন্ধীয় ধাৰণা ৰূপে গণ্য কৰা হৈছে।

কার্য ঃ ২

- জেনোৰ দর্শন আৰু পাশ্চাত্য দর্শনত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰা।

৪.৭ সমালোচনা ঃ

জেনোৰ যুক্তিসমূহ বাস্তৱত একেটা যুক্তিৰ পৰিৱর্তন। তেওঁ আগবঢ়োৱা যুক্তিসমূহ এটা মাত্র যুক্তিৰ ওপৰত নির্ভৰ কৰিছে যাক 'অসীম বিভাজনৰ স্ব-বিৰোধ' (antinomy of infinite divisibility) বুলি কোৱা হয়। এই যুক্তিসমূহ পৰিমাণগতভাৱে জুখিব পৰা দেশ, কাল বা যিকোনো বস্তুৰ ক্ষেত্রতে প্রয়োগ কৰিব পাৰি। কিন্তু জেনোৰ গতি বা বহুত্বৰ বিপক্ষে দিয়া যুক্তি সমূহ বহুতো সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয়—

১. জেনো ৰেখা আৰু বিন্দুৰ জ্যামিতিক সংজ্ঞাৰ লগত তথ্যগত আৰু পর্যৱেক্ষিত ৰেখা আৰু বিন্দুৰ খেলিমেলি কৰি পেলাইছে। এটা জ্যামিতিক ৰেখাৰ দৈর্ঘ্য আছে, কিন্তু প্রস্থ নাই। আনহাতে পর্যৱেক্ষিত ৰেখাৰ প্রস্থ আছে। একেধৰণে, জ্যামিতিক বিন্দুৰ কোনো আয়তন নাই, কিন্তু পর্যৱেক্ষিত বিন্দুৰ আয়তন আছে। তদুপৰি এটা জ্যামিতিক ৰেখা অসীমভাৱে বিভাজিত। কিন্তু কোনো তথ্যগত ৰেখা অসীমভাৱে বিভাজিত নহয়।

২. জেনোৱে বিশ্লেষক আৰু সংশ্লেষক উক্তিৰ মাজত খেলিমেলিৰ সৃষ্টি কৰিছে। বিশ্লেষক বচনত সত্যতা বা মিথ্যাতাক প্রমাণ কৰিবলৈ কোনো ধৰণৰ পর্যবেক্ষণৰ প্রয়োজন নহয়। কিন্তু এটা সংশ্লেষক বচন সত্য হয় যদিহে বাস্তৱ তথ্যৰ লগত তাৰ সাদৃশ্য থাকে। এটা দূৰত্ব অসীমভাৱে বিভাজিত নাইবা সময় অসীমভাৱে বিভাজিত কথাবোৰে সংশ্লেষক বচনক বুজায়। কিন্তু বাস্তৱ দূৰত্ব অতিক্রম কৰাটো কিছুমান পর্যবেক্ষিত সময়ৰ দ্বাৰা অসীমভাৱে বিভাজিত হোৱাটো নুবুজায়।

৩. জেনোৱে দেশ আৰু কালক দুটা পৃথক সত্তা হিচাপে স্বীকাৰ কৰিছে। সেইকাৰণে তেওঁ ভাবে যে অসীম সংখ্যক দেশ বা স্থানক অতিক্রম কৰিবলৈ অসীম সংখ্যক সময়ৰ মুহূর্তৰ প্রয়োজন। কিন্তু আধুনিক যুগত দেশ আৰু কালক 'Space-time

continuum' বুলি জনা যায়। দেশ আৰু কালক দুটা পৃথক সত্তা হিচাপে বিবেচনা কৰা হোৱা নাই। দেশ আৰু কালক বাহ্যিক জগতত পৃথক কৰিব নোৱাৰি, কেৱল চিন্তাৰ জগতখনতহে পৃথক কৰিব পাৰি।

জেনোৰ মতে গতি আৰু বহুত্বৰ বাস্তৱ সত্তা নাই। যদি বাস্তৱ সত্তা নাই, তেন্তে প্রকৃততেনো কি? যদি ধৰা হয় জেনোৱে এলিয়াত খোজকাঢ়ি ঘূৰি ফুৰা দেখা পোৱা গ'ল, কিন্তু তাৰ পিছতো ক'ব পাৰি নিকি জেনোৱে খোজকাঢ়ি থকা নাই? তেওঁ এঠাইৰ পৰা আন ঠাইলৈ পাইচাৰি কৰি ঘূৰি ফুৰোতে তাত তথ্যৰ সমন্বয় ঘটা নাই নেকি? জেনোৱে ৰৈ থকা ঠাই টুকুৰা বাহ্যিক জগতৰ অস্তিত্ব নথকাৰ বাবেহে জেনোৱে তেনে মত দাঙি ধৰে। যি অস্তিত্বযুক্ত সি তথ্যৰ সমষ্টি।

জেনোৱে ইন্দ্রিয়ানুভূতি আৰু বুদ্ধিৰ সম্পর্কত পাশ্চাত্য দর্শনলৈ বিশেষ অৱদান আগবঢ়াইছে। কাণ্টেও বুদ্ধি আৰু ইন্দ্রিয়ানুভূতিক সুসংগঠিত ৰূপত পুনৰ বর্ণনা কৰিছে। পৰৱর্তী পর্যায়লৈ কাণ্টেও অসীমতাৰ ধাৰণাক দাঙি ধৰিছে যি মানুহৰ সামর্থ আৰু বুদ্ধি সত্তাৰ ওপৰত নির্ভৰশীল। জেনোৰ বিৰোধাভাসে কাণ্ট আৰু হেগেলৰ দ্বান্দ্বিক পদ্ধতিৰ বিৰুদ্ধে প্রভাৱ পেলাইছে।



অগ্রগতিৰ নিৰীক্ষণ

১। জেনোৰ মতে বহুত্ব প্রকৃত। এইটো সঁচানে?

২। দ্বান্দ্বিক পদ্ধতিৰ উদ্ভাৱক কোন?

৩। 'বহুত্ব হয় ভ্রান্ত' — জেনোৰ মতে এইটো সত্যনে?

৪। 'গতিশীল হয় ভ্রান্ত' — জেনোৰ মতে এইটো সত্যনে?

৫। গতিৰ বিৰোধাভাসৰ প্রৱর্তক কোন?

৬। খালী ঠাই পূৰ কৰা—

ক. জেনো ..... সম্প্রদায়ৰ আছিল।

খ. জেনোৱে ..... সত্তাৰ মতবাদটোক সমর্থন কৰিছে।

গ. জেনোৰ মতে সত্তা হৈছে .....।

জেনো ..... ৰ শিষ্য আছিল।

৭। ইন্দ্রিয়ানুভূতিৰ জগতখন প্রকৃত নে?

৮। সত্তা গতিশীল নে?

৯। দ্বান্দ্বিক পদ্ধতিৰ প্রকৃত অর্থ কি?

১০। জেনোৰ দৰ্শনৰ চাৰিটা বিখ্যাত গতিৰ বিৰোধাভাস কি কি?



৪.৮ অধ্যায়টিৰ পৰা কি শিকিলো

জেনো মেগনা গ্রেছিয়াৰ প্রাচীন চক্রেটিয় দার্শনিক আৰু পার্মেনাইডিচৰ এলিয়াটিক সম্প্রদায়ৰ এজন সদস্য আছিল। পার্মেনাইডিচৰ মতে সত্তা হৈছে এক, নিত্য আৰু অবিনশ্বৰ। বহুত্ব, গতি, অৱভাস আৰু ভ্রান্ত বুলি স্বীকৃতি দিছিল। তেওঁৰ মতে এই জগতখন গতি আৰু বহুত্বৰ ধাৰণাৰে গঠিত। জেনোৱে পার্মেনাইডিচৰ এই মতবাদটোক কিছুমান যুক্তিৰ দ্বাৰা সমর্থন কৰিছিল। তেওঁৰ মতে ইন্দ্রিয়ানুভূতিয়ে এখন ভ্রান্ত জগতৰ ব্যাখ্যা দিয়ে, কেৱল চিন্তাইহে আমাক এখন সঠিক জগতৰ সন্ধান দিয়ে। জেনোৱে যুক্তি দিছিল যে, যদি আমি বহুত্ব আৰু গতিৰ ধাৰণাটোক মানি লওঁ তেন্তে আমি বিৰুধীতাত অন্তর্ভূক্ত হওঁ।

জেনোৱে গতিৰ বিপক্ষে চাৰিটা যুক্তি আগবঢ়াইছে যাক গতিৰ বিৰোধাভাস নামেৰে জনা যায়। তেওঁ এই বিৰোধাভাসৰ মতবাদ সমূহৰ কাৰণে জনাজাত। তেওঁ গতিৰ বিপক্ষে উত্থাপন কৰা চাৰিটা যুক্তি হ'ল— দৌৰ প্রগতিৰ বিৰোধাভাস (The paradox of race course), একিলিচ আৰু কাছৰ বিৰোধাভাস (The paradox of achilles and the tortoise), কাঁড়ৰ বিৰোধাভাস (The paradox of arrow) আৰু খেলপথাৰৰ বিৰোধাভাস (The paradox of stadium)।

জেনোৰ বহুত্ব আৰু গতিৰ যুক্তিসমূহ যদিও প্রভাৱশালী বুলি স্বীকৃত কিন্তু কিছু কিছু ক্ষেত্রত দোষাৰোপত হোৱা দেখা যায়। তেওঁ বিশ্লেষক আৰু সংশ্লেষক উক্তিৰ মাজত খেলিমেলিৰ সৃষ্টি কৰাৰ উপৰিও, তেওঁৰ যুক্তিসমূহৰ প্রয়োজনীয়তাক গ্রহণযোগ্য বুলি বিবেচনা কৰা হৈছে। দেশ আৰু কালৰ সঠিক ধাৰণা নোপোৱালৈকে চিন্তাবিদসকলৰ কাৰণে জেনোৰ বিৰোধাভাস প্রত্যাহ্বানমূলক মতবাদ হিচাপে পৰিগণিত হ'ব।



৪.৯ অধিক জানিবলৈ

- lep.utm.edu/zeno: Internet Encyclopedia of Philosophy
- W.T. Stace : A Critical History of Greek Philosophy
- John Burnet : Early Greek Philosophy
- Y. Masih : A Critical History of Western Philosophy
- F. Thilly : A History of Philosophy

৪.১০ অগ্রগতিৰ খতিয়ান

১. নহয়

২. এৰিষ্টটলে জেনোক দ্বান্দ্বিক পদ্ধতিৰ উদ্ভাৱক বুলি কৈছে।

৩. হয়

৪. হয়

৫. জেনো

৬. ক. এলিয়াটিক

খ. পার্মেনাইডিচ

গ. এক

পার্মেনাইডি

৭. নহয়

৮. নহয়

৯. দ্বান্দ্বিক পদ্ধতি প্রকৃততে এক আলোচনা

১০. গতিৰ বিৰোধাভাসৰ চাৰিটা বিখ্যাত যুক্তি হ'ল ঃ দৌৰ প্রগতিৰ বিৰোধাভাস (The paradox of race course), একিলিচ আৰু কাছৰ বিৰোধাভাস (The paradox of Achilles and the tortoise), কাঁড়ৰ বিৰোধাভাস (The paradox of Arrow) আৰু খেলপথাৰৰ বিৰোধাভাস (The paradox of Stadium)।

৪.১১ আৰ্হি প্রশ্ন ঃ

১। জেনো কোনটো সম্প্রদায়ৰ লগত জড়িত আছিল?

২। এলিয়াটিক সম্প্রদায়ৰ প্রবর্তক কোন?

৩। জেনোৱে বহুত্ব আৰু গতিক প্রকৃত সত্তা হিচাপে স্বীকাৰ কৰিছেনে?

৪। জেনোৰ মৌলিক বিৰোধাভাসসমূহ কি কি?

৫। গতিৰ বিপক্ষে দিয়া দুটা যুক্তি দিয়ক।

৬। স্ববিৰোধ কাক বোলে?

৭। জেনোৰ বহুত্বৰ বিপক্ষে দিয়া যুক্তিসমূহ বর্ণনা কৰক।

৮। জেনো দ্বান্দ্বিক পদ্ধতিৰ উদ্ভাৱক। বর্ণনা কৰক।

৯। 'গতি হৈছে অসম্ভৱ' — জেনোৰ দর্শনৰ ওপৰত ভিত্তি কৰি বর্ণনা কৰক।

১০। জেনোৰ বহুত্ব আৰু গতিৰ মতবাদৰ এক সমালোচন্মানত ব্যাখ্যা আগবঢ়াওক।

১১। পাশ্চাত্য দর্শনৰ ক্ষেত্রখনত জেনোৰ অৱদানসমূহ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ৫ ঃ ডে'মক্রিটাছ ঃ পৰমাণুবাদ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ডেম'ক্রিটাছৰ জীৱনী আৰু তেওঁৰ লিখনি
৫.৪ পৰমাণুবাদৰ ক্রমবিকাশ
৫.৫ এনাক্সোগোৰাছ আৰু ডেম'ক্রিটাছ
৫.৬ ডেম'ক্রিটাছৰ পৰমাণুবাদ
৫.৭ পৰমাণুৰ প্রভাৱ
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবলৈ
৫.১০ অগ্রগতিৰ খতিয়ান
৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পিছত আপোনালোক সক্ষম হ'ব—

- পৰমাণুবাদক বুজিবলৈ
- প্রত্যক্ষ আৰু চিন্তাৰ মাজত পার্থক্য ব্যাখ্যা কৰিবলৈ
- ডেম'ক্রিটাছৰ জড়বাদ বর্ণনা কৰিবলৈ
- নীতিবিদ্যা আৰু মনোবিজ্ঞান সম্পর্কীয় ডেম'ক্রিটাছৰ ধাৰণা ব্যাখ্যা কৰিবলৈ।

৫.২ পৰিচয়

ডেম'ক্রিটাছ হ'ল এজন প্রাক্-ছক্রেটিক গ্রীক দার্শনিক। তেখেতৰ জন্ম হৈছিল থ্রেছৰ (Thrace), আবডেৰাত (Abdera)। লিউকিপাছৰ পৰমাণুবাদৰ আলমতে তেওঁ পৰমাণু সম্পর্কীয় বিকশিত মতবাদক ক্রমবিকাশ 'The Little World-System' আৰু অন্যান্য বহুসংখ্যক গ্রন্থত পোৱা যায়। লিউকিপাছ আৰু ডেম'ক্রিটাছ দুয়োজনকে একেলগে পৰমাণুবিদ বুলি অভিহিত কৰা হয়। তেওঁলোকৰ মতে, যদিহে উপাদানবোৰক যথেষ্ট পৰিমাণে ভাগ কৰি কৰা হয়, তেনেহ'লে অৱশেষত আমি অবিভাজ্য এককত উপনীত হ'ম। এই অবিভাজ্য এককবোৰকে পৰমাণু বুলি কোৱা হয়। গতিকে পৰমাণু হ'ল— উপাদানৰ অন্তিম পৰিণাম বা ফল।

ইলিয়াটিক্সৰ জড়তাৰ অসম্ভাৱনীয়তাই বুজাই যে ইয়াত কোনো পৰিৱৰ্তন নাই— কথাযাৰৰ প্ৰতি সঁহাৰি জনাই পৰমাণুবিদসকলে বহুসংখ্যক অতি ক্ষুদ্ৰ অভিভাজ্য জীৱৰ বা সত্তাৰ যেনে পৰমাণু আৰু জড়বস্তুৰ (অৰ্থহীন বা খালী ঠাই) অস্তিত্বক স্থান দিছিল। পৰমাণুবোৰ সৃষ্টি বা ধ্বংসত অন্তৰ্ভুক্ত নহয়। কিন্তু সিহঁত খালী ঠাইত ঘূৰি থাকি এখন জগত আৰু বাস্তৱিকতে বহুতো জগতৰ অস্তিত্বশীলতাক সম্ভৱ কৰি তোলে। পৰমাণুবিলাক অসংখ্য আকাৰ আৰু আকৃতিযুক্ত দৃঢ় শৰীৰ, স্পষ্টভাৱে ওজন বা ভৰযুক্ত, সৰু উচিত গতিযুক্ত। অন্যান্য সকলো লক্ষণ এই মৌলিক লক্ষণবোৰৰ ওপৰত কিছুক্ষেত্ৰত নিৰ্ভৰশীল।

ডেম'ক্রিটাছে পৰমাণুবাদৰ দ্বাৰা জ্ঞানবিদ্যা, নীতিবিজ্ঞান আৰু অধিবিদ্যাক ব্যাখ্যা কৰিবলৈ বিস্তাৰ কৰিছিল। ডেম'ক্রিটাছৰ বাবে, আত্মা পৰমাণুসমূহৰ সমষ্টিৰ বাহিৰে আন একো নহয়। আত্মা সেইবোৰ পৰমাণুৰ দ্বাৰা গঠিত যিবোৰৰ দহন ক্ষমতা থাকে। তেওঁ প্ৰত্যক্ষ আৰু চিন্তাৰ মাজত এক তীক্ষ্ণ প্ৰভেদ গঠন কৰিছিল। সিহঁতৰ মাজত ক্ৰমৰ ভিন্নতা আছে কিন্তু প্ৰকৃতিৰ বা স্বভাৱৰ ভিন্নতা নাই। তেওঁৰ মতে, প্ৰত্যক্ষই আমাক পৰিৱৰ্তনশীল জগতৰ বিষয়ে জ্ঞান দিয়ে; কিন্তু চিন্তা বা ভাৱনাই আমাক সত্তাৰ জ্ঞান দিয়ে। তেওঁ সুখৰ ওপৰত গুৰুত্ব দিছিল যি আত্মাৰ অৱস্থা আৰু শৰীৰ বা ইন্দ্ৰিয়সমূহৰ ওপৰত গুৰুত্ব দিয়া নাছিল। ডেম'ক্রিটাছে নীতিবিদ্যাক তেওঁৰ যান্ত্ৰিকতাবাদ আৰু জড়বাদৰ সহায়ত ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল।

ডেম'ক্রিটাছৰ কেনো তাৎক্ষণিক উত্তৰাধিকাৰী নাছিল কিন্তু এটা শতিকাৰ পিছত এপিকিউৰাছে তেওঁৰ নীতিবিদ্যাক সান্তনাদায়ক দৰ্শনলৈ পৰিৱৰ্তন কৰে যাক পৰমাণুবাদত বিচাৰি পোৱা গৈছিল।

৫.৪ ডেম'ক্রিটাছৰ লিখনি আৰু জীৱনী

পৰমাণুবাদৰ প্ৰতিষ্ঠাতা হ'ল লিউকিপাছ আৰু ডেম'ক্রিটাছ। আমি সম্ভৱতঃ লিউকিপাছৰ বিষয়ে একোৱেই নাজানো। লিউকিপাছৰ শিক্ষণ সম্পূৰ্ণৰূপে ডেম'ক্রিটাছৰ লিখনিৰ অন্তৰ্গত বা ডেম'ক্রিটাছৰ লিখনিত বিচাৰি পোৱা যায়। কিন্তু থিয়'ফ্ৰেটাউছে ডেম'ক্রিটাছৰ পৰমাণুবাদৰ পৰা লিউকিপাছৰ পৰমাণুবাদক পৃথক বুলি কৈছিল। এৰিষ্টটলে আন সকলোৰে দৰে তেওঁক পৰমাণুবাদৰ জন্মদাতা হিচাপে অভিহিত কৰিছিল আৰু ডেম'ক্রিটাছক পৰমাণুবাদৰ জনপ্ৰিয়কৰ্তা আৰু বিস্তাৰকৰ্তা বুলি কোৱা হয়। ডেম'ক্রিটাছে যান্ত্ৰিক জ্ঞানবিদ্যা আৰু সত্তামূলক জড়বাদৰ মৌলিকতাক ব্যৱহাৰ কৰিছিল।

ডেম'ক্রিটাছ আছিল থ্ৰেছৰ, আবডেৰাৰ এজন নাগৰিক। তেওঁ এজন উদাৰমনৰ গৰাকী আছিল। তেওঁ সম্ভৱতঃ খৃষ্টপূৰ্ব 460ত জন্মগ্ৰহণ কৰিছিল। তেওঁ অতি বিস্তৃতভাৱে ভ্ৰমণ কৰি ফুৰিছিল আৰু পদাৰ্থবিজ্ঞান, অধিবিদ্যা, নীতিবিদ্যা আৰু ইতিহাসৰ ওপৰত বহুতো গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ বিশদভাৱে ইজিপ্ত ভ্ৰমণ কৰিছিল আৰু মাজে সময়ে বেবিলনিয়াও

ভ্ৰমণ কৰিছিল। তেওঁৰ মৃত্যুৰ সময় জনা নাযায় কিন্তু নিশ্চিতভাৱে তেওঁ এক মহৎ সময় জীয়াই আছিল।

৫.৪ পৰমাণুবাদৰ ক্ৰমবিকাশ

পৰমাণুবাদৰ ইতিহাসে দৰ্শনমূলক পৰমাণুবাদ আৰু বৈজ্ঞানিক পৰমাণুবাদৰ মাজৰ প্ৰভেদসমূহ প্ৰকাশ কৰিছিল। দৰ্শনমূলক পৰমাণুবাদ গ্ৰীক দৰ্শনৰ সমানেই পুৰণি। দৰ্শনমূলক পৰমাণুবাদত, সকলো প্ৰকাৰৰ প্ৰত্যক্ষ দৃশ্যমান বস্তু বা বিষয়ৰ বিতংকৈ কৰা বৰ্ণনাৰ ওপৰত গুৰুত্ব দিয়া নহয়, কিন্তু সেই দৃশ্যমান বস্তুবোৰৰ কিছুমান প্ৰাথমিক মৌলিক দিশ আৰু সাধাৰণ দিশৰ ওপৰত গুৰুত্ব দিয়া হয় যাৰ মতে সেই দিশবোৰৰ এক যুক্তিসঙ্গত ব্যাখ্যা সম্ভৱ হয়। বৈজ্ঞানিক পৰমাণুবাদৰ বিকাশৰ লগে লগে সাধাৰণ দাৰ্শনিক সমস্যাবোৰ ক্ৰমান্বয়ে পটভূমিৰ পৰা দৃষ্টিগোচৰ নোহোৱা হয়। প্ৰত্যেক দৃশ্যমান বস্তু বা বিষয়ৰ বৰ্ণনাতে সমগ্ৰ দৃষ্টি আকৰ্ষণ কৰা হয়। প্ৰাচীন পৰমাণুবাদে প্ৰধানকৈ উপাদানমূলক পৰমাণুৰ কথা কয় কিন্তু এই মতবাদটো বৈদ্যুতিক দৃশ্যমান বিষয়লৈ সম্প্ৰসাৰণ কৰা হয়। প্ৰসিদ্ধ দাৰ্শনিক আৰু তৰ্কবিদ বাট্ৰাণ্ড ৰাছেলৰ দ্বাৰা আৰু লাডউইগ উইটগেনষ্টাইনৰ দ্বাৰা বিকশিত হোৱা তৰ্কবিজ্ঞানমূলক পৰমাণুবাদ হ'ল পৰমাণুবাদৰ অন্য এক প্ৰকাৰ আৰু পৰমাণুবাদৰ জন্মগত আকাৰৰ পৰা বহু পৰিমাণে পৰিৱৰ্তিত। তৰ্কবিজ্ঞানসম্মত পৰমাণুবাদে অনুমান কৰে যে এটা ভাষাৰ পৰমাণু আৰু এটা পাৰমাণৱিক ঘটনাৰ মাজত এক উপযুক্ত পাৰস্পৰিক সম্পৰ্ক অস্তিত্বশীল। সেয়েহে ভাষা হ'ল বিশুদ্ধতাৰ দাপোন। ম'নাডবাদ হ'ল পৰমাণুবাদৰ আন এটা ৰূপ যাৰ বিকাশ হৈছিল দাৰ্শনিক বৈজ্ঞানিক জি. ডব্লিউ. লাইব্নিজৰ হাতত। লাইব্নিজে কৈছিল দ্ৰব্যৰ সৰ্বশেষ ফলাফল গাণিতিক নহয় কিন্তু দাৰ্শনিক একক যাক তেওঁ 'ম'নাড' বুলি কৈছিল। মনোবিজ্ঞানত পৰমাণুবাদ হ'ল প্ৰত্যক্ষৰ এক ধাৰণা। অভিজ্ঞতাবাদী দাৰ্শনিক ডেভিদ হিউমৰ মতে ধাৰণাবোৰ সিহঁতৰ মাজত কোনো তৰ্কবিজ্ঞানমূলক সম্পৰ্কৰ অবিহনেই পৃথক আৰু নিৰ্দিষ্ট। এই ধাৰণাক মানৱতাবাদী পৰমাণুবাদ বুলি জনা যায়।

৫.৫ এনাক্সোগোৰাছ আৰু ডেম'ক্ৰিটাছ

পৰমাণুবাদী দাৰ্শনিকসকলে তেওঁলোকৰ পূৰ্বৱৰ্তীসকলৰ লগত একমত, কিন্তু তেওঁলোকে এম্পিড'ক'ল্ছ আৰু এনাক্সোগোৰাচৰ মতবাদ- বিশুদ্ধতাৰ অংশবিলাকৰ গুণগত লক্ষণ আছে এই কথাৰ অস্বীকাৰ কৰিছিল। এম্পিড'ক'ল্ছ মতে, কেৱল মাত্ৰ চাৰি প্ৰকাৰৱহে প্ৰকৃত উপাদান পোৱা যায় যি গুণগতভাৱে পৃথক। ডেম'ক্ৰিটাছৰ পাৰমাণৱিক মতবাদ আৰু এনাক্সোগোৰাছৰ গুণগত মতবাদৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে।

প্ৰথমতে, এনাক্সোগোৰাছে অসীম সংখ্যক পৃথক গুণগত উপাদান স্বীকাৰ কৰিছিল। কিন্তু ডেম'ক্ৰিটাছে অসীম সংখ্যক পৰমাণুক স্বীকাৰ কৰিছিল যিবোৰ কেৱলমাত্ৰ, আকাৰ,

আকৃতি ইত্যাদি গুণগত দিশত এটা আনটোৰ পৰা পৃথক। দ্বিতীয়তে, এনাক্সোগোৰাছে উপাদানসমূহৰ ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতম অংশৰ অসীম বিভাজনক স্বীকাৰ কৰিছিল কিন্তু ডেম'ক্রিটাছৰ পৰমাণুবোৰ আছিল। সৰল আৰু শাৰীৰিকভাৱে অবিভাজ্য অর্থাৎ সেইবোৰ কেতিয়াও কোনোপধ্যে ভাগ কৰিব নোৱাৰি। তৃতীয়তে, এনাক্সোগোৰাছে খালী স্থানৰ কথা একোৱেই কোৱা নাই কিন্তু ডেম'ক্রিটাছে খালী স্থানৰ অস্তিত্বৰ ওপৰত গুৰুত্ব দিছিল পৰমাণুবোৰৰ গতিৰ এক অৱস্থিতি হিচাপে। চতুর্থতে, এনাক্সোগোৰাছে গতিক পৰমাণুৰ এক আভ্যন্তৰিণ লক্ষণৰূপে স্বীকাৰ কৰিছিল। সদৌ শেষত, এনাক্সোগোৰাছে মনক এক উদ্দেশ্যমূলক নীতিৰূপে স্বীকাৰ কৰিছিল কিন্তু জেম'ক্রিটাছৰ পৰমাণু আছিল যান্ত্রিক নীতিৰ বিষয়। পৰমাণুবাদী দার্শনিকসকলে তেওঁলোকৰ অংশমূলক মতবাদৰ বিকাশ সাধন কৰিছিল তেওঁলোকৰ পূর্বৱর্তী দার্শনিকসকলৰ অসামঞ্জস্যতাক অপসাৰণ কৰাৰ পিছত।

৫.৬ ডেম'ক্রিটাছৰ পৰমাণুবাদ

পৰমাণুবাদীসকলৰ পাঠশালাৰ উদ্ভাৱকসকল হ'ল— লিউকিপাছ আৰু ডেম'ক্রিটাছ। এই মতবাদৰ মতে, চূড়ান্ত যথার্থতা হ'ল পৰমাণু আৰু শূন্যতা, পৰমাণুবোৰ অবিভাজ্য একক। পৰমাণুবাদে জটিল দৃশ্যমান বিষয় বা বস্তুবোৰ স্থায়ী অংশ বা এককৰ যোগফল অর্থত ব্যাখ্যা কৰিছিল। অনিবার্যভাৱে এই মতবাদটো বিশ্লেষণাত্মক। ই প্রকৃতিৰ দৃশ্যমান বিষয়বোৰত মনোযোগ দিয়ে। সর্বমুঠৰূপে কিন্তু সহজাত সর্বমুঠৰূপে নহয়। দৃঢ় অর্থত পৰমাণুবাদ তিনিটা লক্ষণযুক্ত ঃ পৰমাণুবোৰ যথার্থভাৱে অবিভাজ্য, গুণগতবাৰে অবিন্ন আৰু কেৱল এটা স্থানৰ দ্বাৰা এটা আনটোৰ লগত সংযুক্ত। সাধাৰণভাৱে পৰমাণুবাদ জগতৰ এক যথার্থ আৰু যান্ত্রিক দৃষ্টিভঙ্গীৰ লগত সম্পর্কযুক্ত। ই যথার্থ বা বিশুদ্ধ কাৰণ পৰমাণুবোৰ প্রকৃত সত্তাত বিদ্যমান। সেইবোৰক মনৰ ব্যক্তিগত ৰচনা বুলি গ্রহণ কৰা নহয়।

পৰমাণুবাদৰ ধাৰমাটো প্রাচীন গ্রীক দর্শন আৰু প্রাচীন ভাৰতীয় দার্শনিক পৰম্পৰা দুয়োটাতে দেখা যায়। প্রাচীন গ্রীক পৰমাণুবাদী দার্শনিকসকলে ধাৰণা কৰিছিল যে প্রকৃতি দুটা মৌলিক উপাদানত নিহিত হৈ থাকে। পৰমাণু আৰু উদং বা খালী স্থানত। পৰমাণুবাদীসকলে অংশমূলক ধাৰণাৰ বিকাশ সাধন কৰিছিল।

গ্রীক পৰমাণুবাদী দার্শনিক লিউকিপাছ আৰু ডেম'ক্রিটাছৰ মতে, যদিহে উপাদানক বহু পৰিমাণে ভাগ কৰা হয় তেনেহ'লে সর্বশেষত আমি অবিভাজ্য এককত উপনীত হ'ম। এই অবিভাজ্য এককবোৰক পৰমাণু বুলি কোৱা হয়। গতিকে পৰমাণুবোৰ হ'ল উপাদানৰ সর্বশেষ পৰিণাম। ডেম'ক্রিটাছৰ পৰমাণুবাদৰ কিছুমান দিশ উল্লেখযোগ্য। সেইবোৰ হ'ল—

- **পৰমাণুবোৰ সংখ্যা অসীম ঃ**

পৰমাণুবাদীসকলৰ মতে পৰমাণুবোৰ সংখ্যাত অসীম আৰু সেইবোৰ ইন্দ্রিয়ৰ দ্বাৰা প্রত্যক্ষ কৰিব পৰাকৈ অতি সুক্ষ্ম।

● **পৰমাণুবোৰ স্বাভাৱিকভাৱে অবিভাজ্য অংশ ঃ**

পৰমাণু এক যান্ত্রিক একক নহয় কাৰণ ইয়াৰ আয়তন বা বিস্তৃতি আছে। গতিকে ই বিস্তাৰিত, ই গাণিতিকভাৱে অবিভাজ্য একক নহয় কিন্তু স্বাভাৱিকভাৱে অবিভাজ্য অংশ। ইয়াৰ অর্থ হ'ল ইয়াক স্বাভাৱিকভাৱে বিভিন্ন ভাগত ভাগ কৰিব পৰা নাযায়।

● **সকলোবোৰ পৰমাণু গুণৰ অনুৰূপ ঃ**

সকলোবোৰ পৰমাণু প্রকৃততে একে ধৰণৰ উপাদানৰ দ্বাৰা গঠিত। সিহঁতৰ নিজা কোনো গুণ নাই। এম্পিড'ক'ল্ছে চাৰি প্রকাৰ উপাদানৰ অনুমান কৰিছিল। কিন্তু পৰমাণুবাদীসকলৰ মতে, পৰমাণু কেৱল এক প্রকাৰৰ আৰু সেইবোৰ গুণযুক্ত নহয়। সেইবোৰ পৃথিৱী, বায়ু, অগ্নি বা পানী একোৱেই নহয় বা সেইবোৰ বিশেষ ধৰণৰ বীজ ও নহয়। সিহঁত কেৱল গুণতহে পৃথক অর্থাৎ সিহঁতৰ আকাৰ আৰু আকৃতিত। সেয়েহে পৰমাণুবোৰ স্থান আৰু শৃংখলাবদ্ধতা অনুসৰি বস্তুবোৰৰ প্রকৃত গুণ নির্ধাৰণ কৰা হয়। ই হ'ল এম্পিড'ক'ল্ছৰ যান্ত্রিকতাবাদৰ তর্কবিজ্ঞানমূলক বিকাশ।

● **পৰমাণুবোৰ সীমাবদ্ধ ঃ**

পৰমাণুবোৰ সীমাবদ্ধ আৰু ইটো সিটোৰ পৰা পৃথক। পৰমাণুবোৰক খালী স্থানৰ দ্বাৰা পৃথক কৰা হয়। পৰমাণুবোৰে গতি কৰিব পাৰে কাৰণ তাত খালী ঠাই থাকে।

● **পৰমাণুবোৰ আৰু খালী ঠাইসমূহ সত্য ঃ**

পৰমাণুবাদীসকলৰ মতে, জগতত দুটা সত্যতা আছে। সেই কেইটা হ'ল পৰমাণু আৰু উদং স্থান। পৰমাণুবাদীসকল ইলিয়াটিক্সসকলৰ সৈতে একমত যে যথার্থতা অনিবার্যভাৱে স্থায়ী বা অপৰিবর্তনীয়। কিন্তু একে সময়তে এইটোও স্বীকাৰ কৰা হয় যে বস্তুবোৰ অবিৰতভাৱে গতিযুক্ত। সেয়েহে পৰমাণুবাদীসকলে দৃঢ়তাৰে সমর্থন কৰিছিল যে তাত খালী ঠাই আছে।

এই ধাৰণাটো ইলিয়াটিক্সৰ সত্তা আৰু সত্তাবিহীনতাৰ ধাৰণাৰ সৈতে অনুৰূপ। অৱশ্যে ইলিয়াটিক্সে সত্তাবিহীনতাৰ সত্যতাক অস্বীকাৰ কৰিছিল কিন্তু পৰমাণুবাদীসকলে সত্তাবিহীনতাৰ অস্তিত্বক (খালী ঠাই) স্বীকাৰ কৰিছিল। তেওঁলোকৰ মতে, খালী ঠাই সত্তাৰ দৰেই সত্য। ডেম'ক্রিটাছে কৈছিল, সত্তা শূন্যতাতকৈ শূন্যতাৰ দ্বাৰা বেছি সত্য।

● **পৰমাণুবোৰ খালী ঠাইৰ পৰা পৃথক নহয় ঃ**

পৰমাণুবোৰৰ নিজা কোনো গুণ নাই। গতিকে সিহঁত গুণবিহীন; সিহঁতে কোনো দিশতে খালী ঠাইৰ পৰা পৃথক নহয় তাৰ বাদে সিহঁত ভৰপূৰ। সেইকাৰণে পৰমাণুবোৰক 'Plenum' বুলি কোৱা হয় আৰু খালী ঠাইক 'Vacuum' বুলি কোৱা হয়। পৰমাণুবিদসকলৰ মতে সত্তা বা সম্পূর্ণতা আৰু সত্তাবিহীন বা খালী ঠাই সকলোবোৰ সমানেই সত্য।

● **পৰমাণুবোৰ অট্টালিকাৰ শিল ঃ**

পৰমাণুবোৰ হ'ল সভ্যতাৰ দৃঢ় উপাদান যাব পৰা বিভিন্ন বিষয়বস্তুবোৰ গঠন কৰা হয়।

প্ৰত্যেক সমুদায়ে হৈছে পৰমাণু আৰু স্থানৰ সংযোগ। উৎপত্তিয়ে একতাক বুজায় আৰু ধ্বংসই পৃথকীকৰণক বুজায়। সমুদায়বোৰ এটা আনটোৰ পৰা পৃথক কাৰণ পৰমাণুৱে সেইবোৰ বিভিন্ন উপায়েৰে গঠন কৰে। পৰমাণুবিদসকলে কৈছিল যে অগ্নি কোমল গোলাকাৰ পৰমাণুৰ দ্বাৰা গঠিত। সিহঁত বিশুদ্ধ আৰু পূৰ্ণশুদ্ধি অগ্নি। মৃত্যুৰ সময়ত আত্মা পৰমাণুবোৰ সিঁচৰিত হৈ যায়। গতিকে, তাত ভৱিষ্যৎ জীৱনৰ কোনো প্ৰশ্ন নাই।

- **পৰমাণুবোৰত গতিশীলতা স্থায়ীৰূপে অন্তর্নিহিত ঃ**

ডেম'ক্রিটাছে গতিশীলতাক পৰমাণুৰ এক আভ্যন্তৰিণ কাৰণ বুলি গ্ৰহণ কৰিছিল। গতিশীলতাই পৰমাণুবোৰক একত্রিত কৰে আৰু এই গতি পৃথক। পৰমাণুবোৰৰ গতিশীলতাক অপ্রতিৰোধ্য যান্ত্রিক নীতিৰ দ্বাৰা পৰিচালিত হয়। পৰমাণুৰ অন্তর্নিহিত গতিশীলতা পৰমাণুৰ নিজৰ দৰেই অতুলনীয়। আৰম্ভণিৰে পৰা পৰমাণুবিলাক গতিশীল হয়। পৰমাণুবিদসকলে কৈছিল যে, সকলো গতিয়েই অনিবার্য শক্তিৰ অন্তর্গত। এনাক্সোগোৰাছে শিকাইছিল যে বস্তুৰ গতিশীলতা তীক্ষ্ণ বুদ্ধিসম্পন্ন জগতৰ দ্বাৰা প্ৰদর্শিত হয়। কিন্তু ডেম'ক্রিটাছৰ মতে সকলো দৃশ্যমান বিষয় আৰু সকলো উপযোগিতা সম্পূর্ণৰূপে অন্ধযান্ত্রিক কাৰণৰ দ্বাৰা নিশ্চিত কৰা হয়।



জানি থোৱা ভাল

- 'Atomism' শব্দটো গ্ৰীক শব্দ 'Atoma' ৰ পৰা লোৱা হৈছে। যাৰ অর্থ হ'ল যিবোৰ বস্তু কাটিব বা ভাগ কৰিব নোৱাৰি।

ডেম'ক্রিটাছ এই মতবাদটো বিশ্বতত্ত্ব, জ্ঞানবিদ্যা আৰু অধিবিদ্যাক ব্যাখ্যা কৰিবৰ বাবে সম্প্রসাৰণ কৰিছিল।

৫.৬.১ বিশ্বতত্ত্ব

বিশ্বজগতখন সংখ্যাবিহীন পৰমাণুৰ বিভিন্ন আকাৰ, আকৃতি আৰু চলনশক্তিৰ দ্বাৰা গঠিত। সিহঁতে বিভিন্ন দিশৰ পৰা এটা আনটোৰ ওপৰত প্ৰভাৱ পেলাইছিল আৰু গঠন হৈছিল সিহঁতৰ পাকচক্রৰ পৰিণাম হিচাপে। এই গতিশীল পাকচক্রই একেধৰণৰ আকাৰ আৰু আকৃতিযুক্ত পৰমাণুবিলাকক একেলগ কৰে আৰু ইয়াৰ দ্বাৰা অগ্নি, বায়ু, পৃথিৰী আৰু পানী আদি বস্তুবোৰ উৎপন্ন কৰে। এই চক্রাকাৰ গতি দূৰলৈ আৰু দূৰলৈ বিস্তাৰিত হয় আৰু এইদৰে বহুসংখ্যক বস্তুৰ জগতখনৰ উৎপত্তি হয়। পৃথিৰী হ'ল সমূদায়ৰ এটা যিটো সৃষ্টি হয়। তীক্ষ্ণ পৰমাণুবিলাকক জীৱিত জৈৱ পদার্থৰ উত্তাপৰ কাৰণ বুলি বিবেচনা কৰা হয়।



জানি থোৱা ভাল

● বা মাৰ'লি বা পাকচক্র হ'ল বতাহ বা পানীৰ একত্রিকৰণ যি অতি তীব্রভাৱে চাৰিওফালে ঘূৰে আৰু বস্তুবোৰক ইয়াৰ খালী কেন্দ্রলৈ টানি আনে।

৫.৬.২ জ্ঞানবিদ্যা

ডেম'ক্রিটাছে জ্ঞানবিদ্যাক তেওঁৰ জড়বাদ আৰু যান্ত্রিকতাবাদৰ দ্বাৰা ব্যাখ্যা কৰিছিল। তেওঁ প্রত্যক্ষ আৰু চিন্তা বা ভাৱনাৰ মাজত প্রভেদ আনিছিল। প্রত্যক্ষ আৰু চিন্তা ক্রমত নহয় ই হ'ব প্রকৃতিৰ ক্ষেত্রত পৃথক। প্রত্যক্ষই আমাক প্রকৃতিজগতৰ বিষয়ে জ্ঞান দিয়ে কিন্তু চিন্তা বা ভাৱনাই আমাক সত্তাৰ বিষয়ে জ্ঞান দিয়ে। প্রত্যক্ষৰ দ্বাৰা প্রদত্ত জ্ঞান সম্বন্ধাত্মক আৰু অস্থায়ী। চিন্তাই আমাক সত্য পৰমাণু গঠনৰ জ্ঞান দিয়ে। প্রত্যক্ষ আৰু চিন্তাৰ মাজত প্রার্থক্য বর্ণনা কৰিবলৈ ডেম'ক্রিটাছে প্রতিবিম্ব বা কল্পনাৰ সহায় লৈছিল। বস্তুবোৰৰ প্রতিবিম্ব জ্ঞানেন্দ্রিয় আৰু বিচাৰ বুদ্ধি দুয়োটাৰ দ্বাৰা আগবাঢ়ি যায়। বিচাৰ প্রক্রিয়া বা চিন্তাত পোনপটীয়াকৈ প্রতিবিম্বই শৰীৰৰ শক্তিপৰমাণুৰ ওপৰত মোহৰ মাৰিছিল কিন্তু প্রত্যক্ষই এই প্রতিম্বিবোৰ বতাহৰ দ্বাৰা পথভ্রষ্ট কৰা হয় আৰু সম্ভৱতঃ ইন্দ্রিয়ৰ দ্বাৰাও কৰা হয়। গতিকে, ডেম'ক্রিটাছে দর্শাইছিল যে ইন্দ্রিয়তকৈ বুদ্ধি বা বিচাৰ ওপৰত। তদুপৰি প্রত্যক্ষত কর্কশ প্রতিবিম্ববোৰে ইন্দ্রিয়ৰ দ্বাৰা শক্তি পৰমাণুবোৰৰ ওপৰত প্রভাৱ পেলাইছিল কিন্তু বিচাৰ বা চিন্তাত উত্তম প্রতিম্বিবোৰে প্রত্যক্ষভাৱে এক সম্ভ্রান্ত, তীক্ষ্ণ গতিৰ পাৰমাণৱিক গঠনৰ স্বাভাৱিক বোধগম্যতাক স্বীকাৰ কৰি শক্তিপৰমাণুৰ আত্মাৰ ওপৰত প্রভাৱ পেলাইছিল। আগলৈ, ডেম'ক্রিটাছৰ জড়বাদ চেতনশক্তিৰ যি আত্মাৰ লক্ষণ তাৰ কোনো স্থান নাছিল।



জানি থোৱা ভাল

● জড়বাদৰ মতে জড়পদার্থই হৈছে এই জগতৰ একমাত্র মৌলিক পদার্থ।

৫.৬.৩ নীতিবিদ্যা

'বুদ্ধি ইন্দ্রিয়তকৈ শ্রেষ্ঠ'- ধাৰণাটো নীতিবিদ্যাৰ সহযোগত সম্প্রসাৰিত হৈছিল। ডেম'ক্রিটাছে আনন্দৰ ওপৰত গুৰুত্ব দিছিল যাৰ অর্থ হ'ল দুঃখৰ ওপৰত সুখৰ আধিক্য। ইয়াক সুখবাদী নীতিবিদ্যাৰ মূল লক্ষণবোৰক পদচিহ্নৰূপে দেখুওৱা

হৈছিল। সকলো আচৰণ বিধিৰে লক্ষ্য হ'ল সুখ বা আনন্দ যাৰদ্বাৰা তেওঁ কেৱল ইন্দ্রিয়সুখকে বুজোৱা নাছিল। ডেম'ক্রিটাছৰ মতে, ইন্দ্রিয়বিলাকৰ সুখ প্রকৃত সুখ নহয়। কাৰণ, প্রথমতে, ইন্দ্রিয়বিলাকৰ সুখ বাহ্যিক বস্তুৰ ওপৰত নির্ভৰশীল। দ্বিতীয়তে, ইন্দ্রিয়জাত সুখ দ্রুতগামী। ডেম'ক্রিটাছৰ বাবে জীৱনৰ শেষ সত্য হ'ল আনন্দ বা সুখ যাক তেওঁ সন্তুষ্টিৰ এক আভ্যন্তৰিণ অৱস্থাৰূপে বর্ণনা কৰিছিল যি আত্মাৰ শান্তিময় অৱস্থা, সমন্বয় আৰু ভয়বিহীনতাৰ ওপৰত নির্ভৰশীল। গতিকে সুখ প্রসন্নতাৰে নিহিত হৈ থাকে। আনকথাত্য আত্মাৰ স্থিতিত, শৰীৰ বা ইন্দ্রিয়ত নহয়। সুখ উৎপন্ন হয় তীক্ষ্ণ পৰমাণুৰ শুদ্ধ, গভীৰ আৰু স্পষ্ট বুজাবুজিৰ পৰা। এই বোধগম্যতাই শান্তিক নিৰাপত্তা প্রদান কৰে আৰু আবেগিক বিৰক্তিৰ পৰা আত্মাক সুৰক্ষিত কৰে। এই ধাৰণাটো ছটেটিছৰ "সাধুতা হ'ল জ্ঞান আৰু অবিদ্যা হ'ল পাপ"— কথাষাৰ সুখবাদী ধাৰণা "সুখ হ'ল জীৱনৰ অন্তিম বা সর্বশেষ লক্ষ্য" কথাষাৰতকৈ অতি ওচৰ সম্বন্ধযুক্ত।

৫.৬.৪ মনোবিজ্ঞান

ডেম'ক্রিটাছে তেওঁৰ পুংখানুপুংখ জড়বাদৰ সহায়ত আত্মাৰ প্রকৃতি বা স্বভাৱ ব্যাখ্যা কৰিছিল। আত্মা উৎকৃষ্ট, গোলাকাৰ তীক্ষ্ণ পৰমাণুৰ দ্বাৰা গঠিত। এই পৰমাণুবোৰ সম্পূর্ণ দেহতে সিঁচৰিত হৈ থাকে। আমি উশাহত আৰু নিশাহত আত্মা-পৰমাণুবোৰ ব্যৱহাৰ কৰোঁ। এই প্রক্রিয়াটো চলি থকালৈকে জীৱন অস্তিত্বশীল হৈ থাকে। মৃত্যুৰ সময়ত আত্মা-পৰমাণুবোৰ সিঁচৰতি হৈ যায়। এজন বুদ্ধিবাদী চিন্তাবিদ হিচাপে ডেম'ক্রিটাছে কৈছিল যে আত্মা আৰু বুদ্ধি একেই কয়।

৫.৬.৫ ধর্মতত্ত্ব

পৰমাণুবিদসকলে স্বীকাৰ কৰিছিল যে ঈশ্বৰো পৰমাণুৰ দ্বাৰা গঠিত। দেৱতাবোৰো মানুহৰ দৰেই মৰণশীল যদিও তেওঁলোক দীর্ঘজীৱি। দেৱতাসকল মানুহতকৈ অধিক শক্তিশালী দেৱতাসকলে এক উচ্চ আদর্শৰ বুদ্ধিক ধাৰণা কৰে। অন্যান্য দ্রব্যবোৰৰ দৰে দেৱতাসকলো পৰমাণুবোৰৰ গতিশীলতাৰ ব্যক্তিত্বহীন নীতিৰ বিষয়বস্তু।



অনুশীলনী-১

- গ্রীক পৰমাণুবাদৰ সমালোচনাত্মক বর্ণনা দিয়া।
- কেনেকৈ ডেম'ক্রিটাছে অধিবিদ্যা, নীতিবিদ্যা, জ্ঞানবিদ্যা আৰু বিশ্বতত্ত্ব আৰু ধর্মতত্ত্বৰ জৰিয়তে তেওঁৰ জড়বাদক বিস্তাৰ কৰিছিল?

৫.৭ পৰমাণুৰ মূল্য

পৰমাণুবোৰ সদায় গতিশীল। পৰমাণুবোৰৰ পৃথকীকৰণ আৰু একত্ৰীকৰণৰ বাবে গতিশীলতাৰ প্ৰয়োজন। যেনেকৈ সকলো পৰিৱৰ্তন পৰমাণুৰ পৃথকীকৰণ আৰু একত্ৰীকৰণৰ বাবেই সংঘটিত হয় তাত এটা গতিশীল শক্তিৰ প্ৰয়োজন হয়। যিদৰে আকাশ অসমী আৰু পৰমাণুবোৰৰ অপৰিৱৰ্তনীয়ভাৱে পতন হয়, তাত নিশ্চিতভাৱে বহুসংখ্যক জগত থাকে য'ত আমাৰ জগত মাত্ৰ এখন, যেতিয়া একত্ৰীকৃত পৰমাণুবোৰ পুনৰ ভাগ ভাগ হৈ যায় তেতিয়া এই বিশেষ জগতখনৰ অস্তিত্ব শেষ হৈ যায়। এই সকলোবোৰে এটা প্ৰশ্নক প্ৰাধান্যতা দিয়ে যে পৰমাণুবোৰৰ মূল্য আছে নে নাই? এপিকিউৰাছে কৈছিল যে পৰমাণুবোৰ স্বাভাৱিকভাৱে গভীৰ আৰু সেয়েহে অসীম খালী ঠাইত থাকে। তেওঁলোকে কৈছিল যে পৰমাণুৰ প্ৰকৃত গতিৰ কাৰণ হ'ল সিহঁতৰ মূল্য বা গভীৰতা। অধ্যাপক বাৰনেটৰ মতে, ডেম'ক্ৰিটাছে পৰমাণুৰ দুটা লক্ষণ ব্যক্ত কৰিছে, আয়তন আৰু আকাৰ য'ত এপিকিউৰাছে তৃতীয়টো সংযোগ কৰিছে অৰ্থাৎ মূল্য বা গভীৰতা। সেয়েহে ডেম'ক্ৰিটাছৰ মতে পৰমাণুৰ গভীৰতা হৈছে এপিকিউৰাছে পৰৱৰ্তী সময়ত সংযোজন কৰা।

এতিয়া প্ৰশ্ন উত্থাপিত হয়, যদিহে পৰমাণুৰ গভীৰতা পৰৱৰ্তী সংযোজন হয়, তেনেহ'লে পূৰ্বৱৰ্তী পৰমাণুবিদসকলে কেনেকৈ পৰমাণুৰ প্ৰকৃত গতিক ব্যাখ্যা কৰিছিল? যদিহে তাত গভীৰতা নাই তেন্তে সিহঁতৰ গতিশক্তি কি? অধ্যাপক বাৰ্ণাটে কৈছিল, ইয়াক এক বিশৃংখল গতি বুলি কোৱাটোৱে সমীচীন হ'ব। কিন্তু গতি নিজেই বিশৃংখল হ'ব নোৱাৰে। ই হ'ল মাত্ৰ আমাৰ গতি সম্পৰ্কীয় ধাৰণা যি বিশৃংখল হ'ব পাৰে। যদিহে এই ধাৰণাটো সত্য হয় তেনেহ'লে আমি কেৱলমাত্ৰ ক'ব পাৰো যে গতিৰ উৎসৰ সমস্যা সম্পৰ্কে আৰু গতিশক্তিৰ লক্ষণ সম্পৰ্কে পৰমাণুবিদসকলে কোনো নিৰ্দিষ্ট সমাধান আগবঢ়াব পৰা নাই।



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ডেম'ক্ৰিটাছৰ মতবাদে কয় যে সকলো বস্তু পৰমাণুৰ দ্বাৰা গঠিত, যিবোৰ শাৰীৰিক কিন্তু জ্যামিতিক বিভাজ্য নহয়। পৰমাণুবোৰৰ মাজত খালী ঠাই থাকে। পৰমাণুবোৰ অবিনাশী অৰ্থাৎ অমৰ। সেইবোৰ সদায়ে গতিযুক্ত আৰু গতিযুক্ত হৈ থাকিব। ইয়াত অসীম সংখ্যক পৰমাণু আছে। ইহঁত সামগ্ৰিকভাৱে গুণযুক্ত নহয়। সিহঁত কেৱল সংখ্যাতহে পৃথক। পৰমাণুবোৰক ইটো সিটোৰ পৰা পৃথক কৰিব পৰা যায়। ইহঁতক খালী স্থানৰ দ্বাৰা পৃথক কৰা হয়। সেয়েহে পৰমাণুবাদী দাৰ্শনিকসকলে দুই প্ৰকাৰৰ সত্যতাক স্বীকাৰ কৰিছিল— পৰমাণু আৰু উদং স্থান। পৰমাণু আৰু খালী ঠাইক ক্ৰমান্বয়ে 'Plenum' আৰু 'Vacuum' বুলিও কোৱা হয়।
- পৰমাণুবিদসকলৰ মতে মানৱ আত্মাও আনকি পৰমাণুৰ দ্বাৰা গঠিত। আত্মাৰ স্পষ্ট বা

নির্দিষ্ট লক্ষণ হ'ল যে ই শক্তি-পৰমাণুৰ দ্বাৰা গঠিত। মানুহ আৰু অন্যান্য সকলো প্ৰাণীৰ মাজত থকা পার্থক্য হ'ল শক্তি-পৰমাণুৰ সংখ্যা।

- ডেম'ক্রিটাছে চিন্তা আৰু সংবেদনক এটা পৰমাণুৰ আনটোৰ ওপৰত প্ৰভাৱৰ জৰিয়তে ব্যাখ্যা কৰিছিল। ঠিক সেইদৰে, নীতিবিজ্ঞানমূলক মতবাদসমূহো যান্ত্রিক নীতিৰ ভিত্তিত বর্ণনা কৰিছিল। ডেম'ক্রিটাছৰ জড়বাদৰ বিজ্ঞানৰ ক্ষেত্রখনত এক বৃহৎ প্ৰভাৱ পৰিলক্ষিত হয়।

৫.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. W. T. Stace : A Critical History of Greek Philosophy.
2. John Burnet : Early Greek Philosophy.
3. Y. Masih : A Critical History of Western Philosophy.
4. F. Thilly : A History of Philosophy w.w.w. Britannica. com



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়াবোৰৰ উত্তৰ লিখা ঃ

(a) পৰমাণুবাদৰ পিতৃ কোন?

(b) পৰমাণুবাদ কি?

(c) লিউকিপাছৰ শিষ্য কোন আছিল?

(d) ডেম'ক্রিটাছ এজন জড়বাদী হয়নে?

(e) জড়বাদ কি?

(f) শক্তি পৰমাণুৰ স্বভাৱ কেনে ধৰণৰ?

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰা ঃ

(a) ডেম'ক্রিটাছে — আৰু — মতবাদক স্বীকাৰ কৰিছিল।

(b) আত্মা হ'ল — সমষ্টি।

(c) চিন্তা আৰু প্রত্যক্ষ — পৃথক।

(d) প্রত্যক্ষই আমাক — জগতৰ বিষয়ে জ্ঞান দিয়ে।

প্রশ্ন নং ৩ ঃ তলত দিয়া প্রশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) পৰমাণু কি?

(b) 'Plenum' আৰু 'Vacuum' কি?

(c) লিউকিপাছৰ পৰমাণুবাদক বিখ্যাত কৰি তোলা দার্শনিকৰ নাম লিখা।

(d) পৰমাণুবাদীসকলে কেনেকৈ খালী স্থানৰ বর্ণনা কৰিছিল?

৫.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (a) লিউকিপাছ?

(b) পৰমাণুবাদ হ'ল ডেম'ক্রিটাছৰ দ্বাৰা বিকশিত হোৱা এক প্ৰাচীন দাৰ্শনিক মতবাদ, যে জগতৰ অন্তিম পৰিণাম হ'ল পৰমাণু।

(c) ডেম'ক্রিটাছ।

(d) হয়।

(e) জড়বাদ হ'ল এক সত্তামূলক ধাৰণা যি ধাৰণাৰ মতে, জগতৰ একমাত্ৰ মৌলিক দ্ৰব্য হ'ল পৰমাণু।

(f) শক্তি পৰমাণুবোৰ উৎকৃষ্ট, সৰল, গোলাকাৰ আৰু অতি গতিশীল।

২নং প্ৰশ্নৰ উত্তৰ ঃ (a) পৰমাণু, খালী স্থান।

(b) পৰমাণুৰ।

(c) অনুক্ৰম।

(d) পৰিৱৰ্তনশীল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ (a) ব্যক্তিগত এককবোৰক পৰমাণু বুলি কোৱা হয়।

(b) পৰমাণুবোৰক 'Plenum' খালী স্থানক 'Vacuum' বুলি কোৱা হয়।

(c) ডেম'ক্রিটাছ।

(d) সকলোবোৰ পৰমাণু এটা আনটোৰ পৰা পৃথক। সেইবোৰ খালী ঠাইৰ দ্বাৰা পৃথক হয়। পুনৰ, ডেম'ক্রিটাছে পৰিৱৰ্তনশীল সকলোকে পৰমাণুৰ মিশ্ৰণৰদ্বাৰা ব্যাখ্যা কৰিছিল যি পৰমাণুৰ গতিৰদ্বাৰা সম্ভৱ হয়। কাৰণ, যদিহে কোনো খালী স্থান নাথাকে, তেনেহ'লে কোনোৱে গতি কৰিব নোৱাৰে।

৫.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ডেম'ক্রিটাছৰ জড়বাদক ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ পৰমাণু কি? ডেম'ক্রিটাছে কেনেকৈ পৰমাণুৰ দ্বাৰা জগতৰ বৰ্ণনা কৰিছিল?

প্ৰশ্ন ৩ ঃ ডেম'ক্রিটাছৰ পৰমাণুবাদৰ ধাৰণাটো সমালোচনাৰ সহায়ত বৰ্ণনা কৰা।

প্ৰশ্ন ৪ ঃ পৰমাণুবাদীসকলে খালী ঠাইক কেনেদৰে বৰ্ণনা কৰিছিল?

*** ***** ***

অধ্যায় ৬ ঃ চক্রেটিচ ঃ সদ্‌গুণ আৰু জ্ঞান

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ গ্রীক দর্শনত সদ্‌গুণৰ ধাৰণা
৬.৩ সদ্‌গুণৰ নীতিতত্ত্বৰ ধাৰণা
৬.৪ গ্রীক দর্শনত জ্ঞানৰ ধাৰণা
৬.৫ চক্রেচিটৰ সদ্‌গুণ আৰু জ্ঞানৰ ধাৰণা
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্রীক দর্শনত সদ্‌গুণৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব
- সদ্‌গুণৰ নীতিতত্ত্বৰ বিষয়ে জানিব পাৰিব
- গ্রীক দর্শনত জ্ঞানৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব
- চক্রেটিচে সদ্‌গুণ আৰু জ্ঞানৰ বিষয়ে কি কৈছিল তাৰ বিষয়ে জানিব পাৰিব।

৬.২ গ্রীক দর্শনত সদ্‌গুণৰ ধাৰণা

সদ্‌গুণ (Latin : Virtus, Ancient Greek : 'arete')ৰ অর্থ হ'ল নৈতিক উৎকৃষ্টতা (moral excellence)। সদ্‌গুণ মানে হ'ল কিছুমান চৰিত্র বা গুণ যাক নৈতিকভাৱে শুদ্ধ বুলি ধৰা হয় আৰু যাক নৈতিক উদ্দেশ্য বুলি মানি লৈ এজন ভাল মানুহৰ সত্তাৰ সন্ধান কৰা হয়। ব্যক্তিগত গুণবোৰক কিছুমান চাৰিত্রিক বৈশিষ্ট্য বুলিও গণ্য কৰা হয় যিয়ে ব্যক্তিগত তথা ৰাজহুৱা উৎকৃষ্টতা সাধন কৰিব বিচাৰে। সদ্‌গুণৰ বিপৰীত হ'ব অৱস্থান।

চাৰি ধৰণৰ প্রমুখ/প্রধান গুণসমূহ হ'ল সংযম, বিবেক, সাহস আৰু ন্যায়। খ্রীষ্টান ধর্মই তিনিধৰণৰ ধার্মিক সদ্‌গুণ যেনে বিশ্বাস, আশা আৰু মৰম (charty) বা Corinthiansৰ পৰা নিঃসৰণ কৰিছে। এই সকলোবোৰ লগ লাগি সাতটা গুণৰ সৃষ্টি কৰিছে। বৌদ্ধ দর্শনৰ চাৰি প্রকাৰৰ ব্রহ্মবিহাৰক (Divine states)ক ইউৰোপিয়ান অর্থত সদ্‌গুণ বুলিয়ে গণ্য কৰিব পাৰি। জাপানৰ Bushido code-এ দহ প্রকাৰৰ সদ্‌গুণৰ কথা কয় যিবোৰ মাজত ন্যায়

বা সৰলতা সাহস আৰু পৰোপকাৰ বা উদাৰতাকো অন্তর্ভুক্ত কৰা হৈছে।

সদ্‌গুণ হ'ল কোনো এটা উত্তম প্রকাৰৰ চাৰিত্রিক গুণ। ই হ'ল এক চাৰিত্রিক গুণ যি ব্যক্তিৰ মাজত তিল তিলকৈ নিহিত হৈ থাকে যিবোৰ আমাৰ স্বভাৱ বা অভ্যাসবোৰৰ দৰে নহয় যেনে এজন চাহ খাব ভাল পোৱা ব্যক্তি হিচাপে তেওঁৰ যিবোৰ চাৰিত্রিক বৈশিষ্ট্য যেনে-তেওংৰ কথা-বতৰা বা নিৰীক্ষণ কৰাৰ ধৰণ, তেওঁৰ প্রমূল্য বা আশা-আকাংক্ষাবোৰ, তেওঁৰ যি ধৰণে ইচ্ছা, বাছনি বা ধর্ম কৰে। কোনো ব্যক্তিক সদ্‌গুণৰ অধিকাৰী বুলি কোৱাৰ অর্থ হ'ল যে তেওঁ এক বিশেষ ধৰণৰ ব্যক্তি যাৰ এক নিশ্চিত বিশেষ ধৰণৰ চিন্তাধাৰা আছে। এক বিশেষ ধৰণৰ চিন্তাধাৰাৰ এক গুৰুত্বপূর্ণ দিশ হ'ল এয়ে যে এনেকুৱা চিন্তাধাৰাৰ ফলত বহুত ধৰণৰ আৰু বিভিন্ন ধৰণৰ কর্মৰ কাৰণবোৰক মুক্তমনে গ্রহণ কৰিব পৰা এটা চিন্তাধাৰা থাকে। এজন সাধু ব্যক্তি বুলি ক'লে সাধাৰণতে এনে এজন ব্যক্তিক চিহ্নিত কৰিব নোৱাৰি যি সাধুতা অৱলম্বন কৰে আৰু কাকো প্রতাৰণা নকৰে। যদি সাধু ব্যক্তিজনে ভাবে যে তেওঁ অন্য ধৰণে কাম কৰিলে তেওঁক মানুহে অসাধু বুলি ক'ব বা তেওঁ আন কিবা বেয়া কাম কৰিলে তেওঁ ধৰা পৰিব তেনেহ'লে তাক সাধুতা বুলি ক'ব নোৱাৰি। এজন সাধু মানুহক সাধাৰণভাৱে এনেকৈয়ে চিনিব পাৰি যেতিয়া, উদাহৰণ স্বৰূপে, তেওঁ সঁচা বাবেই সদায় সঁচা কথা কয়, কাৰণ কোনো চল-চাতুৰি বা আন কোনো বেলেগ কাম নকৰাকৈয়ো মানুহ সাধু হৈ থাকিব পাৰে। সাধু ব্যক্তি এজনে কোনো এটা বিশেষ পৰিস্থিতিত কোনো মিছা আশ্বাস বা মিছা কথা কোৱাৰ বিপৰীতে শক্তিশালীভাৱে ক'ব পাৰে যে 'এইটো মিছা কথা কোৱা হ'ব', আৰু তেওঁ মিছাতকৈ 'এইটো সঁচা'ৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে।

৬.৩ সদ্‌গুণৰ নীতিতত্ত্বৰ ধাৰণা


সদ্‌গুণৰ নীতিতত্ত্ব হ'ল এক আদর্শগত নৈতিক তত্ত্ব (or aretaic ethics from Greek arete) যিয়ে মানসিক সংখ্যা তথা চৰিত্রবোৰ আলোচনা কৰে। সদ্‌গুণৰ নীতিতত্ত্বই সদ্‌গুণ আৰু তাৰ লগত সম্বন্ধিত বিভিন্ন সমস্যাসমূহ আলোচনা কৰে। উদাহৰণ স্বৰূপে, সদ্‌গুণবোৰ কেনেকৈ অর্জন কৰা হয়? সেইবোৰ আমাৰ দৈনন্দিন জীৱনত কেনেকৈ প্রয়োগ কৰা হয়। এই সদুগুণবোৰ এক বিশ্বজনীন মানৱ প্রকৃতিৰ মাজত নে সংস্কৃতিৰ বহুমুখীতাৰ ওপৰত ভিত্তি কৰি থাকে?

বহুতো পাশ্চাত্য পৰম্পৰাৰ দৰে সদ্‌গুণৰ তত্ত্বৰো পুৰণি গ্রীক দর্শনত উৎপত্তি হৈছিল। চক্রেটিচৰ লগতে আৰম্ভ হৈছিল আৰু পিছত ইয়াৰ প্লেটো, এৰিষ্টটল আৰু ষ্টয়িকচ্‌সকলৰ সহায়ত বিস্তাৰ ঘটিছিল। সদ্‌গুণৰ তত্ত্ব হ'ল এনে এক উদ্দেশ্যধর্মী নৈতিক দর্শন যিয়ে কৰাতকৈ/কম কৰাতকৈ তাৰ সত্তাৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিয়ে। ইয়াক আন ধৰণেও ক'ব পৰা যায় যে ব্যক্তিৰ পৰিচয় বা চৰিত্রৰ পৰাহে নৈতিকতাৰ সৃষ্টি হয়, আৰু ই ব্যক্তিজনৰ কম বা কর্মৰ ফলাফলৰ পৰা সৃষ্টি নহয়। বর্তমান সময়ত কোনোবোৰ সদ্‌গুণ প্রশংসাৰ পাত্র তাক লৈ

বিভিন্ন সদ্‌গুণৰ নীতিতত্ত্বৰ অনুগামীসকলৰ মাজত মতভেদ দেখা যায়। তথাপিও বহুতো তত্ত্ববিদে মানি লয় যে নৈতিকতা অন্তর্নিহিত সদ্‌গুণবোৰ হ'ল এক সার্বজনীন ধাৰণা যিয়ে বিভিন্ন ধৰণৰ উদ্দেশ্যধর্মী দর্শনবোৰক একলগ কৰে যাক সদ্‌গুণৰ নীতিতত্ত্ব বুলি কোৱা হয়। প্লেটো আৰু এৰিষ্টটলৰ সদ্‌গুণৰ ধাৰণাবোৰ একে নহয়। প্লেটোৱে বিশ্বাস কৰিছিল যে সদ্‌গুণ হ'ল এক উদ্দেশ্য বা লক্ষ্য যাক বিচৰা হয়, যাৰ বাবে হয়তো এজন বন্ধু এক উপযোগী উপায়। এৰিষ্টটলৰ মতে সদ্‌গুণবোৰ মানৱীয় সম্বন্ধবোৰ, বিশেষকৈ বৈধ বন্ধুত্ব, যাৰ বাহিৰে কোনোৱে বিচাৰি থকা সুখখিনিও পোৱাটো কঠিন তাৰ বাবে সদ্‌গুণবোৰ এক উপায়।

চাৰি প্ৰকাৰৰ প্ৰধান বা প্ৰমুখ সদ্‌গুণবোৰ যেনে- জ্ঞান, ন্যায়, সাহস আৰু বিবেক- এই সকলোবোৰ প্লেটোৰ 'Republic'ত পোৱা যায়। এই সদ্‌গুণবোৰে এৰিষ্টটলৰ নৈতিক তত্ত্বটো দেখা দিছে। নৈতিক ইতিহাসত সদ্‌গুণৰ তত্ত্বটো লিভি, প্লুটাৰ্চ আৰু টেকিটাচে অন্তর্ভুক্ত কৰিছিল। সদ্‌গুণ সম্পর্কে থকা গ্ৰীক ধাৰণাটো ৰোমান দর্শনত চিচাৰো আৰু পিছত খ্ৰীষ্টায়ান নৈতিক তত্ত্বৰ মিলানৰ চেণ্ট এমব্ৰচৰ দ্বাৰা অন্তর্ভুক্ত কৰা হৈছিল। এই সুন্দৰ সময়খিনিত, ধার্মিক দৃষ্টিকোণৰ পৰা চেণ্ট একুইনাচে তেওঁৰ 'Summa Theologiae' আৰু তেওঁৰ 'Commentaries on the Nicomachean Ethics'ত সদ্‌গুণৰ নৈতিকতাৰ কথা কৈছিল।

যদিও এই শতিকাবোৰত ইউৰোপিয়ান দার্শনিক চিন্তাধাৰাৰ পৰম্পৰাবোৰ কম হৈছিল, তথাপিও 'virtue' নামৰ এই পদটোৰ এই শতিকাটোৰো প্ৰাসংগিক আছিল আৰু বৰঞ্চ Classical republicanism বা Classical liberalismৰ পৰম্পৰাত ১৬ শতিকাত ইটালীৰ বৌদ্ধিক জীৱনটো দেখা দিছিল, আৰু ঠিক সেইদৰে ১৭ আৰু ১৮ শতিকাত ব্ৰিটেইন আৰু আমেৰিকাত দেখা দিছিল, বৰঞ্চ 'virtue' নামৰ এই শব্দটো মেকিয়াভেলি, ডেভিদ হিউম, English Civil war periodৰ ৰিপাব্লিকানসকল, ১৮ শতিকাৰ English whigsত আৰু আৰু Scottish Enlightenment আৰু American Founding Fathersৰ যিবোৰ মহান বা নামজ্বলা মানুহ আছিল তেওঁলোকৰ কর্মবোৰত দেখা দিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰা ঃ

(ক) গুণ হ'ল —— বা —— যাক নৈতিকভাৱে ভাল বুলি ধৰি লোৱা হয় আৰু এইদৰে ইয়াক নীতিৰ ভিত্তি বা ভাল বা নৈতিক সত্তা বুলি গণ্য কৰা হয়।

(খ) চাৰি প্ৰকাৰৰ প্ৰমুখ গুণ হৈছে বিবেক, সংযম, —— আৰু ন্যায়।

(গ) সদ্‌গুণৰ তত্ত্ব —— দর্শনত উৎপত্তি হোৱা দেখা যায়।

(ঘ) আমি ইয়াৰ আলোচনা প্লেটোৰ —— পাওঁ।

৬.৪ গ্রীক দর্শনত জ্ঞানৰ ধাৰণা

চক্রেটিছে জ্ঞানক সদ্‌গুণৰ লগত চিহ্নিত কৰিছে। সেইবাবে, চক্রেটিছৰ মতে সদ্‌গুণ শিকাব পৰা যায়। তেওঁ বিশ্বাস কৰিছিল যে ''The unexamined life is not worth living'। ব্যক্তিয়ে নিজৰ ব্যক্তিগত আগ্রহতকৈ আগতে জ্ঞান আৰু ইয়াৰ বিচাৰ কৰিব লাগে। সেইমতে, জ্ঞানক নৈতিক কৰ্মৰ এক উপায় হিচাপে চিহ্নিত কৰিব পাৰি। চক্রেটিছৰ মতে, আমি শুদ্ধ উপায় অৱলম্বন কৰাৰ পিছতহে আমি জ্ঞান অৰ্জন কৰাৰ চেষ্টা কৰিব লাগে আৰু আমি আমাৰ বুদ্ধিক প্রথম আদর্শ হিচাপে ধৰিব লাগে। প্রথম আদর্শ হৈছে এক মূল ভিত্তি, এক স্বতঃপ্রামান্য বচন বা অনুমান যাক আন কোনো বচন বা অনুমানৰ পৰা নিঃসৰিত কৰিব নোৱাৰি। জ্ঞান সদায় সাধাৰণ বা সৰল, ই বিশেষ বা তাৎক্ষণিক হ'ব নোৱাৰে। এই কথাখিনি চফিষ্টসকলে বুজা নাছিল আৰু চক্রেটিছে তেওঁলোকক শুদ্ধ কৰি দিছিল। কিন্তু তেওঁ চফিষ্টসকলৰ সৈতে এটা কথাত মান্তি হৈছিল যে তেওঁ চফিষ্টসকলৰ এই কথাটো আদান প্রদান কৰিছিল যে জাগতিক আৰু পৰাবিদ্যা সম্পর্কীয় ব্যাখ্যাবোৰ যে অর্থহীন তাক তেওঁ মতামত দিছিল। ''Indeed, in contrest to others, he set his face against all dis cussions of such high natters as the nature of the universe how the 'cosmes', as the savants phrase it, come into being, or by what forces the celestial phenomena arise. To trouble one's brain about such matters was, he argued, to play the fool.'' তেওঁৰ আগ্রহ নৈতিকতা আৰু বাস্তৱিকতাৰ ওপৰত আছিল আৰু তেওঁ এই ব্যাখ্যাবোৰৰ পৰা কি ব্যাখ্যা বা কথা উলাব তাক তেওঁ চোৱা নাছিল।

চক্রেটিছে তেওঁৰ দার্শনিক ব্যাখ্যাত যি পদ্ধতি আলোচনা কৰিছিল বা প্রয়োগ কৰিছিল সেই পদ্ধতি আছিল সংশয়বাদী; ই আৰম্ভ হৈছিল চক্রেটিছৰ দ্রব্যৰ সত্যতা সম্পর্কে থকা অৱহেলাৰ কাৰণে। চক্রেটিছে এই সংশয়বাদ চফিষ্টসকলৰ লগত আলোচনা কৰিছিল আৰু তেওঁ অৱহেলা বা অজ্ঞানতা ধৰি লৈ, ডেকার্টৰ প্রাৰম্ভিক সংশয়ৰ দৰে, তেওঁ জ্ঞানৰ সন্ধানত প্রয়োজনীয়/গুৰুত্বপূর্ণ প্রথম পদক্ষেপ আগবঢ়াইছিল।

চক্রেটিছৰ পদ্ধতিটো আছিল ধাৰণাগত বা সংজ্ঞাগত, কাৰণ ই ধাৰণাবোৰৰ শুদ্ধ সংজ্ঞা লাভ কৰাৰ ক্ষেত্রত ই জ্ঞানৰ কিছুমান লক্ষ্য বান্ধি দিছিল যেনে কিছুমান নৈতিক ধাৰণা যেনে ন্যায়, দয়া, জ্ঞান, সাহস আৰু তেনেকুৱা বহুতো। চক্রেটিছে বৰ সাৱধানেৰে অনুমান কৰিছিল যে সত্য সদায় শুদ্ধ সংজ্ঞাৰ মাজতেই লুকাই থাকে— এনেকুৱা এটা অনুমান যি খুব সাৱধানভাৱে গ্রহণ কৰিব পাৰি, স্পষ্ট সংজ্ঞাবোৰ কোনো সন্দেহ নোহোৱাকৈ জ্ঞান লাভ কৰাৰ বাবে গুৰুত্বপূর্ণ, কিন্তু সংজ্ঞাই অকলে কোনো জ্ঞান গঠন কৰিব নোৱাৰে।

৬.৫ চক্রেটিটৰ সদ্‌গুণ আৰু জ্ঞানৰ ধাৰণা

চক্রেটিছৰ জ্ঞানৰ ওপৰত থকা বিশ্বাস ইমান গভীৰ তথা শক্তিশালী আছিল যে তেওঁ জ্ঞানক সকলো সমস্যাৰে সমাধান বুলি কৈছিল। তেওঁ তেওঁৰ পদ্ধতিটোক সকলো ধৰণৰ মানৱীয় সমস্যাৰ ক্ষেত্ৰতেই ব্যৱহাৰ কৰিছিল, বিশেষভাৱে তেওঁ নৈতিকতাৰ সমস্যা এই পদ্ধতি ব্যৱহাৰ কৰিছিল, আৰু ইয়াৰ পৰা তেওঁলোকে ব্যৱহাৰৰ ক্ষেত্ৰত এক বৌদ্ধিক ভিত্তি বিচাৰিবৰ চেষ্টা কৰিছিল। স্পষ্ট চিন্তাবিদসকলে, আমি দেখিছো যে তেওঁলোকৰ দিনৰ নৈতিক ধাৰণা তথা প্ৰয়োগবোৰক এক নিয়ম হিচাপেহে গণ্য কৰিছিল। সংৰক্ষণবাদীসকলে তেওঁলোকক স্বতঃপ্ৰামাণ্য বুলি গণ্য কৰিছিল, ব্যৱহাৰৰ নীতি নিয়মবোৰ আচলতে কোনোৱো চিন্তা বা বিচাৰ কৰিব নোৱাৰে, সেইবোৰ দৰাচলতে মানি চলা কিছুমান নিয়মহে। নৈতিক কথাবোৰৰ সিদ্ধান্ত ল'বলৈ বা নৈতিক কথাবোৰক বিচাৰ কৰাৰ এক মঞ্চ হিচাপে চক্রেটিছে নৈতিকতাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিছিল, যাৰ দ্বাৰা তেওঁ শুদ্ধ আৰু অশুদ্ধক এক বৌদ্ধিক নিয়ম বা নীতি বিচাৰ কৰি উলিয়াব পাৰে। তেওঁৰ মনত থকা প্ৰশ্নবোৰ এনেকুৱা ধৰণৰ আছিল যেনে— মই মোৰ জীৱনক কেনেকৈ চলাই নিব পাৰো? জীয়াই থকাৰ বৌদ্ধিক উপায় কি? এজন চিন্তাশীল জীৱ হিচাপে মানুহে কেনেকৈ কাম কৰিব লাগে। চফিষ্টসকলে এনেকৈ কওঁতে শুদ্ধ নাছিল যে মানুহেই সকলো বস্তুৰে মাপকাঠি কিয়নো যিবোৰ কথা বা বস্তুই বিশেষভাৱে মোক সুখ দিয়ে, সি কেতিয়াও সাৰ্বজনীনভাৱে সুখ হ'ব নোৱাৰে, কাৰণ সাৰ্বজনীন সুখ বোলা তেনেকুৱা কোনো কথা নাই। কিন্তু দৰাচলতে এনেকুৱা কোনো নীতি বা নিয়ম বা মানদণ্ড বা ভালত্ব থাকিব লাগে, যাক সকলো চিন্তাশীল জীৱই চিহ্নিত কৰিব পাৰে আৰু গ্ৰহণ কৰিব পাৰে যাৰ দ্বাৰা সাৰ্বজনীন সুখৰ ধাৰণাটো স্পষ্ট হ'ব পাৰে। সুখ কি, সেই সুখটো কি যাৰ বাবে আন সকলো সুখী হয়, যি পৰম সুখ?

চক্রেটিছে উত্তৰ দিছিল যে জ্ঞান হৈছে পৰম শ্ৰেয় বা পৰম সুখ। চক্রেটিছক নৈতিকতাৰ মূল মন্ত্ৰটো হ'ল— "Knowledge is virtue". শুদ্ধ কামৰ বাবে শুদ্ধ চিন্তা প্ৰয়োজনীয়। এখন জাহাজ বা এখন দেশ চলাবলৈ এজন ব্যক্তিৰ সেই জাহাজখনৰ গঠন সম্পৰ্কে বা জাহাজখনৰ কাৰুকাৰ্য্য সম্পৰ্কে জ্ঞান থাকিব লাগিব বা দেশখনৰ প্ৰকৃতি আৰু উদ্দেশ্য সম্পৰ্কে জ্ঞান থাকিব লাগিব। কি একেধৰণে, যেতিয়ালৈকে কোনো এজন ব্যক্তিয়ে সদ্‌গুণৰ অৰ্থ নাজানে, বা সদ্‌গুণ কি নাজানে, যেতিয়ালৈকে তেওঁ আত্ম-সংযম বা সাহস বা ন্যায় বা দয়া বা তাৰ বিপৰীত ধাৰণাবোৰৰ সম্পৰ্কে বেদনা জ্ঞান নাথাকে, তেওঁ কেতিয়াও সদ্‌গুণী বুলি ক'ব নোৱাৰি, কিন্তু তেওঁ যদি জানে যে সদ্‌গুণ মানে কি, তেওঁ তেতিয়া সদায় সদ্‌গুণী হৈ থাকিব। সদ্‌গুণৰ বাবে অৰ্থাৎ সদ্‌গুণ জ্ঞানৰ বাবে প্ৰয়োজনীয় আৰু ন্যায়সংগত অৱস্থা উভয়েই। জ্ঞান অবিহনে সদ্‌গুণ অসম্ভৱ, আৰু যিয়ে এই জ্ঞানৰ অধিকাৰী, তেওঁক জ্ঞানী বা সদ্‌গুণাত্মক কৰ্মকৰ্তা বুলি ক'ব পাৰি। "No man is voluntarily bad or is voluntarily good." "No man voluntarily pursues evil or that which he

thinks to be evil. To prefer evil to good is not in human nature, and when a man is compelled to choose between two evils, no one will choose the greater when he may have the less.'' এই আপত্তিটোৰে এই কথাটো উত্থাপন কৰিছে যে ''We see the better and approve of it and pursue the evil.'' চক্রেটিছে এইটো অস্বীকাৰ কৰিব যে আমি সঁচা অর্থত ভাল মানে কি তাক জানো আৰু তথাপিও ইয়াক বাছনি কৰিবলৈ অস্বীকাৰ কৰো। তেওঁৰ বাবে শুদ্ধ আৰু অশুদ্ধৰ জ্ঞান কেৱল এক তাত্ত্বিক মতামত নহয়, ই এক নিশ্চিত বাস্তৱিক মতামত, যি কেৱল প্রজ্ঞাৰেই বিষয় নহয়, বৰং ই ইচ্ছাৰো বিষয়।

চক্রেটিছে তেওঁৰ জ্ঞান আৰু সদ্‌গুণৰ চিহ্নিত কৰণৰ পৰা বহুতো বেলেগ বেলেগ ধাৰণাও নিঃসৰিত কৰিছিল। যিহেতু সদ্‌গুণ মানে জ্ঞান সেয়েহে ক'ব পাৰি যে সদ্‌গুণ হৈছে সেয়া বা ই এক, জ্ঞান এক ঐক্যতা, সত্যতাৰ এক ব্যৱস্থাপিত বা সুসজ্জিত ব্যৱস্থা আৰু সেয়েহে আমি যিমানবোৰ সদ্‌গুণ পাওঁ সেইবোৰ কেৱল সদ্‌গুণবোৰৰ বিভিন্ন প্রকাৰ। তাৰোপৰি, সদ্‌গুণ কেৱল নিজে নিজেই ভাল নহয়, ই মানুহৰ বাবেও দৰকাৰী বা মানুহৰ বাবেই ইয়াক অৱতাৰণা কৰা হৈছে। সেয়েহে, মানুহে সদ্‌গুণক অর্জন কৰিবৰ বাবেও চেষ্টা কৰিব লাগে। সকলো ধৰণৰ মর্যাদাপূর্ণ আৰু দৰকাৰী কর্মবোৰৰ যি অভিপ্রায় সেয়া হ'ল এইবোৰ সদ্‌কর্মৰ জৰিয়তে মানৱ জীৱনটোক দুখ-দুর্দশামুক্ত আৰু আনন্দদায়ক কৰি তুলিব বিচৰা হয়। সেয়েহে যি মর্যাদাপূর্ণ তাক দৰকাৰী তথা ভাল বা শ্রেয় বুলিও গণ্য কৰা হয়। সদ্‌গুণ আৰু সঁচা আনন্দ ইটো-সিটোৰ লগত একে, যি বিবেকপূর্ণ বা সাহসী বা জ্ঞানী বা ন্যায়সংগত নহয় তেওঁ কেতিয়াও সুখী হ'ব নোৱাৰে।

''I do nothing, say Socrates in the Apology, but go about persuading yo all, old and young alike, not to take thought for your persons on properties, but first and chiefly to care about the greatest improvement of the soul. I tell you that virtue is not given by morey, but that from virtue comes money and every other good of man, public as well as private.

আৰু তেওঁৰ পৰীক্ষণৰ (trial)ৰ সময়ত তেওঁ কোৱা অন্তিম কথাষাৰ আছিল এনে ধৰণৰ ঃ

''Still I have a favour to ask of them (my condeminers and aceusers). When my sons are grown up, I would ask you, on my friend, to punish them, i and I would have you trouble them as I have traubled you if they seem to care about riches or about anything, more than about virtue, or if they pretend to be something when they are relally

nothing-then reprove them, as I have reproved you, for not caring about that for which they aught to care, and thinking that they are something when they are really nothing. And if you do this, bath I and my sons will have receives justice at your hands.''

চক্রেটিছে কেতিয়াও কোনো ধৰণৰ অধিবিদ্যা সম্পৰ্কীয় কোনো ধৰণৰ ব্যৱস্থা নাইবা তেওঁ কোনো ধৰণৰ জ্ঞানৰ বা ব্যৱহাৰৰ কোনো তত্ত্বৰ অৱতাৰণা কৰা নাছিল। তেওঁৰ দ্বাৰা কোৱা কথাবোৰৰ ওপৰত বা পৰা কিছুমান ভিত্তি বনাবলৈ তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছিল। বিহু মানে তেওঁৰ পদ্ধতিৰ দ্বাৰা অনুমোদন কৰা তৰ্কবিদ্যা সম্পৰ্কীয় সমস্যাবোৰক তেওঁলোকৰ অধ্যয়নৰ বিষয় কৰি ল'লে, আন কিছুমানে তেওঁৰ নৈতিক কাৰু কাৰ্যবোৰত নিহিত হৈ থকা প্ৰশ্নবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু তাৰ পৰা তেওঁলোকে কিছুমান নীতিশাস্ত্ৰৰ তত্ত্ব গঠন কৰিবৰ চেষ্টা কৰিছিল। ইউক্লিডিচে (Euclides (450-374 B.C)) যি প্ৰৱৰ্তন কৰিছিল, সেই/তেওঁলোকে যি চক্রেটিক শিক্ষা আছিল যেনে সদ্‌গুণেই জ্ঞান তাক ইলেটিক যি তত্ত্ব আছিল সত্তাৰ একতা সম্পৰ্কে তাৰ লগত লগ লগাই দিছিল। বস্তুৰ নিত্য সত্তা শ্ৰেয়ৰ ধাৰণাটোৰ পৰাই গঠন হয়, তাৰ বাহিৰে আন কোনো বস্তুৰ পৰা নহয়— দ্ৰব্য নাইবা গতি, নাইবা ইন্দ্ৰিয়ানুভুতিৰ পৰিৱৰ্তনশীল পৃথিৱী— এইবোৰৰ কাৰো সঁচা সত্তা নাই। সেইবাবে, কেৱল মাত্ৰ এটাই সদ্‌গুণ আচে তাৰ বাহিৰে আন কোনো সদ্‌গুণ নাই আৰু সেইবাবে, বাহ্যিক শ্ৰেয়বোৰবো কোনো ধৰণৰ মূল্য নাথাকে।

চিনিকচ্‌সকলে (The Cynics) চক্রেটিছক তত্ত্বক অতিৰঞ্জিত কৰিছিল যে সদ্‌গুণ যি জ্ঞানৰ লগত একে, ই নিজৰ বাবেই বৰ মূল্যবান, ই সুখৰ আনবোৰ ধাৰণা বা যাক পুৰস্কাৰ (Rewards) বুলিও ক'ব পাৰি, সেইবোৰৰ পৰা বহুত মূল্যবান। সেইমতে মানুহৰ কৰ্তব্য হ'ল সদ্‌গুণী হোৱা আৰু সকলো ধৰণৰ ইচ্ছা আকাংক্ষাৰ পৰা মুক্ত হ'ব বিচৰাটো। সকলো ধৰণৰ ইচ্ছা বা আকাংক্ষাবোৰৰ পৰা মুক্ত হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাটো চক্রেটিছে কোৱা বা পৰীক্ষণ কৰা চাৰিত্ৰিক বৈশিষ্ট্যবোৰৰ এক অতিৰঞ্জিতকৰণহে (exaltation) যিবোৰ তেওঁৰ আনৰ মতামতবোৰতকৈ তেওঁৰ ব্যক্তিগত স্বাধীনতা আৰু অমনোযোগিতা বা উদাসীনতাৰ মতামত আছিল। সদ্‌গুণ আৰু দায়িত্বৰ নীতিশাস্ত্ৰই ইয়াৰ প্ৰৱৰ্তকসকলক একেবাৰে নিয়মানুবৰ্তিতা, প্ৰতিৰোধকৰণ, আত্ম-ত্যাগ আৰু একেবাৰে সকলো লোব মোহৰপৰা সম্পূৰ্ণ মুক্তৰ এক চৰম সীমালৈ লৈ গৈছিল— আন কথা ই বৈৰাগ্যতাৰ (asceticism) দিশলৈ গতি কৰিছিল। ই আনহাতে সভ্যতাৰ কৃত্ৰিমকৰণৰ অস্বীকাৰকৰণৰ ফাললৈ গতি কৰিছিল আৰু ই প্ৰকৃতিৰ ৰাজ্যলৈ ঘুৰি যোৱাৰ পথ নিৰ্দেশ কৰিছিল। চিনিকচ্‌সকলে (The Cynics) সুখবাদৰ তত্ত্বক অস্বীকাৰ কৰিছিল আৰু সদ্‌গুণৰ পৰিৱৰ্তে সদ্‌গুণ তত্ত্বক সমৰ্থন কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ চমুটোকা লিখা ঃ

(ক) গ্রীক দর্শনত জ্ঞানৰ ধাৰণা

(খ) চক্রেটিছৰ সদ্‌গুণ আৰু জ্ঞানৰ ধাৰণা

প্রশ্ন নং ৩ ঃ সঁচা নে মিছা লিখা ঃ

(ক) চক্রেটিছে সদ্‌গুণক জ্ঞানৰ লগত চিহ্নিত কৰিছিল।

(খ) চক্রেটিচে তেওঁৰ দার্শনিক বিশ্লেষণত যি পদ্ধতি অৱলম্বন কৰিছিল সেয়া আছিল সংশয়বাদী পদ্ধতি।

(গ) চক্রেটিছক নীতিশাস্ত্রৰ মূলমন্ত্র হ'ল "জ্ঞানেই সদ্‌গুণ (Knowledge is virtue)।

(ঘ) সদ্‌গুণৰ বাবে জ্ঞান হৈছে দৰকাৰী আৰু ন্যায়সংগত অৱস্থা উভয়েই, জ্ঞান নোহোৱাকৈ সদ্‌গুণ অসম্ভৱ আৰু যাৰ জ্ঞান থাকে তেওঁ সদ্‌গুণাত্মক কর্ম কৰে।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সদ্‌গুণ (Latin : Virtues, Ancient Greek : 'arete') ৰ অর্থ হ'ল নৈতিক উৎকৃষ্টতা (moral excellence)। সদ্‌গুণ মানে হ'ল কিছুমান চৰিত্র বা গুণ যাক নৈতিকভাৱে শুদ্ধ বুলি ধৰা হয় আৰু যাক নৈতিক উদ্দেশ্য বুলি মানি লৈ এজন ভাল মানুহৰ সত্তাৰ সন্ধান কৰা হয়।
- চাৰি প্রকাৰৰ প্রমুখ গুণসমূহ হ'ল সংযম, বিবেক, সাহস আৰু ন্যায়।
- সদ্‌গুণ হ'ল কোনো এটা উত্তম প্রকাৰৰ চাৰিত্রিক গুণ। ই হ'ল এক চাৰিত্রিক গুণ যি ব্যক্তিৰ মাজত তিল তিলকৈ নিহিত হৈ থাকে— যিবোৰৰ আমাৰ স্বভাৱ বা অভ্যাসবোৰৰ দৰে নহয় যেনে এজন চাহ খাব ভাল পোৱা ব্যক্তি হিচাপে তেওঁৰ যিবোৰ চাৰিত্রিক বৈশিষ্ট্য যেনে— তেওঁৰ কথা-বতৰা বা নিৰীক্ষণ কৰাৰ ধৰণ, তেওঁক প্রমূল্য বা আশা-আকাংক্ষাবোৰ, তেওঁৰ যি ধৰণে ইচ্ছা, বাছনি বা কর্ম কৰে।
- চক্রেটিছৰ মতে কোনো ব্যক্তিক সদ্‌গুণৰ অধিকাৰী বুলি কোৱাৰ অর্থ হ'ল যে তেওঁ এক বিশেষ ধৰণৰ ব্যক্তি যাৰ এক নিশ্চিত বিশেষ ধৰণৰ চিন্তাধাৰা আছে।
- সদ্‌গুণৰ নীতিতত্ত্ব হ'ল এক আদর্শগত নৈতিক তত্ত্ব (or aretaic ethics from Greek arete) যিয়ে মানসিক সদ্‌গুণ তথা চৰিত্রবোৰ আলোচনা কৰে।
- সদ্‌গুণৰ তত্ত্ব চক্রেটিছে আৰম্ভ কৰিছিল আৰু পিছত ইয়াৰ প্লেটো, এৰিষ্টটল আৰু ষ্টয়িকচ্‌সকলৰ দ্বাৰা বিস্তাৰ ঘটিছিল।

- চক্রেটিছৰ মতে সদ্‌গুণৰ তত্ত্ব হ'ল এনে এক উদ্দেশ্যধর্মী নৈতিক দর্শন যিয়ে কর্ম কৰাতকৈ তাৰ সত্তাৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিয়ে।
- চাৰি প্রকাৰৰ প্রধান বা প্রমুখ সদ্‌গুণবোৰ যেনে- জ্ঞান, ন্যায়, সাহস আৰু বিবেক— এই সকলোবোৰ প্লেটোৰ Republicত পোৱা যায়।
- চক্রেটিছে জ্ঞানক সদ্‌গুণৰ লগত চিহ্নিত কৰিছে। সেইবাবে চক্রেটিছৰ মতে সদ্‌গুণ শিকাব পৰা যায়।
- চক্রেটিছৰ মতে আমি শুদ্ধ উপায় অৱলম্বন কৰাৰ পিছতহে আমি জ্ঞান অর্জন কৰাৰ চেষ্টা কৰিব লাগে আৰু আমি আমাৰ বুদ্ধিক প্রথম আদর্শ ধৰিব লাগে।
- চক্রেটিছে তেওঁৰ দার্শনিক ব্যাখ্যাত যি পদ্ধতি আলোচনা কৰিছিল বা প্রয়োগ কৰিছিল সেই পদ্ধতি আছিল সংশয়বাদী, ই আৰম্ভ হৈছিল চক্রেটিছৰ দ্রব্যৰ সত্যতা সম্পর্কে থকা অৱহেলাৰ কাৰণে।
- চক্রেটিছৰ পদ্ধতিটো আছিল ধাৰণাগত বা সংজ্ঞাগত কাৰণ ই ধাৰণাবোৰৰ শুদ্ধ সংজ্ঞা লাভ কৰাৰ ক্ষেত্রত ই জ্ঞানৰ কিছুমান লক্ষ্য বান্ধি দিছিল, যেনে- কিছুমান নৈতিক ধাৰণা যেনে ন্যায়, দয়া, জ্ঞান, সাহস আৰু তেনেকুৱা বহুতো।
- চক্রেটিক মতে জ্ঞান হৈছে পৰম শ্রেয় বা পৰম সুখ চক্রেটিক নৈতিকতাৰ মূলমন্ত্রটো হ'ল— .
- সদ্‌গুণৰ বাবে জ্ঞান উভয়েই অর্থাৎ সদ্‌গুণৰ জ্ঞানৰ বাবে প্রয়োজনীয় আৰু ন্যায়সংগত অৱস্থা উভয়েই জ্ঞান অহিবনে সদ্‌গুণ অসম্ভৱ আৰু যিয়ে এই জ্ঞানৰ অধিকাৰী, তেওঁক জ্ঞানী বা সদ্‌গুণাত্মক কর্মৰ কর্তা বুলি ক'ব পাৰি।
- চক্রেটিছে তেওঁৰ জ্ঞান আৰু সদ্‌গুণৰ চিহ্নিতকৰণৰ পৰা বহুতো বেলেগ বেলেগ ধাৰণা নিঃসৰিত কৰিছিল। যিহেতু সদ্‌গুণ মানে জ্ঞান সেয়েহে ক'ব পাৰি যে সদ্‌গুণ হৈছে সেয়া বা ই এক্য জ্ঞান এক ঐক্যতা, সত্যতাৰ এক ব্যৱস্থিপিত বা সুসজ্জিত ব্যৱস্থা আৰু সেয়েহে আমি যিমানবোৰ সদ্‌গুণ পাওঁ সেইবোৰ কেৱল সদ্‌গুণবোৰৰ বিভিন্ন প্রকাৰহে।
- চক্রেটিছৰ মতে, সদ্‌গুণ কেৱল নিজে নিজেই ভাল নহয়, ই মানুহৰ বাবেও দৰকাৰী বা মানুহৰ বাবেই ইয়াক অৱতাৰণা কৰা হৈছে।
- চিনিকচ্‌সকলে (The Cynics) চক্রেটিক তত্ত্বক অতিৰঞ্জিত কৰিছিল যে সদ্‌গুণ যি জ্ঞানৰ লগত একে, ই নিজৰ বাবেই বৰ মূল্যবান, ই সুখৰ আনবোৰ ধাৰণা বা যাক পুৰস্কাৰ (Rewards) বুলি ক'ব পাৰি, সেইবোৰৰ পৰা বহুত মূল্যবান। সেইমতে মানুহৰ কর্তব্য হ'ল সদ্‌গুণী হোৱা আৰু সকলোধৰণৰ ইচ্ছা আকাংক্ষাৰ পৰা মুক্ত হ'ব বিচৰাটো।

৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Tilly, Frank, A History of Philosophy, Central Publishing house, Allahabad.
2. Masih, y. A critical History of western Philosophy (Greek, Medieval, Modern), Motilal Banarsidass Publishers private limited, Delhi.
3. Wright, M.R. Introducing Greek Philosophy, Routledge.
4. Staee, W.T. A critical History of Greek Philosophy, Macmillan and Co limited, London.

৬.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) চাৰিত্ৰিক বৈশিষ্ট্য বা গুণ

(খ) সাহস

(গ) পুৰণি গ্ৰীক

(ঘ) Republic

২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) (গ্ৰীক দৰ্শনত জ্ঞানৰ ধাৰণা গোটটোৰ গোটেইখিনি লিখিব লাগিব)

(খ) (চক্ৰেটিছৰ সদ্‌গুণ আৰু জ্ঞানৰ ধাৰণা গোটটোৰ গোটেইখিনি লিখিব লাগিব)

৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মিছা

(খ) সঁচা

(গ) সঁচা

(ঘ) সঁচা

৬.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ সদ্‌গুণৰ সংজ্ঞা দিয়া।

প্ৰশ্ন ২ ঃ চাৰি প্ৰকাৰৰ প্ৰমুখ সদ্‌গুণ কি কি?

প্ৰশ্ন ৩ ঃ বৌদ্ধদৰ্শনৰ সদ্‌গুণৰ ধাৰণাটোক কি নামেৰে জনা যায়?

প্ৰশ্ন ৪ ঃ সদ্‌গুণৰ নীতিতত্ত্ব কাক বোলে?

প্রশ্ন ৫ ঃ পুৰণি গ্রীক দর্শনত কোনে সদ্‌গুণৰ নীতিতত্ত্বক আৰম্ভ কৰিছিল?

(খ) চমু প্রশ্ন ঃ (১৫০টা মান শব্দৰ ভিতৰত উত্তৰ কৰক)

প্রশ্ন ১ ঃ চক্রেটিক দর্শনত সদ্‌গুণৰ ধাৰণা।

প্রশ্ন ২ ঃ সদ্‌গুণৰ নীতিতত্ত্ব।

প্রশ্ন ৩ ঃ চক্রেটিছৰ মতে জ্ঞানৰ ধাৰণা।

(গ) চমু টোকা ঃ (১৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ গ্রীক দর্শনত সদ্‌গুণ।

প্রশ্ন ২ ঃ চাৰি প্রকাৰৰ প্রমুখ বা প্রধানকাৰণ।

প্রশ্ন ৩ ঃ চক্রেটিছৰ জ্ঞানৰ ধাৰণা।

(ঘ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ গ্রীক দর্শনত পোৱা প্রমুখ/প্রধান সদ্‌গুণবোৰৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ চক্রেটিছে কেনেকৈ জ্ঞানৰ লগত সদ্‌গুণৰ ধাৰণাটোক সংযোগ কৰিছে ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ চক্রেটিক দর্শনত লাভ কৰা সদ্‌গুণৰ নীতিতত্ত্বৰ ধাৰণাটোক বহলাই আলোচনা কৰক।

প্রশ্ন ৪ ঃ গ্রীকৰ জ্ঞানৰ ধাৰণাটো কি ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ প্লেটো ঃ জ্ঞান তত্ত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ প্লেটোৰ জ্ঞান তত্ত্ব

৭.৩.১ জ্ঞান বোধ বা বোধ জ্ঞান নহয়

৭.৩.২ জ্ঞান অভিমত নহয়

৭.৪ সকলো জ্ঞান সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান (Knowledge through concept)

৭.৫ জ্ঞানৰ চাৰিটা শ্ৰেণী

৭.৬ সত্য বিশ্বাস হিচাপে প্ৰতিপাদিত জ্ঞান

৭.৭ সামৰণি

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্ৰগতিৰ খতিয়ান

৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্লেটোৰ জ্ঞানতত্ত্ব কি তাক জানিব পাৰিব
- জ্ঞান যে বোধ বা বোধজ্ঞান নহয় তাক আলোচনা কৰিব পাৰিব
- জ্ঞান যে অভিমত নহয় তাক ব্যাখ্যা কৰিব পাৰিব
- সকলো জ্ঞান যে সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান তাক আলোচনা কৰিব পাৰিব
- জ্ঞানৰ চাৰিটা শ্ৰেণীৰ পৰিচয় লাভ কৰিব
- জ্ঞান যে প্ৰতিবাদিত সত্য বিশ্বাস তাক আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

জ্ঞানতত্ত্বই জ্ঞানৰ সিদ্ধতাৰ লগত জড়িত চৰ্তসমূহ আৰু সীমাবদ্ধতাৰ লগতে জ্ঞান প্ৰকৃতি, মূল আৰু পৰিসৰৰ লগত জড়িত দাৰ্শনিক অধ্যয়নৰ দিশসমূহ সামৰে। জ্ঞানতত্ত্বত (Epistemology) অমীমাংসিত হৈ থকা প্ৰাথমিক বিষয়টোৱেই হৈছে জ্ঞানৰ সংজ্ঞা। বিভিন্ন সময়ত, বিভিন্নজন দাৰ্শনিকে জ্ঞানৰ বিবিধ সংজ্ঞা আগবঢ়াইছে। পোনপ্ৰথমে প্লেটোৱে সেই আলোচনা মুকলি কৰিছে য'ত কি জ্ঞান নহয় তাক কোৱা হৈছে। জ্ঞানৰ সংজ্ঞাবদ্ধ কৰোতে তেওঁৰ মুখ্য লক্ষ্য হৈছে জ্ঞানৰ লগত জড়িত অসত্য তত্ত্বসমূহ যুক্তিৰে খণ্ডন কৰা।

৭.৩ প্লেটোৰ জ্ঞানতত্ত্ব

প্লেটোৱে যুক্তিৰে খণ্ডন কৰা প্ৰথমটো অসত্য তত্ত্ব হৈছে সেইটো য'ত কোৱা হৈছে যে জ্ঞান বোধ বা বোধজ্ঞান নহয়। 'Theaetetus'ৰ মূল লক্ষ্যই হৈছে এই তত্ত্বটো যুক্তিৰে খণ্ডন কৰা। তেওঁৰ তৰ্কৰ সাৰাংশ এনে ধৰণৰ—

৭.৩.১ জ্ঞান বোধ বা বোধজ্ঞান নহয়

১) চফিষ্টসকল আৰু প্ৰোটাগোৰাচে জ্ঞান যে বোধ বা বোধজ্ঞান সেই তত্ত্ব আগবঢ়াইছে। এই তত্ত্ব মতে এজন ব্যক্তিৰ দৃষ্টিত যিটো সত্য ৰূপে দৃশ্যমান হয় সেইটোৱেই সেই গৰাকী ব্যক্তিৰ বাবে সত্য। অন্য কথাত ক'বলৈ গ'লে, মোৰ দৃষ্টিত যিটো সত্য ৰূপে ধৰা দিয়ে সেইটোৱেই মোৰ বাবে সত্য আৰু আপোনাৰ বোধ বা বোধজ্ঞানত যিটো সত্য ৰূপে ধৰা দিয়ে সেইটো আপোনাৰ বাবে সত্য। কিন্তু ভৱিষ্যতে হোৱা ঘটনাসমূহৰ প্ৰায়োগিক প্ৰসঙ্গত আমাৰ যি বিচাৰশক্তি হ'ব সেই ক্ষেত্ৰত আমাৰ বৰ্তমানৰ ব্যক্তিগত বোধ দৃষ্টিভঙ্গী অসত্য প্ৰতিপন্ন হ'ব। উদাহৰণ স্বৰূপে, মোৰ এনে ভাব হ'ব পাৰে যে অহা বছৰলৈ মই মুখ্য ন্যায়াধীশ হ'ম। কিন্তু তাৰ পৰিৱৰ্তে মই হয়তো মোক নিজকে বন্দীশালতহে পাম।

২) বোধ বা বোধজ্ঞানে পৰস্পৰ বিৰোধী ধাৰণাহে উপজায়। একেটা বস্তু ওচৰৰ পৰা ডাঙৰ যেন দেখি, অথচ কিছু দূৰলৈ নিলে সৰু দেখি। কোনটো সত্য সেইটো জানিবলৈ আমি দুটাৰ মাজত এটাক বাচি ল'ব পাৰিব লাগিব, এটাক স্বীকাৰ কৰিবলৈ আৰু আনটোক নাকচ কৰিব পাৰিব লাগিব। কিন্তু যদি জ্ঞান বোধ বা বোধজ্ঞান হয়, তেতিয়া হ'লে এটা বোধক স্বীকাৰ কৰি আনটোক নাকচ কৰাৰ অধিকাৰ আমাৰ নাই। সকলোৰে বাবে বোধ বা বোধজ্ঞানেই জ্ঞান (knowledge)। সকলো সত্য।

৩) এই মতবাদে সকলো শিক্ষা, সকলো আলোচনা, প্ৰমাণ বা বিপৰীত প্ৰমাণক অসম্ভৱত পৰিণত কৰে। যিহেতু সকলো বোধ বা বোধজ্ঞানেই সমানে

সত্য, সেই বাবে এটি শিশুৰ বোধো তাৰ শিক্ষকবৃন্দৰ বোধৰ সত্যতাৰ সমানে ন্যায্য। যদি সেইটোৱেই হয়, তেতিয়াহ'লে তর্ক কৰিব লগীয়া একোৱেই নাই।

৪) যদি বোধ বা বোধজ্ঞানেই সত্য, তেতিয়া অন্তর্দৃষ্টিসম্পন্ন সত্তা হিচাপে ব্যক্তি (man) য়েই তেওঁৰ চৰিত্রৰ সকলোবোৰ উপাদানৰ মাপদণ্ড (measure)। যিহেতু জন্তুসমূহো অন্তর্দৃষ্টিসম্পন্ন জীৱ, সেই নিমিত্তে আটাইতকৈ তুচ্ছ জন্তুটোৱো মানুহৰ সমান, সেইবাবে সিও তাৰ চৰিত্রৰ সকলোবোৰ উপাদানৰ মানদণ্ড নিৰূপণ কৰিব পাৰে।

৫) প্রোটাগোৰাচৰ মতবাদটো স্বয়ং বিৰোধী। প্রোটাগোৰাচে এইটো স্বীকাৰ কৰিছে যে মোৰ দৃষ্টি আগত যিহৰ আবির্ভাৱ হয়, মোৰ বাবে সেইটোৱেই সত্য। যদি তাৰ বাবেই মোৰ কাৰণে এইটো সত্য যেন দেখি তেতিয়াহ'লে প্রোটাগোৰাচৰ মতবাদটো অসত্য হ'ব। স্বয়ং প্রোটাগোৰাচে স্বয়ং নিজেই এইটো সত্য বুলি ক'ব লাগিব।

৬) ই সত্যৰ বস্তুনিষ্ঠতাক ধ্বংস কৰে আৰু সত্য তথা অসত্যৰ মাজত পার্থক্যক সম্পূর্ণভাৱে অর্থহীন কৰি তোলে।

৭) যদি বোধেই জ্ঞান আৰু স্মৃতিয়ে সেইটো কৰিব নোৱাৰে, তেতিয়াহ'লে ইয়াৰ ফলাফল উদ্ভট হ'ব। যদিহে এজন ব্যক্তিয়ে কিবা এটা চোৱাৰ পিছত নিজৰ চকু বন্ধ কৰি দিয়ে, কিন্তু চোৱা বস্তুটো মনত ৰাখে, তেতিয়াহ'লে কি মনত ৰাখিছে সেই জ্ঞান তেওঁৰ নাথাকে।

গতিকে ওপৰত কৰি অহা আলোচনাৰ ভিত্তিত আমি এইটো ক'ব পাৰো যে বোধ বা বোধজ্ঞান হিচাপে জ্ঞান এটা উদ্ভট মতবাদ।

৭.৩.২ জ্ঞান অভিমত নহয়

প্লেটোৱে যুক্তিৰে খণ্ডন কৰিব খোজা দ্বিতীয়টো অসত্য তত্ত্ব হৈছে সেইটো য'ত কোৱা হৈছে যে জ্ঞান অভিমত নহয়। ভুল অভিমত এটা স্পষ্টভাৱে জ্ঞান নহয়। কিন্তু শুদ্ধ অভিমতকো জ্ঞান বুলি আখ্যা দিব নোৱাৰি। আমি প্রায়েই সংস্কাৰগত ভাবেই হওঁক বা প্রবৃত্তিগত ভাবেই হওঁক, এইটো অনুভৱ কৰোঁ যে কিবা এটা সত্য, যদিও আমাৰ সেই বিশ্বাসৰ কোনো নির্দিষ্ট ভিত্তি প্রদর্শন কৰিব নোৱাৰো। সেই বিশ্বাসটো সম্পূর্ণ শুদ্ধ হ'ব পাৰে, কিন্তু প্লেটোৰ ভাষাত সেয়া জ্ঞান নহয়। ই কেৱল শুদ্ধ অভিমতহে। জ্ঞান আয়ত্ত কৰিবলৈ এটা বস্তুক জনাৰ লগতে বস্তুটোনো কি কাৰণে তেনেকুৱা সেইটোৱো জানিব লাগে। কাৰণসমূহ জনাতো আৱশ্যক। জ্ঞান কেৱল মাত্র প্রবৃত্তিগত বিশ্বাস হোৱাতকৈ ই পৰিপূর্ণ আৰু সম্পূর্ণ

বোধ আৰু যুক্তিসিদ্ধ উপলব্ধি হোৱা উচিত। আস্থা নহয় বৰঞ্জ যুক্তিৰ ওপৰতহে ই প্রতিষ্ঠিত হ'ব লাগিব। ই সলনিও হ'ব পাৰে যাতে মোৰ বিশ্বাস বা অভিমত সত্য হয়। ধৰি লোৱা হ'ল মোৰ বিশ্বাস যে অহা কালি বৰষুণ দিব। বৰষুণ দিলেও। কিন্তু তথাপিতো মোৰ বিশ্বাস জ্ঞান নহয় কাৰণ মোৰ সেই বিশ্বাস সংস্কাৰ বা প্রবৃত্তি নির্ভৰ, সি যুক্তিনির্ভৰ নহয়— শুদ্ধ অভিমত বা বিশ্বাস প্রায়েই একোটা 'অন্ধ অনুমান' (blind guess) হ'ব পাৰে। প্লেটোৰ মতে ই জ্ঞান নহয়। জ্ঞান আয়ত্ত কৰিবলৈ হ'লে এটা বস্তুক জনাৰ লগতে বস্তুটোনো কি কাৰণে তেনেকুৱা সেইটোৱো জানিব লাগিব। ব্যক্তিয়ে কাৰণসমূহ জনাতো উচিত। বিশ্বাস অশুদ্ধ যেতিয়া তথ্যৰ লগত তাৰ সমন্বয় সাধন নহয়। তথ্যৰ লগত সমন্বয় সাধন হ'লেহে বিশ্বাস শুদ্ধ হয়। প্রকৃতার্থত ক'বলৈ গ'লে শুদ্ধ বিশ্বাসো সদায়েই জ্ঞান নহ'বও পাৰে। হয়তো ই এটা শুভ অনুমানহে। যেতিয়া বিশ্বাস প্রমাণ আৰু যুক্তিসিদ্ধতাৰ দ্বাৰা সজ্জিত হয়, তেতিয়া ই জ্ঞানৰ স্তৰলৈ উন্নীত হয়। মই এইটো বিশ্বাস কৰিব পাৰো যে অহাকালিলৈ বৰষুণ দিব। মোৰ বিশ্বাস প্রমাণৰ দ্বাৰা প্রতিপাদিত নহয়। কিন্তু যেতিয়া বতৰ বিজ্ঞান বিভাগে ঘোষণা কৰে যে অহাকালিলৈ বৰষুণ দিব তেতিয়া ই জ্ঞান হ'ব কাৰণ এই উক্তিটো যথোপযুক্ত প্রমাণৰ দ্বাৰা প্রতিপাদিত হৈছে। কেৱল শুদ্ধ বিশ্বাসেই জ্ঞান নহয়। তদুপৰি, অভিমত বা বিশ্বাস শুদ্ধ বা অশুদ্ধ হ'ব পাৰে। কিন্তু জ্ঞান সদায়েই শুদ্ধ। আকৌ ইয়াত অভিমত বা বিশ্বাসৰ লক্ষ্য হৈছে কিছুমান বিশেষ বস্তু আৰু সত্তা। কিন্তু জ্ঞানৰ লক্ষ্য হৈছে বাস্তৱতা, চিন্তাবোৰ অথবা আকৃতিবোৰ। এইদৰে অশুদ্ধ তত্ত্বসমূহ যুক্তিৰে খণ্ডন কৰি প্লেটোৱে তেওঁৰ জ্ঞানতত্ত্বৰ সকাৰাত্মক দিশত আলোকপাত কৰিছে।

৭.৪ সকলো জ্ঞান সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান

যদি জ্ঞান বোধ বা অভিমত ইয়াৰ এটাও নহয়, তেন্তে ই কি? প্লেটোৱে সালসলনি নকৰাকৈ ছ'ক্রেটিছৰ সেই নীতি গ্রহণ কৰিছে য'ত কোৱা হৈছে যে সকলো জ্ঞান ধাৰণাৰ মাজেদি অহা জ্ঞান। ধাৰণ যিহেতু সংজ্ঞাৰ নিচিনা, ই দৃঢ় আৰু চিৰস্থায়ী আৰু ব্যক্তিৰ স্বনাভূতিসম্পন্ন সাঁচ অনুসৰি বিৰাট পৰিৱর্তনৰ বাবে দায়ী নহয়। ই আমাক বস্তুনিষ্ঠ সত্যৰ সন্ধেদ দিয়ে। 'মনুষ্য' (man) ধাৰণাটো প্রত্যেক ব্যক্তি বিশেষে সলনি নহয়। ব্যক্তি বিশেষৰ অহা-যোৱা চলি থাকিব, কিন্তু 'মনুষ্য' ধাৰণাটো অপৰিবর্তিত হৈ থাকে— জ্ঞানৰ লক্ষ্য হিচাপে এইসমূহ ধাৰণাই থাকে যিবোৰ দৃঢ় আৰু চিৰস্থায়ী। এইসমূহ সংজ্ঞাৰ দৰে একেই। ধাৰণাসমূহ স্বানুভূতিজাত নহয়। এইসমূহ ব্যক্তি ভেদে ভিন্ন নহয়। ইয়ে আমাক বস্তুনিষ্ঠ সত্য প্রদান কৰে। জ্ঞান যুক্তিৰ ভেটিত গঢ় লয় আৰু যুক্তি ধাৰণাসমূহৰ কার্যক্ষমতা। সেয়েহে প্লেটোৱে এইটো বিশ্বাস কৰিছিল যে প্রকৃত জ্ঞান হৈছে ধাৰণাৰ জ্ঞান। কিন্তু তেওঁ ছ'ক্রেটিচৰ পৰা এটা বিষয়ত পৃথক য'ত তেওঁ কৈছে যে এই ধাৰণাসমূহ কেৱল আমাৰ মনৰ পৰাই যে উপজে

এনে নহয়, বৰঞ্চ সেইসমূহৰ প্ৰকৃত স্থিতি আমাৰ মনৰ বাহিৰতহে। আমাৰ ধাৰণাসমূহ শুদ্ধ যিহেতু সেইবোৰৰ শুদ্ধ বা প্ৰকৃত ধাৰণা বা চিন্তা বা ৰূপৰ লগত মিল আছে। প্লেটোৰ বাবে জ্ঞান হৈছে "চিন্তা আৰু বাস্তৱ বা অস্তিত্বৰ ঐক্য"।

৭.৫ জ্ঞানৰ চাৰিটা শ্ৰেণী

"Republic"-অত প্লেটোৱে জ্ঞানৰ চাৰিটা শ্ৰেণীৰ কথা কৈছে যি মানৱ মনৰ চাৰিটা প্ৰবুদ্ধ সামৰ্থ্যৰ লগত জড়িত সেইসমূহ হৈছে—

ইয়াৰ প্ৰথম স্তৰ দুটাই অভিমত বা বিশ্বাস (বোধ বা বোধজ্ঞান)ৰ স্তৰ নিৰ্মাণ কৰে। দ্বিতীয় স্তৰ দুটা হৈছে যুক্তিৰ সৰ্বব্যাপক ইন্দ্ৰিয়গ্ৰাহ্য স্তৰ।

(১) জ্ঞানৰ সৰ্বনিম্ন শ্ৰেণীটো আমাৰ কল্পনাৰ লগত সংলগ্ন। ই ব্যক্তি বিশেষ আৰু বস্তুবিশেষৰ প্ৰপঞ্চ আৰু স্বপ্ন প্ৰতিকৃতিৰ লগত জড়িত, উদাহৰণ স্বৰূপে বিশেষ 'ব্যক্তি'ৰ প্ৰতিকৃতিৰ তথা কথিত জ্ঞান বা প্ৰতিৰূপ (Copy)— এইজন বা সেইজন ব্যক্তি। শুদ্ধ অৰ্থত এই স্তৰৰ জ্ঞানক মুঠেও 'জ্ঞান' বুলিব নোৱাৰি।

(২) জ্ঞানৰ দ্বিতীয় স্তৰটোত বোধজনিত বিশ্বাস আৰু অভিমত অন্তৰ্ভুক্ত হয়, উদাহৰণ স্বৰূপে এজন ব্যক্তি বিশেষৰ জ্ঞান। ইয়াক আমি বোধজ্ঞানৰ মাজেদি লাভ কৰো। ব্যক্তি হৈছে আদৰ্শ 'মানৱ'ৰ প্ৰতিকৃতি বা প্ৰতিৰূপ। ইয়াত জ্ঞানৰ লক্ষ্যবস্তু হৈছে ধাৰণাসমূহৰ প্ৰতিৰূপ। প্লেটোৰ মতে এই দুটা স্তৰৰ এটাও যথোপযুক্ত জ্ঞান নহয়।

(৩) জ্ঞানৰ পৰৱৰ্তী উচ্চ স্তৰটোৰ অন্তৰ্ভুক্ত হয়। গণিত আৰু জ্যামিতিত প্ৰাপ্ত অংক (numbers) আৰু আকৃতি (figures) সমূহৰ জ্ঞান। ইয়াত বুজি পোৱা সামৰ্থ্যটো হৈচে মনন বা প্ৰজ্ঞা। প্লেটোৰ মতে যুক্তিৰ তুলনাত কোনটো তুচ্ছ? যদিও এই জ্ঞান যুক্তি নিৰ্ভৰ, ই কিছুমান আত্ম প্ৰতীয়মান নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈছে যাক প্ৰজ্ঞাই সমুচিত প্ৰতিপাদন কৰিব নোৱাৰে কিন্তু সেইসমূহক অনুমানসিদ্ধ বুলি মানি লয়।

(৪) জ্ঞানৰ শীৰ্ষতম স্তৰটো শুদ্ধ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত আমি চিন্তা বা ৰূপৰ জ্ঞান লাভ কৰিব পাৰো। উদাহৰণ স্বৰূপে স্বাভাৱিক অৱস্থাত 'মনুষ্য'ৰ জ্ঞান বা 'মনুষ্য'ৰ চিন্তা বা ৰূপ। এই জ্ঞান প্ৰমাদহীন আৰু বাস্তৱিক।

৭.৬ সত্য বিশ্বাস হিচাপে প্ৰতিপাদিত জ্ঞান

জ্ঞানৰ এটা বহু চৰ্চিত সংজ্ঞা হৈছে জ্ঞান প্ৰতিপাদিত সত্য বিশ্বাস। প্লেটোৱে তেওঁৰ গ্ৰন্থ "Theaetetus" অত জ্ঞানৰ এই সংজ্ঞাৰ বিষয়ে আলোচনা কৰিছে। জ্ঞানৰ এই সংজ্ঞাই জ্ঞানৰ তিনিটা চৰ্তৰ কথা সূচায়।

প্ৰথম চৰ্তটো হৈছে জ্ঞানৰ শুদ্ধ চৰ্ত। এই চৰ্তই সাধাৰণভাৱে ইয়াকে সূচাই যে আমি

যিটো জানো বুলি দাবী কৰো সেয়া সত্য হোৱা উচিত।

জ্ঞানৰ দ্বিতীয় চর্তটো হৈছে বিশ্বাস চর্ত। কিবা এটা যে সত্য সেইটো জনাই নহয়, আমি সেইটো যে সত্য তাকো বিশ্বাস কৰিব লাগিব। এজনে ন্যায্যভাৱে এইটো ক'ব নোৱাৰে যে তেওঁ এইটো জানে যে P শুদ্ধ, কিন্তু তেওঁ তাক বিশ্বাস নকৰে।

জ্ঞানৰ তৃতীয় চর্তটো হৈছে ন্যায্যতা প্রতিপাদন চর্ত। যদি কোনোবাই এইটো দাবী কৰে যে তেওঁ P-ক চিনি পায় তেতিয়াহ'লে তেওঁৰ সেই দাবীৰ প্রমাণ থাকিব লাগিব বা P-ক বিশ্বাস কৰিবলৈ তেওঁৰ কিবা এটা হেতু থাকিব লাগিব। আমি এই চর্তসমূহ এইদৰে সূত্রবদ্ধ কৰিব পাৰো— "যদি S-এ P-ক চিনি পায়" তেতিয়াহ'লে S-এ P-ক বিশ্বাস কৰাতো সম্পূর্ণভাৱে ন্যায্য হ'ব। ইয়াত S আখৰটোৱে জ্ঞানৰ ভিত্তি বিষয় আৰু P আখৰটোৱে প্রস্তাৱনা বুজায়। এই সংজ্ঞাটোৰ ভিত্তিত জ্ঞানৰ চর্ত এইদৰে আগবঢ়াব পাৰি—

S-এ P-ক জানে যদিহে (১) P শুদ্ধ

(২) S-এ P-ক বিশ্বাস কৰে

(৩) S-এ P-ক বিশ্বাস কৰাৰ ন্যায্য কাৰণ আছে।

পিছে ভালে সংখ্যক দার্শনিক সত্য বিশ্বাস হিচাপে প্রতিপাদিত জ্ঞানৰ সংজ্ঞাটোক সমালোচনা কৰিছে। আটাইতকৈ বিখ্যাত সমালোচনাটো আগবঢ়াইছে এডমাণ্ড গেটিয়াৰে। তেওঁৰ গৱেষণা পত্র "Is Justified True Belief"-অত তেওঁৰ মনোভাব প্রকাশ পাইছে। তেওঁৰ সেই গৱেষণাপত্রখন ১৯৬৩ চনত প্রকাশ পাইছিল। গেটিয়াৰে তেওঁৰ সেই গৱেষণাপত্রত বিভিন্ন ওলোটা উদাহৰণ (Counter example)ৰ সহায়ত এইটো দেখুৱাব বিচাৰিছে যে যদিও জ্ঞানৰ তিনিওটা চর্ত পূৰণ হয় আমি এইটো দাবী কৰিব নোৱাৰো যে আমি জ্ঞান লাভ কৰিছো। উদাহৰণ স্বৰূপে এটা ওলোটা উদাহৰণ বিবেচনা কৰা যাওঁক। কোনোবাই হয়তো সময় চাবলৈ ঘড়ীটোলৈ চাব পাৰে। সাধাৰণতে ঘড়ীয়ে শুদ্ধ সময়টো দেখুৱায়। কিন্তু ঘড়ীটো কেনেবাকৈ বন্ধ হৈ গ'ল। ঘড়ীটো দুপৰীয়া বাৰটাত বন্ধ হ'ল আৰু কাকতালীয়ভাৱে তেৱোঁ দুপৰীয়া ১২ বজাতেই ঘড়ীটো চালে। কিন্তু ঘটনাক্রমে তেওঁ শুদ্ধ সময়টোৱেই পালে। গতিকে ইয়াত তিনিওটা চর্ত পূৰণ হয়, কিন্তু তথাপিতো আমি এইটো নকওঁ যে তেওঁৰ জ্ঞান আছে। কিন্তু এনে সমালোচনা সত্ত্বেও জ্ঞানৰ এই সূত্রটো আজিও প্রভাৱশালী হৈ আছে।

৭.৭ সামৰণি

ওপৰত কৰি অহা বিশ্লেষণৰ আধাৰত আমি এইটো ক'ব পাৰো যে যদিও প্লেটোৱে তেওঁৰ জ্ঞান তত্ত্বটো কি জ্ঞান নহয় সেই নকাৰাত্মক ভাবেৰে আৰম্ভ কৰিছে, তেওঁ তাৰ সামৰণি সকাৰাত্মকভাৱে ঘটাইছে য'ত তেওঁ জ্ঞান কি তাৰ সংজ্ঞা আগবঢ়াইছে। প্রথমটো সকাৰাত্মক

সংজ্ঞা যিটো তেওঁ গ্রহণ কৰিছে সেইটো হৈছে ছ'ক্রেটিছৰ জ্ঞানৰ সংজ্ঞা য'ত এইটো কোৱা হৈছে যে জ্ঞান হৈচে সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান। প্লেটোৱে এইটো বিশ্বাস কৰিছিল যে প্ৰকৃত জ্ঞান হৈছে ধাৰণাৰ জ্ঞান। জ্ঞানৰ মূল ভিত্তি হৈছে যুক্তি আৰু যুক্তি ধাৰণাসমূহৰ কাৰ্যক্ষমতা। তেওঁৰ গ্ৰন্থ "Theaetetus"-অত প্লেটোৱে জ্ঞানৰ অন্য এটা সংজ্ঞা আগবঢ়াইছে য'ত জ্ঞানক প্ৰতিপাদিত সত্য বিশ্বাস বোলা হৈছে। জ্ঞানৰ এই সংজ্ঞা জ্ঞানতত্ত্বত অতি প্ৰভাৱশালী যদিও ইয়াৰ বিৰুদ্ধে সমালোচনা নথকা নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ "জ্ঞানবোধ বা বোধজ্ঞান"— এই কথাষাৰ কোনে কৈছিল?

প্ৰশ্ন নং ২ ঃ "মনুষ্য সকলো বস্তুৰে মাপদণ্ড"— এই কথাষাৰ কোনে কৈছিল?

প্ৰশ্ন নং ৩ ঃ "জ্ঞান হৈছে অভিমত"— এই কথাষাৰ কোনে নাকচ কৰিছিল?

প্ৰশ্ন নং ৪ ঃ কোনে পোনপ্ৰথমে সংজ্ঞাবদ্ধ কৰিছিল যে সকলো জ্ঞান সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান?

প্ৰশ্ন নং ৫ ঃ প্লেটোৰ মতে জ্ঞানৰ সংজ্ঞা কি?

প্ৰশ্ন নং ৬ ঃ "জ্ঞান প্ৰতিপাদিত সত্য বিশ্বাস"— কোনে এই সংজ্ঞাটোৰ ওলোটা উদাহৰণ আগবঢ়াইছিল?



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জ্ঞানৰ সংজ্ঞা আগবঢ়াবলৈ যাওঁতে প্লেটোৱে প্ৰথমে জ্ঞান সম্পৰ্কীয় অসত্য তত্ত্বসমূহ যুক্তিৰে খণ্ডন কৰিছে।
- এনেকুৱা প্ৰথমটো অসত্য তত্ত্ব যাক প্লেটোৱে যুক্তিৰে খণ্ডন কৰিছে— সেইটো হৈছে 'জ্ঞানবোধ বা বোধজ্ঞান।'
- প্ৰোটাগোৰাচ আৰু ছফিষ্টসকলৰ মতে জ্ঞানবোধ বা বোধজ্ঞান।
- বোধ বা বোধজ্ঞানে পৰস্পৰ বিৰোধী প্ৰতীতি সৃষ্টি কৰে। একেটা বস্তুকে ওচৰত ডাঙৰ দেখা পোৱা যায়— কিছু দূৰলৈ আঁতৰাই পঠিয়ালে একেটা বস্তুকে সৰু দেখা যায়।

- যদি বোধ সত্য হয়, তেতিয়া মানুহ বা মনুষ্যই সকলো বস্তুৰ মাপদণ্ড।
- "জ্ঞানবোধ বা বোধজ্ঞান"— এই মতবাদটোৱে সত্যৰ যথার্থতা নাশ কৰে।
- প্লেটোৱে যুক্তিৰে খণ্ডন কৰিব খোজা দ্বিতীয়টো মতবাদ হৈছে সেইটো য'ত কোৱা হৈছে যে জ্ঞান অভিমত।
- ভুল অভিমত স্পষ্টভাৱে জ্ঞান নহয়।
- কিন্তু শুদ্ধ অভিমতকো জ্ঞান বুলি আখ্যা দিব নোৱাৰি। আমি প্ৰায়েই সংস্কাৰগতভাৱেই হওক বা প্ৰবৃত্তিগতভাৱেই, এইটো অনুভৱ কৰোঁ যে কিবা এটা সত্য যদিও আমাৰ সেই বিশ্বাসৰ কোনো নির্দিষ্ট ভিত্তি প্ৰদৰ্শন কৰিব নোৱাৰো। সেই বিশ্বাসটো সম্পূৰ্ণ শুদ্ধ হ'ব পাৰে, কিন্তু প্লেটোৰ ভাষাত সেয়া জ্ঞান নহয়। ই কেৱল শুদ্ধ অভিমতহে।
- জ্ঞান আয়ত্ত কৰিবলৈ হ'লে এটা বস্তুক জনাৰ লগতে বস্তুটোনো কি কাৰণে তেনেকুৱা তাৰ কাৰণসমূহো লাগিব।
- অসত্য তত্ত্বসমূহ যুক্তিৰে খণ্ডন কৰাৰ পিছত প্লেটোৱে তেওঁৰ জ্ঞান তত্ত্বৰ সকাৰাত্মক দিশলৈ আগবাঢ়িছে।
- প্লেটোৱে সালসলনি নকৰাকৈ ছ'ক্ৰেটিছৰ সেই নীতি গ্ৰহণ কৰিছে য'ত কোৱা হৈছে যে সকলো জ্ঞান ধাৰণাৰ মাজেদি অহা জ্ঞান।
- ধাৰণা যিহেতু সংজ্ঞাৰ নিচিনা, ই দৃঢ় আৰু চিৰস্থায়ী ব্যক্তিৰ স্বানুভূতিসম্পন্ন সাঁচ অনুসৰি বিৰাট পৰিৱৰ্তনৰ বাবে দায়ী নহয়। ই আমাক বস্তুনিষ্ঠ সত্যৰ সন্ধেদ দিয়ে।
- "Republic"-অত প্লেটোৱে জ্ঞানৰ চাৰিটা শ্ৰেণীৰ কথা কৈছে যি মানৰ মনৰ চাৰিটা প্ৰবুদ্ধ সামর্থ্যৰ লগত জড়িত।
- জ্ঞানৰ শীর্ষতম স্তৰটো শুদ্ধ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত আমি চিন্তা বা ৰূপৰ জ্ঞান লাভ কৰিব পাৰো।
- জ্ঞানৰ সর্বনিম্ন শ্ৰেণীটো আমাৰ কল্পনাৰ লগত সংলগ্ন।
- জ্ঞানৰ দ্বিতীয় স্তৰটোত বোধজনিত বিশ্বাস আৰু অভিমত অন্তর্ভুক্ত হয়, উদাহৰণ স্বৰূপে— এজন ব্যক্তি বিশেষৰ জ্ঞান।
- জ্ঞানৰ পৰৱর্তী উচ্চ স্তৰটোত অন্তর্ভুক্ত হয় গণিত আৰু জ্যামিতিত প্ৰাপ্ত অংক (numbers) আৰু আকৃতি (figures) সমূহৰ জ্ঞান।
- প্লেটোৱে তেওঁৰ গ্ৰন্থ "Theaetetus"-অত জ্ঞানৰ সংজ্ঞা এইদৰে আগবঢ়াইছে য'ত তেওঁ এইটো কৈছে যে জ্ঞান হৈছে প্ৰতিপাদিত সত্য বিশ্বাস।

- প্রথম চর্তটো হৈছে জ্ঞানৰ শুদ্ধ চর্ত।
- জ্ঞানৰ দ্বিতীয় চর্তটো হৈছে বিশ্বাস চর্ত। কিবা এটা যে সত্য সেইটো জনাই নহয়, আমি সেইটো যে সত্য তাকো বিশ্বাস কৰিব লাগিব।
- জ্ঞানৰ তৃতীয় চর্তটো ন্যায্যতা প্রতিপাদন চর্ত। যদি কোনোবাই এইটো দাবী কৰে যে তেওঁ P-ক চিনি পায় তেতিয়াহ'লে তেওঁৰ সেই দাবীৰ প্রমাণ থাকিব লাগিব বা P-ক বিশ্বাস কৰিবলৈ তেওঁৰ কিবা এটা হেতু থাকিব লাগিব।
- এড্মাণ্ড গেটিয়াৰে ১৯৬৩ চনত প্রকাশিত হোৱা তেওঁৰ গৱেষণা পত্র "Is Justified True Belief Knowledge"ত সত্য বিশ্বাস হিচাপে প্রতিপাদিত জ্ঞানৰ সংজ্ঞাটোক সমালোচনা কৰিছে।

৭.৯ অধিক জানিবলৈ

1. Feldman, Richard. (2003), Epistemology. Prentice-Hall, Upper Saddle River.
2. Gettier, Edmund L. (1963). "Is Justified True Belief Knowledge?" Analysis 23(6) : 121-123
3. Masih, Y. (1993). A Critical History of Western Philosophy. Delhi, Motilal Banarsidass Pvt. Ltd.
4. Russell, Bertrand. (2004), History of Western Philosophy. London, Routledge Classics.
5. Thilly, Frank. (1983). A History of Philosophy. New Delhi, SBE Publishers.

৭.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ "জ্ঞানবোধ বা বোধজ্ঞান"— প্রোটাগোৰাচে এই কথাষাৰ কৈছিলে।

২নং প্রশ্নৰ উত্তৰ ঃ "মনুষ্য বা মানুহ সকলো বস্তুৰ মানদণ্ড"।— কথাষাৰ প্রোটাগোৰাচে কৈছিলে।

৩নং প্রশ্নৰ উত্তৰ ঃ "জ্ঞান-অভিমত।"— প্লেটোৰে ইয়াক নাকচ কৰিছিলে।

৪নং প্রশ্নৰ উত্তৰ ঃ ছ'ক্রেটিছ। প্লেটোৰে ছ'ক্রেটিছৰ সংজ্ঞা গ্রহণ কৰিছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ প্লেটোৱে সালসলনি নকৰাকৈ ছ'ক্রেটিছৰ সেই নীতি গ্রহণ কৰিছে য'ত কোৱা হৈছে যে সকলো জ্ঞান ধাৰণাৰ মাজেদি অহা জ্ঞান।

৬নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৩ চনত প্রকাশিত হোৱা এড্‌মাণ্ড গেটিয়াৰৰ গৱেষণা পত্র "Is Justified True Belief Knowledge."

৭নং প্রশ্নৰ উত্তৰ ঃ (১) সত্য চর্ত

(২) বিশ্বাস চর্ত

(৩) ন্যায্যতা প্রতিপাদন চর্ত

৭.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ জ্ঞানৰ প্রথম চর্ত কি?

প্রশ্ন ২ ঃ জ্ঞানৰ দ্বিতীয় চর্ত কি?

প্রশ্ন ৩ ঃ জ্ঞানৰ তৃতীয় চর্ত কি?

প্রশ্ন ৪ ঃ জ্ঞানৰ শীর্ষতম স্তৰ কি?

প্রশ্ন ৫ ঃ প্লেটোৱে যুক্তিৰে খণ্ডন কৰা জ্ঞানৰ প্রথমটো অসত্য তত্ত্ব কি?

প্রশ্ন ৬ ঃ প্লেটোৱে যুক্তিৰে খণ্ডন কৰা জ্ঞানৰ দ্বিতীয়টো অসত্য তত্ত্ব কি?

(খ) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ প্লেটোৰ মতে বোধজ্ঞান নহয়— চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ প্লেটোৰ মতে অভিমত জ্ঞান নহয়— চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ প্লেটোৰ মতে জ্ঞানৰ চাৰিটা শ্রেণী কি কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ সত্য বিশ্বাস হিচাপে প্রতিপাদিত জ্ঞানৰ বিৰুদ্ধে আগবঢ়োৱা ওলোটা উদাহৰণটো কি?

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ প্লেটোৰ জ্ঞানতত্ত্ব ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ প্লেটোৱে যুক্তিৰে খণ্ডন কৰা জ্ঞানৰ অসত্য তত্ত্বসমূহ বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ সকলো জ্ঞান যে সংকল্পনাৰ মাধ্যমেদি অহা জ্ঞান সেয়া বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ প্লেটোৰ ধাৰণাৰ মতবাদ ঃ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ প্লেটোৰ ধাৰনা বা আকাৰৰ ধাৰণা
৮.৪ প্লেটোৰ ধাৰণাৰ তত্ত্বৰ বৈশিষ্ট্য
৮.৫ প্লেটোৰ ধাৰণাৰ তত্ত্বৰ সমালোচনা
৮.৬ সামৰণি
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্লেটোৰ ধাৰণাৰ বা আকাৰ তত্ত্বটো জানিব পাৰিব
- প্লেটোৰ ধাৰণাৰ তত্ত্বৰ মুখ্য ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- প্লেটোৰ ধাৰণাৰ তত্ত্বৰ বৈশিষ্ট্য সমূহ ব্যাখ্যা কৰিব পাৰিব
- প্লেটোৰ ধাৰণাৰ তত্ত্বৰ সমালোচনা সমূহ জানিব পাৰিব

৮.২ পৰিচয় ঃ

এই অধ্যায়টিত আমি প্লেটোৰ ধাৰণাৰ মতবাদৰ বিষয়ে শিকিম আৰু আলোচনা কৰিম। এই তত্ত্বটোয়ে দর্শনত এটি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। প্লেটোৰ ধাৰণাৰ তত্ত্বটোক আমি প্লেটোৰ দর্শনত আগবঢ়োৱা আটাইতকৈ দৰকাৰী অৱদান বুলিও ক'ব পাৰো। প্লেটোৰ মতে ধাৰণা বা আকাৰেই হৈছে এই জগতৰ প্রকৃত সত্য। আমি এইদৰেও ক'ব পাৰু যে প্লেটোৰ মতে, ধাৰণা বা আকাৰ সমূহ জগতৰ মূলতত্ত্ব যাৰ এক নিজা তাত্ত্বিক মর্য্যাদা আছে। ইহতক এটা বস্তুৰ মূল, পাশ্বত সাত্বিক আৰু প্রাগনুভাৱক আদর্শ বুলিও ক'ব পাৰি। ধাৰণা সমূহ প্রকৃততে এনে ধৰণৰ বস্তু, যি আচলতে বিশেষৰ পূর্বৱর্তী আৰু ধাৰণাসমূহৰ অবিহনে বা বিশেষ স্বাধীন ভাৱে নিজা অৱস্থিতি আছে।

৮.৩ প্লেটোৰ ধাৰণা বা আকাৰৰ ধাৰণা ঃ

আমি যেতিয়া প্লেটোৰ ধাৰণা বা আকাৰৰ তত্ত্বটো আলোচনা কৰো, আমি এটা কথাত স্পষ্ট হৈ থাকিব লাগিব যে প্লেটোৰ এই তত্ত্বটো অন্য দুটি মতবাদৰ পৰা প্ৰভাৱিত হৈছিল। তাৰ এটি হৈছে ছক্ৰেটিচ্ৰ ধাৰণাৰ মতবাদ আৰু ইলিয়াৰ্টিক সকলৰ সত্তাৰ মতবাদ। ইলিয়াৰ্টিক দাৰ্শনিক হেৰাক্লাইটাচৰ মতে বাস্তৱ হৈছে এটি স্থিৰ প্ৰবাহ। তেওঁ আকৌ কৈছে যে এজন ব্যক্তিয়ে কেতিয়াও এখন নৈৰ পানীত দুবাৰ ভৰি দিব নোৱাৰে। কিয়নো পানীখিনি বোৱতী হয় আৰু প্ৰত্যেক মুহূৰ্ত্ততে সলনি হৈ থাকে। একেই কথাটি বাস্তবৰ ক্ষেত্ৰটো প্ৰযোজ্য। হেৰাক্লাইটাছৰ পাৰ প্লেটোই এই কথাটো শিকিছিলে যে আমাৰ জগৎ খনো এক স্থিৰ প্ৰৱাহক গতিত আছে। প্লেটোয়ে এইদৰে সামৰণি মাৰিলে যে সত্য এনে এক বস্তু নহয়, যাক আমি জ্ঞানেন্দ্ৰিয়ৰ জৰিয়তে জানিব পাৰো। সত্যক আমি ধাৰণাৰ জগতৰ মাজতহে পাব পাৰো। পৰৱৰ্তী সময়ৰ বহুটো দাৰ্শনিকে এইটো কৈছিলে যে প্লেটোৰ ধাৰণাৰ তত্ত্বটো আচলতে ছক্ৰেটিচৰ ধাৰণাৰ তত্ত্বৰে অলপ সোধৰণি।

সেয়েহে, প্লেটোৰ বাবে ধাৰণা বা আকাৰ সমূহে এনে পৰিৱৰ্তনহীন, অনন্ত আৰু অবস্তুগত সাৰমৰ্ম বা আৰ্হি যাৰ আমি এই জগতত এটা সমূহ বস্তুবোৰ এটি মাত্ৰ প্ৰতিৰূপহে। উদাহৰণ স্বৰূপে আমি এটা আপেলক ল'ব পাৰো। আচলতে আমি দেখা আপেলটো আপেলৰ প্ৰকৃত ধাৰণা বা আকাৰৰ কেৱল মাত্ৰ এটি প্ৰতিৰূপহে। ছক্ৰেটিচৰ পূৰ্বৱৰ্তী দাৰ্শনিকসকলৰ মতে বাস্তৱ হৈছে এক বস্তুগত দ্ৰব্য। ধাৰণাৰ বোধ বা চিন্তন (cognition) সমূহক মাত্ৰ জ্ঞান বুলিব পৰা যায়। ধাৰণাৰ জগৎ খন এখন দৃশ্যমান জগৎ নহয়। সেইখন এখন বোধগম্য জগৎ হে। আমি যেতিয়া ধাৰণাৰ বা আকাৰৰ কথা কওঁ, আমি জনা উচিত যে এইবোৰ এনে এক অস্থিত্বশীল পদাৰ্থ যিবোৰ কাল অথবা স্থান কাৰোৱেই অৰ্ন্তভুক্ত নহয়। প্লেটোয়ে আৰু এটা গুৰুত্বপূৰ্ণ কথা এইদৰে কৈছে যে ধাৰণা বা আকাৰ সমূহে নিজৰ অস্তিত্বৰ কাৰণে আমাৰ মনটোৰ ওপৰত নিৰ্ভৰশীল নহয়। এইবোৰ জ্ঞাত মনৰ বাহিৰেও সম্পূৰ্ণৰূপে স্বাধীন। ধাৰণাসমূহ নিজৰ ধাৰণাৰ স্বৰ্গৰ ভিতৰতে থাকে। এইটো ফালৰ পৰা এই কথাটো ক'ব পাৰি যে প্লেটোৰ ধাৰণাৰ তত্ত্বৰ ভাববাদ আৰু বাস্তববাদ, এই দুয়োটা তত্ত্বৰে গুণ দেখা যায়। এই তত্ত্বটোক ভাববাদ বুলি ক'ব পাৰি কিয়নো এই মতবাদ অনুসৰি ধাৰণা সমূহকে বাস্তব বুলি স্বীকৃতি দিব পাৰি আৰু আমি যিবোৰ প্ৰত্যেক্ষ কৰো, সেইবোৰ এই ধাৰণাবোৰৰ কেৱল এক প্ৰতিবিম্বহে। আকৌ এই মতবাদটোক বাস্তৱবাদ বুলিও ক'ব পাৰি কিয়নো, এই ধাৰণাসমূহ হৈছে আমাৰ মনৰ পৰা স্বতন্ত্ৰ। ইহঁতৰ আমাৰ মনৰ লগত কোনো সম্পৰ্ক নাই। এই ধাৰণাসমূহ নিজৰ ধাৰণা স্বৰ্গৰ ভিতৰত বাস কৰে। গতিকে আমি এই ওপৰৰ ব্যাখ্যাৰ পৰা এটা কথা ক'ব পাৰো যে প্লেটোৰ ধাৰণাৰ মতবাদটো এটি অতি অনন্য আৰু অতুলনীয় তত্ত্ব যাৰ মাজত ভাৱবাদ আৰু বাস্তৱবাদ এই দুয়োটা তত্ত্বৰে গুণ দেখা পোৱা যায়।

৮.৪ প্লেটোৰ ধাৰণাৰ মতবাদৰ বৈশিষ্ট্যসমূহ ঃ

আমি যেতিয়া প্লেটোৰ ধাৰণাৰ মতবাদটো আলোচনা কৰে, এইটো দেখা যায় যে ইয়াৰ মাজত কেইটামান উল্লেখনীয় বৈশিষ্ট্য দেখা পোৱা যায়। এই বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা হ'ল —

(১) ধাৰণা বা আকাৰসমূহ হৈছে বাস্তৱৰ এক অনন্তআৰ্হি মাত্ৰ। আমি যিয়েই প্ৰত্যক্ষ কৰো, সেয়া হৈছে এই ধাৰণা সমূহৰ এটি প্ৰতিৰূপ মাত্ৰ। উদাহনৰণ স্বৰূপে আমি এটি সুন্দৰ বস্তু ল'ব পাৰো। যিকোনো এটি সুন্দৰ বস্তু হৈছে, সৌন্দৰ্য্যৰ ধাৰণাৰ মাত্ৰ এক প্ৰতিৰূপ।

(২) এই ধাৰণা বা আকাৰ সমূহ হৈছে ভাবাত্মক ধাৰণাৰ অনুৰূপ বস্তু মাত্ৰ। ইয়াত উল্লেখ কৰিবলগীয়া এটি গুৰুত্বপূৰ্ণ কথা এইটোয়ে যে এই ধাৰণাসমূহ এনে এক বস্তু নহয় যি আমাৰ মনৰ ওপৰত নিৰ্ভৰশীল। ইহঁতে নিজৰ জগতত বাস কৰে। যিহেতু ধাৰণা বা আকাৰ সমূহ কাল আৰু স্থানৰ ভিতৰৰ বস্তু নহয়, গতিকে আমি ক'ব পাৰো যে ইহঁতে নিজৰ এক জগতৰ মাজত অৱস্থিত। এই মতটোত প্ৰায় এটি প্ৰশ্ন উদয় হোৱা দেখা যায়। সেইটো হৈছে, যদিহে এই ধাৰণা সমূহ প্ৰকৃততে বাস্তৱ হয়, তেনেহ'লে ইহঁতৰ এক দেহযুক্ত সত্তা থাকিব লাগিব। গতিকে ইহতে নিশ্চয় এক স্থানৰ অৰ্ন্তভুক্তও হ'ব লাগিব। কথাটো হ'ল কেনেকৈ এই সম্পূৰ্ণ অভৌতিক ধাৰণা সমূহৰ কোনোবা অৱস্থাপন থাকিব পাৰে। কাৰণ আমি এইটো কথা নকও যে ধাৰণা সমূহ কোনোবা ঠাইত অৱস্থাপন কৰে। প্লেটোয়ে এই সমস্যাটো সমাধান কৰিব চেষ্টা কৰিছে আৰু এটি উত্তৰ দিবলৈও চেষ্টা কৰিছে। প্লেটোয়ে কৈছে যে ধাৰণা সমূহ অন্য বস্তুতকৈ পৃথক। আমি চোৱা বস্তুৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে ধাৰণা সমূহে বাস কৰে। বিশেষ বস্তু এটা ধ্বংস হৈ গলেও ধাৰণাৰ ধ্বংস নাই। ই চিৰস্থায়ী। ধাৰণা বা আকাৰৰ কোনো পৰিধি নাই। তাহাতৰ অৱস্থাপনৰ কথাটো মাত্ৰ আমাৰ ভাষাৰহে এটা পৰিমাণ।

(৩) আকৌ ধাৰণা বা আকাৰ হৈছে এনে এক বস্তু, যি বাস্তৱ বা মূল্যবোধৰ তুলনাত বা মাত্ৰাত উচ্চতৰ পদৰ হয়। ধাৰণা বা আকাৰ সমূহ হৈছে মূল আৰ্হি বা আদৰ্শ, যি কোনো বস্তুৰেই হৈছে সেই আৰ্হি বা আদৰ্শৰ প্ৰতিৰূপ। প্লেটোৰ মতে ধাৰণাৰ মতবাদটোত, ধাৰণা সমূহক বিশেষৰ সৈতে তিনিধৰণে লগ লগাব পাৰি। যি কোনো এটা বস্তুক তিনিধৰণে উপস্থাপন কৰিব পাৰি। প্ৰথমতে ধাৰণা হৈছে, এটা বস্তুৰ সাৰমৰ্মৰ কাৰণ। দ্বিতীয়তে এটা বস্তুক ধাৰণা বা আকাৰৰ অংশ গ্ৰহনকাৰীও বুলিব পাৰি। আৰু, তৃতীয়তে, এটা বস্তু

এককালিকভাবে আকাৰৰ একাধিত্বৰ বা বহুত্বৰ অংশগ্রহনকাৰী। যেতিয়া ধাৰণাৰ সলনি হয়, ইহঁতে আনুক্রমিকভাৱে বিভিন্ন আকাৰত অংশগ্রহণ কৰে।

(৪) আৰু এটা উল্লেখনীয় আৰু গুৰুত্বপূর্ণ মত হৈছে যে প্লেটোৰ মতে সকলো ধাৰণা বা আকাৰে এটা প্রণালী গঠন কৰে। এই সকলোবোৰ হৈছে তার্তিক ভাৱে আন্তঃসম্পর্কীত। প্লেটোয়ে আকৌ কৈছে যে ধাৰণা বা আকাৰবোৰৰ পদানুক্রম বা তাৰতম্য আছে। কিছুমান ধাৰণা বা আকাৰক উচ্চতৰ খাপৰ বুলি ক'ব পাৰি, আনহাতে কিছুমান ধাৰণা নিম্নখাপৰ। প্লেটোয়ে কৈছে যে উচ্চতৰৰ ধাৰণাসমূহে নিম্নতৰৰ ধাৰণাসমূহৰ লগত সংযোগ কৰে।

(৫) ধাৰণা সমূহ জ্ঞানেন্দ্রিয়ৰ সহায়ত উপলব্ধ কৰিব নোৱাৰি। যদিহে ধাৰণাসমূহ স্থান আৰু কালৰ ভিতৰৰ বস্তু হ'লহেতেন, তেনেহ'লে ইহঁতক জ্ঞানেন্দ্রিয়ৰ সহায়ত উপলব্ধি কৰিব পৰা গ'লহেতেঁন। ধাৰণা সমূহক যুক্তিৰ সহায়েৰেহে উপলব্ধি কৰিব পৰা যায়। কিন্তু এইটোও হয় যে জ্ঞানেন্দ্রিয় বোৰে এটা বিশেষ বস্তু যে এক ধাৰণাৰ প্রতিৰূপ এইটো উপলব্ধি কৰিবলৈ সুযোগ আৰু উদ্দীপনা আগবঢ়াই।

(৬) প্লেটোৰ মতে যদিও বাকী সকলো ধাৰণা, শুভৰ ধাৰণাৰ তলতীয়া বা শুভৰ ধাৰণাতকৈ গৌণ, কিন্তু বাকী আটাইবোৰ ধাৰণাৰ মাজত এক ডাঙৰ বিচিত্রতা আছে। উদাহৰন স্বৰূপে আমি ক'ব পাৰো যে মূল্যবোধৰ ধাৰণা আছে যেনে শুভবাদ বা সৌন্দর্য্য। আকৌ কিছুমান গুণৰ ধাৰণা আছে যেনে বগা বা কঠিনতা বা গোলাকাৰ ইত্যাদি। আকৌ বস্তুৰ শ্রেণীৰ ধাৰণা আছে, যেনে ঘৰ, কুকুৰ, মানুহ ইত্যাদি। সম্পর্কৰ ধাৰণা আছে যেনে, সমানতা, সামঞ্জস্য ইত্যাদি।

(৭) প্লেটোয়ে কৈছে যে মনে ধাৰণা সমূহক আলোচনা কৰাৰ বিভিন্ন পথ আছে। তাৰে এটা হৈছে স্মৰণ। আমাৰ শৰীৰৰ লগত এক হোৱাৰ আগতে আত্মাই এই ধাৰণা বা আকাৰ সমূহৰ লগত অৱগত হৈ লয়। মানুহে তেওঁলোকৰ অস্তিত্বৰ প্রথম পর্য্যায়ত আত্মাই জনা কথাবোৰ স্মৰণ কৰি লয়। তেওঁলোকে এই জাগতিক বস্তুবোৰক যেতিয়া দেখে, তেতিয়া সেই বস্তুবোৰে তেওঁলোকক আগতে জনা ধাৰণা সমূহৰ কথা মনত পেলাই দিয়ে। দ্বিতীয়তে দ্বন্দাত্মক প্রক্রিয়াৰ সময়টো মানুহে ধাৰণাৰ জ্ঞানলৈ আহিব পাৰে।

(৮) প্লেটোৰ ধাৰণাৰ মতামত এইটো দেখা গৈছে যে প্লেটোৰ এটা ব্যাখ্যা অনুসৰি এই জগতখন তিনি তৰপীয়া জগৎ। প্রথম তপৰটো শুভৰ ধাৰণাই অধিকাৰ কৰি আছে। দ্বিতীয় তৰপটো বাকি বোৰ ধাৰণাই অধিকাৰ কৰি আছে আৰু তৃতীয় তৰপটো প্রকৃত বিশেষ বস্তুবোৰে অধিকাৰ কৰি আছে। এই ব্যাখ্যা অনুসৰি এই ধাৰণা সমূহ হৈছে অধিবিদ্যক নীতি। কিন্তু অন্য এক ব্যাখ্যা

অনুসৰি প্লেটোৰ ধাৰণাসমূহ হৈছে তৰ্কীয় আন্তৰসত্তা। গতিকে প্লেটোৰ এই ব্যাখ্যা অনুসৰি এই জগতখন হৈছে এক তৰপীয়া জগত।



চিন্তা চৰ্চা কৰক ৮.১

(১) প্লেটোৰ ধাৰণাৰ তত্ত্বক ভাববাদ বোলা উচিত নে বাস্তৱবাদ বোলা উচিত? আলোচনা কৰক।

৮.৫ প্লেটোৰ ধাৰণাৰ মতবাদৰ সমালোচনা ঃ

প্লেটোৰ ধাৰণাৰ তত্ত্বক দৰ্শনৰ এক অতি দৰকাৰী তত্ত্ব বুলি আখ্যা দিব পাৰি। কিন্তু প্লেটোৰ এই তত্ত্বটোকো সমালোচনাৰ পৰা মুক্ত বুলি ক'ব নোৱাৰি। প্লেটোৰ এই তত্ত্বটোক প্ৰধানকৈ এটা মতত সমালোচনা কৰা হয়। এক ব্যাখ্যা অনুসৰি প্লেটোয়ে ধাৰণা আৰু ধাৰণাৰ বিশেষ প্ৰতিৰূপৰ মাজৰ সম্পৰ্কটো ভালকৈ ব্যাখ্যা কৰিব পৰা নাই। প্লেটোৰ মতে বিশেষ সমূহ ধাৰণাৰ প্ৰতিৰূপৰ বাহিৰে অন্য একো নহয়। কিন্তু সমালোচক সকলে কৈছে যে যদি এইটোয়ে হয় তেনেহ'লে ধাৰণাৰ আৰু বিশেষৰ সম্পৰ্কটো আলোচনা কৰিবলৈ তৃতীয় এক তৃতীয় এটা বস্তুৰ প্ৰয়োজন হ'ব। এই তৃতীয় বস্তুটো আকৌ ধাৰণাৰ লগত সংযোগ হ'বলৈ চতুৰ্থ এটা বস্তুৰ দৰকাৰ হ'ব। এইদৰে এই প্ৰক্ৰিয়াটো অসীমলৈ গৈ থাকিব। ইয়াৰ পৰিণতি স্বৰূপে প্লেটোৰ ধাৰণাৰ তত্ত্বটোৱে এটা দোষৰ (fallacy) ভাগি হ'বলগীয়া হৈছে। এই দোষটোক সীমাহিন প্ৰত্যাগমনৰ দোষ (Fallacy of Infenite Regrese) বুলি ক'ব পাৰি। গতিকে এই দোষটো ঘটোৱাটোৱে প্লেটেৰ তত্ত্বৰ এটা অসুবিধা বুলি ক'ব পাৰি। এটা গুৰুত্বপূৰ্ণ কথা এইয়ে প্লেটোয়েও তেওঁৰ পিছৰ কথোপকথনত এই দোষটোৰ বিষয়ে অবগত আছিল। এই সমালোচনাটো এৰিষ্টটেলৰ লিখনিত অতি ভালকৈ দেখা পোৱা যায়।

৮.৬ সামৰণি ঃ

এইয়াই হৈছে প্লেটোৰ ধাৰণা বা আকাৰৰ মতবাদটোৰ এটি চমু আলোচনা। যদিও কিছুমান সমালোচনা এই তত্ত্বৰ ওপৰত পোৱা যায়, কিন্তু এইটোও সচাঁ যে এই তত্ত্বটোৱে পাশ্চাত্য দৰ্শনত এটি দৰকাৰী আৰু গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। আৰু এটা উল্লেখনীয় কথা হ'ল যে প্লেটোৰ ধাৰণাৰ তত্ত্বটোৱে ভাৱবাদৰ অগ্ৰগতিত এটা অৱদান আগবঢ়াইছে। বহুতো দাৰ্শনিকে ইয়াক প্লেটোৰ বাস্তৱবাদ বুলিও কয়। প্লেটোৰ মতে ধাৰণা সমূহ বাস্তৱ আৰু এই ধাৰণা সমূহে নিজৰ ধাৰণাৰ ধাৰণাৰ মাজত অৱস্থিত। ধাৰণা সমূহ মাত্ৰ মনে সৃষ্টি কৰা সত্ত্বা।

সেয়েহে এই কথাটো উল্লেখ কৰিবই লাগিব যে প্লেটোৰ ধাৰণাৰ তত্ত্বটে এটি অতি অনন্য বা সুকীয়া তত্ত্ব। আমি শেষত এই ধৰণে সামৰণি মাৰিব পাৰো যে প্লেটোৰ ধাৰণাৰ মতবাদে পাশ্চাত্য দর্শনত এটি অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। বহুতো পিছৰ দর্শনৰ সম্প্রদায়বোৰে প্লেটোৰ ধাৰণাৰ মতবাদৰ পৰা অনুপ্রেৰীত হোৱা দেখা পোৱা যায়।



অগ্রগতি নিৰীক্ষন

প্রশ্ন ১ নং ঃ প্লেটোৰ মতে প্রকৃত সত্য কি?

প্রশ্ন ২ নং ঃ কোনজন দার্শনিকৰ পৰা প্লেটোৱে শিকিছে যে আমি দেখা জগৎ খন স্থিৰ প্রবাহী?

প্রশ্ন ৩ নং ঃ প্লেটোৰ ধাৰণা সমূহ স্থান আৰু কালৰ ভিতৰত থকা সত্তা হয়নে?

প্রশ্ন ৪ নং ঃ কিহতকৈ ধাৰণা বা আকাৰ সমূহ উচ্চতৰ মানৰ?

প্রশ্ন ৫ নং ঃ কি বস্তু জ্ঞানেন্দ্রিয়ৰ সহায়ত উপলব্ধি কৰিব নোৱাৰি?

প্রশ্ন ৬ নং ঃ কোনে কৈছে যে সকলো ধাৰণা শুভৰ ধাৰণাৰ তলতীয়া?

প্রশ্ন ৭ নং ঃ প্লেটোৰ মতে ধাৰণা সমূহ কিহৰ জৰিয়তে উপলব্ধি কৰিব পাৰি?

প্রশ্ন ৮ নং ঃ দেহৰ লগত মিলিত হোৱাৰ আগত আত্মাৰ কিহৰ সংস্পর্শত আছে?

প্রশ্ন ৯ নং ঃ প্লেটোৰ মতে মুঠতে জগতৰ কিমানটা তৰপ থাকিব পাৰে?

প্রশ্ন ১০ নং ঃ প্লেটোৰ ধাৰণাৰ মতবাদটোৱে ঘটোৱা দোষটোৰ নাম কি?

প্রশ্ন ১১ নং ঃ হেৰাক্লাইটাছে বাস্তৱৰ সংজ্ঞা কেনেকৈ দিছে?



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- ধাৰণা বা আকাৰ হৈছে এই জগতৰ প্রকৃত সত্য প্রকৃত সত্য।
- প্লেটোৰ মতে ধাৰণা বা আকাৰ বোৰ হৈছে জাগতিক সাৰমর্মযাৰ নিজৰ এক সত্তা আছে।
- ধাৰণা সমূহ এনে এটা বস্তু যি সদায় বিশেষৰ আগত থাকে আৰু যাৰ বিশেষৰ পৰা স্বাধীন ভাৱে অৱস্থিতি আছে।
- প্লেটোৰ বাবে ধাৰণা বা আকাৰ সমূহ এনে পৰিবর্তনহীন, অন্তত আৰু অৱস্তুগত সাৰমর্ম বা আৰ্হি যাৰ আমি এই জগতত এটা সমূহ বস্তুবোৰৰ এটি মাত্র প্রতিৰূপহে।
- ধাৰণা সমূহৰ অনুভূতিক কেৱল মাত্র জ্ঞান বুলি ক'ব পাৰি।
- ধাৰণা জগতখন এখন দেখি থকা জগত নহয়, সেইখন হৈছে এখন বোধগম্য জগৎ।
- ধাৰণা বা আকাৰ সমূহ হৈছে বাস্তৱৰ এক অনন্ত আর্হি আৰু আমি যি প্রত্যক্ষ কোৰো সেইবোৰ হৈছে এই ধাৰণা সমূহৰ প্রতিৰূপ মাত্র।

- ধাৰণা আৰু আকাৰ সমূহ স্থান আৰু কালৰ মাজত বস্তু নহয়। ইয়াৰ অর্থ হৈছে এই ধাৰণা বা আকাৰ সমূহ স্থান আৰু কালৰ বাহিৰৰ বস্তু। সেয়েহে ইহঁতৰ কোনো আৰম্ভণিও নাই আৰু শেষো নাই।
- ধাৰণা সমুহে নিজৰ ধাৰণাৰ জগতৰ মাজত থাকে, যাৰ ধাৰণাৰ স্বর্গ বুলি কোৱা হয়।
- এটা ধাৰণা বা আকাৰ হৈছে এনে এক বস্তু, যি বিশেষতকৈ বাস্তৰ আৰু মূলবোধৰ মাত্রাৰ তুলনাত ওপৰৰ বস্তু।
- আমি আকাৰ সমূহ হ'ল মূল আর্হি, বিশেষ সমূহ হ'ল যাৰ এক প্রতিৰূপ।
- প্লেটোৰ মতে, ধাৰণাৰ মতবাদৰ মতে এটা ধাৰণাৰ এটা বিশেষৰ সৈতে তিনি ধৰনে জড়িত। প্রথমতে ধাৰণাটো বস্তু এটাৰ সাৰমর্ম কাৰণ হ'ব পাৰে। দ্বিতীয়তে এটা বস্তু এটা আকাৰত অংশ গ্রহন কৰিব পাৰে। আৰু শেষত, এটা বস্তুৰে এক আকাৰত সহকালিক ভাৰে অনেকর্ত্বৰে অংশ গ্রহন কৰে। যেতিয়া ধাৰণাৰ সলনি হয়, ইহতে অনুক্রমিক ভাৰে বিভিন্ন আকাৰত অংশ গ্রহন কৰে।
- প্লেটোয়ে কৈছে যে উচ্চতৰ ধাৰণা সমূহে নিম্নতৰ ধাৰণাসমূহৰ লগত সংযোগ স্থাপন কৰে।
- ধাৰণা সমূহ জ্ঞানেন্দ্রিয়ৰ সহায়ত উপলব্ধি কৰিব নোৱাৰি, কিয়নো ধাৰণা সমূহ স্থান আৰু কালৰ বাহিৰত থাকে।
- ধাৰণা সমূহক যুক্তিৰে উপলব্ধি কৰিব পাৰি।
- প্লেটোৰ মতে যদিও সকলো ধাৰণা শুভৰ ধাৰণাৰ তলতীয়া হয়, কিন্তু তাৰ মাজতো এই ধাৰণা সমূহৰ মাজত যথেষ্ট বিভিন্নতা আছে।
- কিছুমান মূল্যবোধৰ ধাৰণা আছে, যেনে শুভ আৰু সৌন্দর্য্য। আকৌ গুণৰ ধাৰণা আছে, যেনে— বগা বা কঠিনতা। আৰু শ্রেণী ধাৰণাত আছে, যেনে— ঘৰ, কুকুৰ, মানুহ ইত্যাদি। আকৌ সম্পর্কৰ ধাৰণাও আছে। যেনে— সমানতা, সমজ্ঞা স্যতা ইত্যাদি।
- প্লেটোয়ে এইদৰে কৈছে যে দেহৰ লগত মিলিত হোৱাৰ আগতে, আত্মাই ধাৰণা আৰু আকাৰৰ লগত সম্পর্ক স্থাপন কৰে।
- প্লেটোৰ মতে এই জগত খন হৈছে তিনি তৰপীয়া।
- ইয়াৰ প্রথম তৰপত শুভৰ ধাৰণা সমূহ থাকে।
- দ্বিতীয় তৰপত থাকে অন্যান্য ধাৰণা সমূহ ।
- তৃতীয় তৰপত থাকে বিশেষ বস্তুবোৰ।
- এই তিনি তৰপীয়া ধাৰণাৰ ব্যাখ্যাটোত, প্লেটোৰ মতে ধাৰণা সমূহৰ এটা অধিবিদ্যক নীতি থাকে।
- অন্য এক ব্যাখ্যা অনুসৰি প্লেটোৰ ধাৰণাবোৰ হৈছে তর্কীয় সাৰমর্ম আৰু এইটো ব্যাখ্যা অনুসৰি জগত খন হৈছে এক তৰপীয়া।

- বহুতো দার্শনিকে প্লেটোক এইটো মতত সমালোচনা কৰিছে যে প্লেটোৱে ধাৰণা আৰু ধাৰণাৰ বিশেষ প্রতিৰূপ বোৰৰ মাজৰ সম্পর্কটো ভালকৈ দাঙি ধৰিব পৰা নাই।
- প্লেটোৰ ধাৰণাৰ মতবাদটোৱে সীমাহিনতাৰ প্রত্যগমনৰ দোষ সংঘটি ত কৰিছে।



৮.৮ অধিক জানিবলৈ ঃ

1. Feldman, Richard. (2003), Epistemology. Prentice-Hall, Upper Saddle River.
2. Gettier, Edmund L. (1963). "Is Justified True Belief Knowledge?" Analysis 23(6) : 121-123
3. Masih, Y. (1993). A Critical History of Western Philosophy. Delhi, Motilal Banarsidass Pvt. Ltd.
4. Russell, Bertrand. (2004), History of Western Philosophy. London, Routledge Classics.
5. Thilly, Frank. (1983). A History of Philosophy. New Delhi, SBE Publishers.



৮.৯ অগ্রগতিৰ খতিয়ান ঃ

১ নং প্রশ্নৰ উত্তৰ ঃ ধাৰনা বা আকাৰ।
২ নং প্রশ্নৰ উত্তৰ ঃ হেৰাক্লাইটাছ্।
৩ নং প্রশ্নৰ উত্তৰ ঃ নহয়।
৪ নং প্রশ্নৰ উত্তৰ ঃ মাত্রাৰ ফালৰ পৰা
৫ নং প্রশ্নৰ উত্তৰ ঃ ধাৰণা বা আকাৰ।
৬ নং প্রশ্নৰ উত্তৰ ঃ প্লেটো।
৭ নং প্রশ্নৰ উত্তৰ ঃ যুক্তি।
৮ নং প্রশ্নৰ উত্তৰ ঃ ধাৰণা বা যুক্তি।
৯ নং প্রশ্নৰ উত্তৰ ঃ তিনি।
১০ নং প্রশ্নৰ উত্তৰ ঃ সীমাহিনতাৰ প্রত্যাগমনৰ দোষ।
১১ নং প্রশ্নৰ উত্তৰ ঃ হেৰাক্লাইটাছ্ৰ মতে বাস্তৱ হৈছে এক স্থিৰ প্রৱাহ।

৮.১০ আৰ্হি প্ৰশ্ন ঃ

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

› ¶Ÿ১ ঃ- প্লেটোৰ মতে জগতৰ মূলতত্ত্ব কি?

প্ৰশ্ন ২ ঃ- কেনেকুৱা তাত্ত্বিক মৰ্যদা ধাৰণা সমূহৰ আছে?

প্ৰশ্ন ৩ ঃ- ধাৰণা সমূহ কেনে ধৰণৰ মূল আৰ্হি ?

প্ৰশ্ন ৪ ঃ- প্লেটোৰ ধাৰণাৰ তত্ত্বটো কোন দুটা মতামতৰ পৰা অনুপ্ৰেৰিত হৈছে?

প্ৰশ্ন ৫ ঃ- ধাৰণা সমূহ আমাৰ মনৰ ওপৰত নিৰ্ভৰশীল হয়নে?

প্ৰশ্ন ৬ ঃ- কোনটো ব্যাখ্যাৰ মতে, প্লেটোৰ ধাৰণাৰ মতবাদটো এক তৰপীয়া?

প্ৰশ্ন ৭ ঃ- ছক্ৰেটিচ্ৰ ধাৰণাৰ তত্ত্বৰ পৰা প্লেটোৱে কেনে ধৰনৰ অনুপ্ৰেৰিত হৈছে।

(খ) চমু প্ৰশ্ন ঃ (১০০ ৰ পৰা ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ- কোনবোৰ মতবাদৰ পৰা, প্লেটোৱে ধাৰণা বা আকাৰৰ মতবাদটো অনুপ্ৰেৰিত হৈছে?

প্ৰশ্ন ২ ঃ- প্লেটোৰ ধাৰণাৰ মতবাদটোক কিয় পৰিবৰ্তনশীল, অনন্ত আৰু অবস্তুগত সাৰমৰ্ম বা আৰ্হি বুলি কোৱা হৈছে?

প্ৰশ্ন ৩ ঃ- "ধাৰণাবোৰ এনে এক বস্তু নহয় যিবোৰ আমাৰ মনৰ ওপৰত নিৰ্ভৰশীল" — এই উক্তিটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ- ধাৰণা সমূহ বাস্তৱ আৰু মূল্যবোধৰ লগত কি দৰে জড়িত?

প্ৰশ্ন ৫ ঃ- প্লেটোৰ ধাৰণাৰ মতবাদৰ মতে, জগত খন এখন তিনি তৰপীয়া জগত নে এক তৰপীয় জগৎ? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ- প্লেটোৰ ধাৰণাৰ মতবাদে কিদৰে সীমাহিন প্ৰত্যাগমনৰ দোষত লিপ্ত হৈছে? চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ- প্লেটোৰ ধাৰণাৰ তত্ত্বটো সমালোচনা সহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ- প্লেটোৰ ধাৰণাৰ তত্ত্বৰ মূল বৈশিষ্ট্য সমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ- প্লেটোৰ ধাৰণা মতবাদটো "স্থান আৰু কালৰ অৰ্ন্তভুক্ত নহয়" — এই উক্তিটো আলোচনা কৰক।

****